# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Jolin Goswami. | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhaitya Sabhaā Patraika | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1975 | Edition: |
| Size: 23½ cms · 7+66+16+60+12+3+66+78+16 pages | Genre: Magazine |
| Volumes: 32 - 4 issues | Condition of the original: good |
| Remarks: [illegible] - 1st vol. published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

নং ৪৪২৯
তাং ৭/৭/২০০৫

দ্বাত্ৰিংশ বছৰ
তৃতীয় সংখ্যা
ডিচেম্বৰ, ১৯৭৫

সম্পাদক :
যতীন গোস্বামী

দ্বাত্রিংশ বছৰ ।। তৃতীয় সংখ্যা

# অসম সাহিত্য সভা পত্ৰিকা

।। ডিচেম্বৰ, ১৯৭৫ ।।

সম্পাদক :
শ্ৰীযতীন গোস্বামী

অসম সাহিত্য সভা পত্ৰিকা
দ্বাত্ৰিংশ বছৰ
তৃতীয় সংখ্যা
ডিচেম্বৰ, ১৯৭৫

সম্পাদক :
শ্ৰীযতীন গোস্বামী
গুৱাহাটী-৩

প্ৰকাশক :
শ্ৰীনগেন শইকীয়া
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট- ১

মূল্য—তিনি টকা

ছপাশাল :
জয়া প্ৰেছ
কমাচল ৰোড
গুৱাহাটী-৩

## ॥ অসম সাহিত্য সভা পত্ৰিকা ॥

**কাৰিকৰী তথ্য :**

আলোচনীৰ আকাৰ : ২৫ × ১৯ চেঃ মিঃ
পৃষ্ঠাৰ ছপা অংশঃ ১৯ × ১৫ চেঃ মিঃ
স্তম্ভৰ সংখ্যা—দুই

**বিজ্ঞাপনৰ নিৰিখ :**

বেটুপাত —৪থ পিঠি (সম্পূৰ্ণ পৃষ্ঠা)—৬০০.০০
২য় আৰু ৩য় পিঠি ( ঐ )—৫০০.০০
ভিতৰৰ—সাধাৰণ ( ঐ )—৪০০.০০
ভিতৰৰ —আধা পৃষ্ঠা —৩০০.০০

সকলো বিষয়ক যোগাযোগ আৰু টকা পইচাৰ লেন-দেন একমাত্ৰ অসম সাহিত্য সভাৰ সম্পাদকৰ লগতহে কৰিব লাগিব ।

## ॥ সূচীপত্ৰ ॥


| | | |
|---|---|---|
| সম্পাদকীয় | ॥ ১ ॥ | |
| ছুটি পুৰণি মুদ্ৰাৰ অধ্যয়ন | ॥ ৫ ॥ | শ্ৰীবিজয়ভূষণ হাজৰিকা |
| কালিকাপুৰাণৰ ৰচনাকাল | ॥ ৯ ॥ | ড০ ধৰ্মেশ্বৰ চুতীয়া |
| অমৃত প্ৰভা আৰু প্ৰাগ্‌জ্যোতিষৰ ৰজা | ॥ ১৭ ॥ | শ্ৰীবাপচন্দ্ৰ মহন্ত |
| সংগীত আৰু কাব্য | ॥ ২৬ ॥ | শ্ৰীসুশীলকুমাৰ ৰায় |
| দি ৰেষ্টলেগুৰ পৰা<br>সিন্ধু দেশৰ কাঁইটৰ দেশলৈ | ॥ ৩১ ॥ | শ্ৰীকিৰণচন্দ্ৰ শৰ্মা |
| হজৰত মহম্মদ আৰু ইচলাম ধৰ্ম | ॥ ৪৫ ॥ | শ্ৰীঅতুলচন্দ্ৰ বৰুৱা |
| ব্যাকৰণ পুথিত থকা খেলিমেলিবোৰ | ॥ ৪৯ ॥ | শ্ৰীদুৰ্গাশঙ্কৰ দেৱ শৰ্মা |
| অঃ সাঃ সভাৰ তিত্তাবৰ অধিবেশন | ॥ ৫৬ ॥ | শ্ৰীহেৰম্ব বৰদলৈ |
| পুথি-পৰিচয় | ॥ ৬৬ ॥ | |


### পত্ৰিকা সম্পাদন সমিতিৰ সদস্যসকল


১। প্ৰধান সম্পাদক, অসম সাহিত্য সভা
২। পত্ৰিকা সম্পাদক—আহ্বায়ক
৩। শ্ৰীযোগেশ দাস
৪। ড০ নিৰ্মলপ্ৰভা বৰদলৈ
৫। শ্ৰীহিতেন শৰ্মা
৬। শ্ৰীবিশ্বেশ্বৰ হাজৰিকা
৭। শ্ৰীসতীশচন্দ্ৰ চৌধুৰী

সভাপতি—অসম সাহিত্য সভাৰ সভাপতি

ড০ সত্যেন্দ্ৰনাথ শৰ্মা




## বিশ্ব-বিদ্যালয়ত গৱেষণাৰ ভাষা

আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম হোৱাৰ পিছত ভাৰতবৰ্ষৰ বহুকেইখন বিশ্ববিদ্যালয়ে নিজৰ আঞ্চলিক ভাষাৰ মাধ্যমত গৱেষণা কৰাৰ সুবিধা আগবঢ়াইছে। ইংৰাজী ভাষাৰ মাধ্যমত গৱেষণা হলে এইকেইটা সুবিধা আছে বুলি এশ্ৰেণী লোকে কৈছে—(ক) আৱশ্যকীয় শব্দ অসুবিধা নোহোৱাকৈ পায়; (খ) কাৰিকৰী 'টাৰ্ম' বুজাবৰ কাৰণে প্ৰতিশব্দ বিচাৰি হাহাকাৰ কৰিব নালাগে; (গ) আৱশ্যকীয় 'টাৰ্ম' ইতিমধ্যে ওলাই থকাত গৱেষকৰ কাৰণে সুচল হৈছে; (ঘ) গৱেষণাৰ ফলে আন্তৰ্জাতিক ব্যাপ্তি লাভ কৰাত সহজ হয় ইত্যাদি ইত্যাদি।

ওপৰৰ যুক্তিসমূহ যে যথেষ্ট তবল আৰু ওপৰুৱা এই কথা অস্বীকাৰ কৰাৰ উপায় নাই। কিন্তু এই যুক্তিসমূহৰ বিপৰীতে যিবোৰ যুক্তি থিয় হৈ আছে সেইবোৰ যথেষ্ট শক্তিশালী আৰু তৰ্জুত ইয়াৰ ওজন আৰু বেছি। শিক্ষা আৰু গৱেষণাৰ মাধ্যম আঞ্চলিক ভাষাক সমৰ্থন কৰি Dongerkery Committeeয়ে আগবঢ়োৱা প্ৰতিবেদনত কোৱা হৈছিল যে আঞ্চলিক শিক্ষা আৰু গৱেষণাৰ ভাষাৰ মাধ্যমেৰেহে উন্নত চিন্তা আৰু প্ৰকৃত প্ৰকাশ হ'ব পাৰে আৰু "........Unless the University maintain highest levels of techning, training and research, they cannot be expected to turn out individuals with Integrated personalities disciplined intellects, scholarly and scientific persuits and qualities of leadership, who can be depended upon to carry the country forward in the intellectual, social, economic and industrial progress."

গৱেষণা গ্ৰন্থসমূহে বিশেষকৈ বিশ্ববিদ্যালয়ৰ ছাত্ৰক ডাঙৰ সহায় কৰি আহিছে। কাৰ্লাইলে কৈছে, "বিশ্ব-বিদ্যালয় কিতাপৰ ভড়াল"। উচ্চ-শিক্ষাৰ ক্ষেত্ৰত সহায় কৰিবলৈ গৱেষণা-গ্ৰন্থসমূহ আঞ্চলিক ভাষালৈও অনূদিত হ'ব পাৰে বুলি যিসকলে ক'ব খোজে, তেওঁলোকে "অনুবাদকসকলে বিশ্বাসঘাটকতা কৰে" ('translators are traitors') বোলা কথাষাৰ নিশ্চয় মনত পেলোৱা উচিত। আনহাতে অনুবাদে মূলৰ স্থান ল'ব নোৱাৰে। দয়া পট্টবৰ্দ্ধনে তেখেতৰ "The Problems of the Medium of Instruction" প্ৰবন্ধত লিখিছে, "It is cruel to destroy the ability of the student to read the original and ask him to be satisfied with a translation. It is far more economical and practicable to train the student to read the original sources by giving him extra training in the English language."

ভাষা, সাহিত্য, সংস্কৃতি অথবা অন্যান্য বৈজ্ঞানিক বিষয়ক গৱেষণাৰ কাৰণে গৱেষকসকলে তেখেতসকলৰ বহুত শ্ৰম আৰু সময় ইংৰাজী ভাষা শিক্ষাতে ব্যয় কৰা বুলি ক'লে নিশ্চয় ভুল কোৱা নহ'ব।

সুখৰ কথা যে অসমত বহুজন গৱেষকে বিভিন্ন বিষয়ত ইংৰাজী মাধ্যমতে গৱেষণাৰ ফল দান কৰিছে। সেই গৱেষণা গ্ৰন্থসমূহৰ (ইংৰাজী) মাত্ৰ কেইখনমানহে প্ৰকাশিত হৈছে। যিখিনি প্ৰকাশিত হ'ল ইংৰাজী মাধ্যমত হোৱা কাৰণে গ্ৰন্থসমূহ এশ্ৰেণী পাঠক বা চৰ্চাকাৰীৰ মাজতে আৱদ্ধ হৈ আছে।

অসমৰ তিনিওখন বিশ্ব-বিদ্যালয়ে অকল গৱেষকৰ কাৰণেই নহয়, বহল সমাজ আৰু ছাত্ৰসকলৰ কাৰণেও অসমীয়া মাধ্যমত গৱেষণাৰ ব্যৱস্থা সোনকালেই কৰা উচিত। অসম সাহিত্য সভাই লোৱা এই বিষয়ৰ প্ৰস্তাৱ বিশ্ব-বিদ্যালয়ে সোনকালেই কাৰ্য্যকৰী কৰিব বুলি আশা কৰিছোঁ।

---

শ্ৰীবিজয়ভূষণ হাজৰিকা

# দুটা পুৰণি মুদ্ৰাৰ অধ্যয়ন

১৯৬৫ চনত বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ অধিকৰ্তাৰ যত্নত কিছুমান পুৰণি মুদ্ৰা এই বিভাগত সংগৃহীত হৈছিল। এই মুদ্ৰাবিলাক নগাওঁ জিলাৰ কদলি গাওঁত কাটি খান্দোতে পোৱা হৈছিল।

এই সংগৃহীত মুদ্ৰাৰ ভিতৰত পাৰ্চী লিপিত পাঠ থকা ইতিহাসৰ ফালৰ পৰা বিশেষ গুৰুত্বপূৰ্ণ এটা ৰূপৰ মুদ্ৰা পোৱা হৈছে। পাচ পাঠখিনি[1] এনেকুৱা—

| প্ৰথম পিঠিত | ওলোটা পিঠিত |
|---|---|
| (১) অচ-চুলতান অল আজিম | (১) অল ইমান |
| (২) চামচ-উদ-দুনীয়া ওৱা'দিন | (২) অল মুচট' আমীৰ |
| (৩) আবু অল মোজাফফৰ দৌলত শ্বাহ | (৩) উল মু'মিনিন |
| (৪) অচ-চুলতান | |

পাঠখিনিৰ পাঠোদ্ধাৰত অৰ্থ এনেকুৱা হয়গৈ—

| | |
|---|---|
| শ্ৰেষ্ঠ ৰজা চামচ-উদ-দুনীয়া ওয়াদদিন (ধৰ্ম আৰু পৃথিৱীৰ ঘাই খুটা স্বৰূপ) আবুল মোজফ-ফৰ দৌলত শ্বাহ | ধৰ্মগুৰু মুচটনচিমৰ আমোলত (কৰ) |

প্ৰথম পিঠিৰ পাঠখিনি এডাল আঁচেৰে কৰা এটা সমকোণী চতুৰ্ভুজ ক্ষেত্ৰত আৰু ওলোটা পিঠিৰ পাঠখিনি দুডাল আঁচেৰে কৰা সমকোণী চতুৰ্ভুজ ক্ষেত্ৰৰ মাজত এডাল আঁচেৰে কৰা এটা বৃত্তৰ ভিতৰত লিপিৱদ্ধ কৰা হৈছে। মুদ্ৰাটো ঘূৰণীয়া, ওজন ১১ গ্ৰাম আৰু আকাৰত ২৮ মিলিমিটাৰ। কিন্তু মুদ্ৰাটোত টাকশালৰ (Mint) নাম আৰু তাৰিখৰ উল্লেখ নাই। 'ইমাম' শব্দটোৰ ওপৰত ঢোৰ দৰে এডাল আঁচ দেখা যায়।

মুদ্ৰাটোত তাৰিখ আৰু টাকশালৰ উল্লেখ নথকাৰ বাবে ৰজাজনৰ চিনাক্তকৰণৰ প্ৰশ্নটো আহি পৰে।

দিল্লীৰ সম্ৰাটৰ অধীনত আৰু মাজে-সময়ে স্বাধীনভাৱে বঙ্গদেশ শাসন কৰা চুলতান আৰু শাসনকৰ্তাসকলৰ মুদ্ৰাৰ লগত এই মুদ্ৰাৰ আকাৰ

১। পাৰ্চী লিপিৰ পাঠোদ্ধাৰ কৰে কটন মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীওৱাই, তমিজি চাহাবে।

আৰু আকৃতিৰ সম্পূৰ্ণ সামঞ্জস্য আছে। সেই সময়ৰ মুছলমান শাসকসকলে নিজৰ নিজৰ মুদ্ৰাত বাগদাদৰ খলিফাৰ (ধৰ্মগুৰু) নাম উল্লেখ কৰি মুদ্ৰাৰ প্ৰচলনৰ সময়ৰ ইঙ্গিত দিয়া প্ৰথাটো এই মুদ্ৰাটোতো দেখিবলৈ পোৱা যায়—যাৰ পৰা এই মুদ্ৰাটো মধ্যযুগৰ দৌলত শ্বাহ নামৰ কোনোবা এজন নৱাবৰ বুলি ধৰি ল'ব পাৰি। মধ্যযুগীয় বঙ্গৰ প্ৰায় সকলো মুছলমান শাসনকৰ্তাই দিল্লীৰ চুলতানসকলৰ অনুকৰণত নিজৰ নিজৰ মুদ্ৰাত খলিফৰ নামোল্লেখ কৰি তেওঁৰ পৰা স্বীকৃতি পোৱাৰ নিদৰ্শন ৰখাৰ প্ৰথা মানি চলিছিল। যেতিয়াই কোনো এজনে কিবা উপায়েৰে ক্ষমতা লাভ কৰিব পাৰিছিল তেতিয়াই তেওঁ লগে লগে বাগদাদত থকা ইচলামৰ শ্ৰেষ্ঠ ধৰ্মগুৰুলৈ (খলিফ) উপহাৰ পঠাইছিল আৰু তাৰ বিনিময়ত খলিফে তেওঁৰ ক্ষমতা লাভক স্বীকৃতি দিছিল। যদি কিবা বিৰুদ্ধাচৰণ ক্ষমতা লাভ কৰাজনৰ বিৰুদ্ধে আছিল, সেয়া প্ৰায় ক্ষেত্ৰত ধৰ্মগুৰুৰ পৰা স্বীকৃতি পোৱাৰ লগে লগে বন্ধ হৈ গৈছিল। সময়ে সময়ে এনে স্বীকৃতি ধৰ্মগুৰুৰ পৰা ক্ষমতা লাভকৰণৰ পৰা বছৰ-দুবছৰ পিছতো আহিছিল। কিন্তু শাসনকৰ্তাজনে তেওঁৰ শাসন কালৰ আৰম্ভনীৰ পৰাই ধৰ্মগুৰুৰ নাম নিজৰ মুদ্ৰাৰ ওলোটা পিঠিত ব্যৱহাৰ কৰিবলৈ লৈছিল। এই প্ৰথাটো আমাৰ আলোচ্য মুদ্ৰাটোত বিদ্যমান। দৌলত শ্বাহৰ আৰু ধৰ্মগুৰু মুচটাচীমৰ নাম দুটা সুন্দৰভাৱে মুদ্ৰাটোত কটা আছে। ধৰ্মগুৰু মুচটাচীমৰ নামোল্লেখে মুদ্ৰাটোৰ প্ৰচলনকাল তেওঁৰ ধৰ্মীয় নেতৃত্বৰ সময়ছোৱাৰ ভিতৰত সীমাবদ্ধ কৰে।

সেই সময়ছোৱাৰ ভিতৰত ভাৰতত মাথোন দৌলত শ্বাহ নামৰ এজন শাসনকাৰীৰহে নাম পোৱা যায় আৰু তেৰেঁই হ'ল বঙ্গৰ দৌলত শ্বাহ বিন মাওদুদ। গতিকে আলোচ্য মুদ্ৰাটোত পোৱা দৌলত শ্বাহক বঙ্গৰ শ্বাহ বিন মাওদুদ বুলি চিনাক্ত কৰিব পাৰি। এই মুদ্ৰাটোৰ লগত পোৱা আন আন মুদ্ৰাবিলাক হ'ল ফিৰোজ শ্বাহ (খৃঃ ১৩০২-১৩১৮), বাহাদুৰ শ্বাহ (খৃঃ ১৩১০-১৩২৩) আৰু মোবাৰক শ্বাহ (খৃঃ ১৩৩৮-১৩৪৯)। এই নৱাবসকলৰ মুদ্ৰাৰ লগত পোৱা কথাটোৱে দৌলত শ্বাহক দৌলত শ্বা বিন মাওদুদৰ লগত চিনাক্তকৰণত কিছু পৰিমাণে সহায় কৰে।

দিল্লীৰ চুলতান চামচ্-উদ-দিন ইলতুতমিচৰ পুতেক বঙ্গৰ শাসনকৰ্তা নাচিৰুদ্দীনৰ মৃত্যু হয় খৃঃ ১২২৯ চনৰ (হিজৰী-৬২৬) মে মাহত। তেওঁৰ মৃত্যুত বংশৰ সিংহাসন মালিক ইখতিয়াৰুদ্দীন বলকা খিলজীয়ে বলেৰে কাঢ়ি লয়। তেওঁ লক্ষণাৱতীৰ পৰা প্ৰায় ডেৰ বছৰ কাল বঙ্গ শাসন কৰিছিল আৰু হিজৰী ৬২৮ চনৰ আগছোৱাত (খৃঃ ১২৩০ চনৰ নৱেম্বৰ মাহত) চুলতান ইলতুতমিচৰ দ্বাৰা সিংহাসনচ্যুত হৈ শেহত নিহত হয়। উক্ত মুদ্ৰাটো আৱিষ্কৃত হোৱাৰ আগলৈকে এই বিদ্ৰোহী শাসনকৰ্তাৰ ৰাজত্বৰ চিন স্বৰূপে মাথোন এটিহে মুদ্ৰা পোৱা গৈছিল।[২] সেই মুদ্ৰাটোৰ এপিঠিত তেওঁ নিজকে 'দৌলত শ্বাহ বিন মাওদুদ' বুলি লিখিছিল আৰু

২। জে, এন, সৰকাৰ সম্পাদিত—২য় খণ্ড, পৃঃ ৪৪, ঢাকা, ১৯৪৪

**পাৰ্চি-লিপিযুক্ত মুদ্ৰাটো ঃ**





প্ৰথম পিঠিত

(১) অচ-চুলতান অল আজিম

(২) চামচ-উদ-দুনীয়া ওৱা'দিন

(৩) আবু অল মোজাফ্ফৰ দৌলত শ্বাহ

(৫) অচ-চুলতান

ওলোটা পিঠিত

(১) অল ইমান

(২) অল মুচট' আমীৰ

(৩) উল মু'মিনিন

আনটো পিঠিত দিল্লীৰ চুলতান ইলতুতমিচৰ নাম লিপিৱদ্ধ কৰিছিল। গতিকে আমাৰ আলোচ্য মুদ্ৰাটো হ'ল দৌলত শ্বাহ বিন মাওদ্‌দৰ ৰাজত্বৰ দ্বিতীয় প্ৰমাণ। ইয়াতেই মুদ্ৰাটোৰ মূল গুৰুত্ব নিহিত আছে।

'বঙ্গৰ ইতিহাসত'[৩] উল্লেখ থকা মুদ্ৰাটোৰ লিপি অলপ বেলেগ। উক্ত মুদ্ৰাটোত তেওঁৰ দেউতাক 'মাওদুদ'ৰ নাম আৰু দিল্লী চুলতান 'ইলতুতমিচ'ৰ নাম পোৱা নাযায়। ইয়াৰ পৰা ধাৰণা কৰিব পাৰি যে দৌলত শ্বাহে বেলেগ বেলেগ লিপিৰে মুদ্ৰাবিলাক মুদ্ৰিত কৰিছিল। বহুত নহলেও দুটা বেলেগ বেলেগ পাঠ থকা মুদ্ৰা তেওঁ প্ৰচলন কৰিছিল। চুলতান ইলতুতমিচৰ নাম উল্লেখ নকৰাটোৱে এই ধাৰণা দিয়ে যে ক্ষমতা লাভ কৰাৰ লগে লগে তেওঁ নিজৰ মুদ্ৰাত চুলতান ইলতুতমিচৰ নাম উল্লেখ কৰি চুলতানৰ সাৰ্বভৌমত্ব স্বীকাৰ কৰিছিল আৰু অলপ দিনৰ পিছতেই চুলতানৰ অধীনতা অস্বীকাৰ কৰি নিজকে স্বাধীন বুলি ঘোষণা কৰি মুদ্ৰা উলিয়াইছিল আৰু এই শেষৰ মুদ্ৰাবিলাকত তেওঁ চুলতানৰ নাম উল্লেখ কৰা নাছিল। বঙ্গৰ পৰা সাৰ্বভৌমত্বৰ স্বীকৃতি পাই থকা সময়ছোৱাত দিল্লীৰ চুলতানে বঙ্গত কোনে ৰাজত্ব কৰি আছে তাৰ বাবে কোনো চিন্তাই নকৰিছিল। অকল ইয়াৰ ব্যতিক্ৰমতহে দিল্লীৰ চুলতান সজাগ হৈছিল। এয়াই আছিল সেই সময়ৰ ৰাজনৈতিক ৰীতি। কিন্তু এই ৰীতিৰ ব্যতিক্ৰম কৰি চুলতানৰ নাম উল্লেখ নকৰাকৈ দৌলত শ্বাহে মুদ্ৰা প্ৰচলন কৰাত ইলতুতমিচে দৌলত শ্বাহক শাস্তি বিহিবলৈ আগবাঢ়ি আহে।

ইয়াৰ পৰা মুদ্ৰাটোৰ প্ৰচলন কাল হিজৰী ৬২৭ চনৰ শেষৰ ভাগ বুলি ক'ব পাৰি— কিয়নো ইলতুতমিচে হিজৰী ৬২৮ চনৰ আগভাগত দৌলত শ্বাহৰ বিৰুদ্ধে যুদ্ধ-যাত্ৰা কৰিছিল। যিটো মুদ্ৰা দৌলত শ্বাহে ইলতুতমিচৰ নাম আৰু নিজকে 'দৌলত শ্বাহ বিন মাওদুদ' বুলি উল্লেখ কৰি হিজৰী ৬২৭ চনত প্ৰচলন কৰিছিল সেয়া সেই বছৰৰে আগছোৱাত প্ৰচলন কৰা বুলি ক'ব পাৰি ; কিয়নো তেতিয়ালৈকে তেওঁ নিজকে স্বাধীন বুলি ঘোষণা কৰিব পৰা নাছিল।

'বঙ্গৰ ইতিহাস'ৰ[৪] বাহিৰে আন কতো এই শাসনকৰ্তাজনৰ মুদ্ৰাৰ উল্লেখ পোৱা নাযায়। উল্লেখিত গ্ৰন্থতো যৎসামান্যহে উল্লেখ পোৱা যায়।

আলোচনাৰ আনটো মুদ্ৰা হ'ল মোৱামৰীয়া ৰজা ভৰত সিংহৰ। এই মুদ্ৰাটো সোণৰ। তেওঁক ভৰতী ৰজা বুলিও কোৱা হৈছিল। এই মোৱামৰীয়াসকলৰ ঘাই ঠালটোৱে তেওঁলোকৰ ধৰ্মগুৰু পীতাম্বৰ মহন্তৰ নেতৃত্বত এওঁক খৃঃ ১৭৯১ চনত ৰংপুৰত ৰজা পাতে আৰু তেওঁৰ ৰবৰুৱাৰ বাব শৃকুৰক দিয়ে। আহোম স্বৰ্গদেউ শ্ৰীগৌৰীনাথ সিংহৰ আমোলত (খৃঃ ১৭৮০—১৭৯৪) এই মোৱামৰীয়া ৰজাজনক সম্পূৰ্ণভাৱে দমন কৰিব পৰা নগৈছিল। কিন্তু ভৰত সিংহক ৰংপুৰৰ পৰা পূৰলৈ খেদি পঠোৱাত গৌৰীনাথ

৩। উক্ত

৪। জে. এন. সৰকাৰ সম্পাদিত 'হিষ্টৰী অব বেঙ্গল', ২য় খণ্ড, পৃঃ ৪৪ ঢাকা ১৯৪৪।

সিংহৰ মন্ত্ৰী পূৰ্ণানন্দ ডাঙৰীয়া সক্ষম হৈছিল। পূৰ্বৰ ঠাইৰ পৰা আঁতৰি যাব লগা হোৱা স্বত্বেও ভৰত সিংহই বীৰত্বেৰে নিজৰ ক্ষমতা খৃঃ ১৭৯৭ লৈকে বজাই ৰাখিব পাৰিছিল বুলি কব পাৰি; কিয়নো সেই চনত প্ৰচলন কৰা তেওঁৰ মুদ্ৰা দেখিবলৈ পোৱা যায়। আহোম স্বৰ্গদেও কমলেশ্বৰ সিংহৰ (খৃঃ ১৭৯৫-১৮১০) আমোলত ভৰত সিংহ সম্পূৰ্ণভাৱে পৰাভূত হয় আৰু তেওঁৰ মৃত্যুৰ লগে লগে মোৱামৰীয়া বিদ্ৰোহ শেষ হৈ আহিল বুলি কব পাৰি।

উক্ত মুদ্ৰাটো যোৱা বছৰ পুৰণি নথি পত্ৰৰ ভূলওঁতে মায়ামৰা সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীজীৱানন্দ চন্দ্ৰ গোস্বামীদেৱৰ ঘৰত দেখা পাওঁ। আহোম ৰাজত্বৰ শেষ হোৱাত উক্ত সত্ৰই বিশেষ গুৰুত্বপূৰ্ণ ৰাজনৈতিক ভূমিকা লৈছিল। মুদ্ৰাটো আঠ-কোণীয়া, ওজন ১১ গ্ৰাম আৰু আকাৰত ২২ মিলিমিটাৰ। মুদ্ৰাটোৰ প্ৰথম পিঠিৰ পাঠ এনেকুৱা—

(১) "শ্ৰীভগদত্ত (২) কুলোদ্ভৱ শ্ৰীভ (৩) ৰথ সিংহ নৃপস্য (৪) শাকে ১৭১৮" আৰু আন পিঠিৰ এনেকুৱা—

(১) শ্ৰীশ্ৰীকৃষ্ণ (২) চৰণাৰ বিন্দ (৩) মকৰন্দ প্ৰমত্ত (৪) মধুকৰস্য।" আকাৰ আৰু আকৃতিত উক্ত মুদ্ৰাটো আহোম স্বৰ্গদেউসকলৰ মুদ্ৰাৰ লগত প্ৰায় একে। মুদ্ৰাটোত আহোম মুদ্ৰাৰ প্ৰভাৱ সুস্পষ্টভাৱে পৰিলক্ষিত হয়। মুদ্ৰাৰ পাঠখিনিও আহোম মুদ্ৰাৰ দৰে ভক্তিভাৱাত্মক। কিন্তু আহোম মুদ্ৰাৰ লগত এই মুদ্ৰাটোৰ এটা ডাঙৰ প্ৰভেদ আছে। প্ৰায় একে ওজনৰ আৰু আকৃতিৰ আহোম মুদ্ৰাবিলাকত পাখি থকা সৰীসৃপৰ (Dragon) ছবি দেখিবলৈ পোৱা যায়। এই ছবি কেতিয়াবা সোঁফালে কেতিয়াবা বাওঁফালে মুখকৈ আঁকা হয়। আমাৰ আলোচ্য মুদ্ৰাটোত এই পাখি থকা সাপজাতীয় জীৱটোৰ ছবি নাই। ভৰথ সিংহৰ এইবিধ সাপৰ ছবি থকা ৰূপৰ মুদ্ৰা নথকা নহয়৫। আহোম স্বৰ্গদেউসকলে নিজৰ মুদ্ৰাত নিজকে দেৱৰাজ ইন্দ্ৰৰ বংশোদ্ভৱ বুলি বৰ্ণাইছে—কিন্তু ভৰত সিংহই কোনো দেৱতাত নিজৰ বংশৰ গুৰি গছ আৰোপ নকৰি 'মহাভাৰতৰ এজন বীৰ ভগদত্তত আৰোপ কৰিছে।

মুদ্ৰাটোৰ বিশেষত্ব হ'ল এয়ে যে ইয়াৰ আগলৈকে ভৰত সিংহই তেওঁৰ অলপ দিনৰ ৰজাত্ব কালৰ ভিতৰতে সোণৰ মুদ্ৰা প্ৰচলন কৰিবলৈ সক্ষম হৈছিল—সেই কথাটোৰ কতো উল্লেখ পোৱা নাযায়। বুৰঞ্জীবিদ গেইট চাহাবে অকল ভৰত সিংহই মুদ্ৰা প্ৰচলন কৰিছিল বুলি উল্লেখ কৰিছে; কিন্তু কি ধাতুত মুদ্ৰা প্ৰচলন কৰিছিল সেই বিষয়ে তেওঁ নিমাত। আকৌ বথাম চাহাবে নিজৰ "অসম আৰু বঙ্গৰ মুদ্ৰাৰ তালিকা"ত (catalogue) ভৰত সিংহৰ মুদ্ৰা আহোম ৰজাসকলৰ মুদ্ৰাৰ তালিকাৰ লগত সাঙুৰি তেওঁক আহোম বুলি ধাৰণা কৰিবলৈ সুযোগ এটা দিছে। ইয়াত ভৱিষ্যৎ গৱেষণাৰ থল ৰৈ গৈছে—ভৰত সিংহ আহোম হবও পাৰে নহবও পাৰে। অকল অনা-আহোম মোৱামৰীয়া

(৬৫ পিঠিত চাওঁক)

৫। কেটাল'গ অৱ প্ৰভিন্সিয়েল কইন কেবিনেট, আসাম, ২য় সম্পাদনা, এলাহাবাদ, ১৯৩০।

ড° ধৰ্মেশ্বৰ চুতীয়া

# কালিকা পুৰাণৰ ৰচনাকাল ঃ

কালিকাপুৰাণ এখন প্ৰসিদ্ধ শাক্ত গ্ৰন্থ। সংস্কৃত ভাষাত ৰচিত এই গ্ৰন্থত মুঠ ৯৩ টা অধ্যায়(১) আৰু প্ৰায় ৯৫০০ শ্লোক আছে। কিন্তু আকাৰত ডাঙৰ হলেও বাস্তৱতে কালিকা-পুৰাণ এখন উপ-পুৰাণহে। পৌৰাণিক পৰম্পৰামতে এই গ্ৰন্থ অষ্টাদশ প্ৰধান উপ-পুৰাণৰ অন্যতম। ইফালে আকৌ বিষয় বস্তুৰ ভৌগোলিক তথা ঐতিহাসিক পটভূমি বিচাৰ কৰিলে এই গ্ৰন্থত 'স্থল-পুৰাণ' বা 'স্থল-মাহাত্ম্য'ৰ সকলো লক্ষণকেই দেখা পোৱা যাব। সেয়েহে প্ৰাচ্যতত্ত্ববিদ পণ্ডিত ড° বাসুদেৱ শৰণ আগ্ৰৱালে কালিকাপুৰাণক এই শ্ৰেণীৰ পুৰাণ সাহিত্যৰ উৎকৃষ্ট নিদৰ্শন বুলি মত প্ৰকাশ কৰিছে। (২)

যথাৰ্থতে কালিকাপুৰাণ অসমৰ থলুৱা পুৰাণ (৩)। নীলাচল পীঠৰ অধিষ্ঠাত্ৰী মহামায়া কামাখ্যা (কালিকা) দেৱীৰ কীৰ্তি-কলাপ আৰু এওঁৰ পূজা-সেৱা এই গ্ৰন্থৰ প্ৰধান বৰ্ণনীয় বিষয়। এই দিশৰ পৰা আৰু বিশেষকৈ শক্তি-পূজাৰ আধাৰত ৰচিত এখন গ্ৰন্থ হিচাপে পুৰাণ সাহিত্যৰ ভিতৰত এই গ্ৰন্থৰ স্থান অতি বিশিষ্ট।

(১) ভাৰতবৰ্ষৰ ভিতৰে বাহিৰে বিভিন্ন ঠাইত এতিয়ালৈকে উদ্ধাৰ হোৱা কালিকাপুৰাণৰ হস্তলিখিত প্ৰতিলিপি বিলাকত অধ্যায়ৰ সংখ্যা একে নহয়। হস্তলেখ ভেদে অধ্যায়ৰ সংখ্যা ৮১ৰ পৰা ৯৬ৰ ভিতৰত। ছপাপুথিৰ ভিতৰত (১) বোম্বেৰ বেঙ্কটেশ্বৰ সংস্কৰণ (খৃঃ ১৮৯১ আৰু ১৯০৭)ত ৯৩, (২) কলিকতাৰ বঙ্গবাসী সংস্কৰণ (খৃঃ ১৯০৯)ত ৯০ [৩] হ্ৰষিকেশ শাস্ত্ৰীৰ কলিকতা সংস্কৰণ (খৃঃ ১৯১০)ত ৯১ আৰু [৪] শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী সম্পাদিত বাৰাণসীৰ চৌখম্বা সংস্কৰণ (খৃঃ ১৯৭২) ত ৯০। ইয়াত উল্লেখিত (১) নং সংস্কৰণ অনুসৰণ কৰা হৈছে। অধ্যায়ৰ সংখ্যাৰ এই তাৰতম্য সত্ত্বেও মূল পাঠ থূলমূলভাৱে একেই।

(২) Agrawal, V S., Presidential Address, 22, All India Oriental Conference, Gauhati, 1965, p.2.

তুঃ Raghavan, V, The Kalika (Upa)Purana, Journal of Oriental Research, (J.O.R) Madras Vol.XI, 1938, pp.331 360.

(৩) পুৰাণ সাহিত্যৰ গৱেষকসকলে এতিয়ালৈকে কালিকাপুৰাণৰ কম পক্ষেও তিনিটা ভিন্ন পাঠৰ সম্ভেদ উলিয়াইছে। এইকেইটাৰ ভিতৰত কেৱল আলোচ্য কালিকাপুৰাণহে এতিয়ালৈকে চাৰিটা সংস্কৰণ ছপা হৈ ওলাইছে। ১নং পাদটীকা দ্ৰষ্টব্য।

তদুপৰি এখন প্ৰামাণ্য ধৰ্মশাস্ত্ৰ হিচাবেও কালিকাপুৰাণৰ গুৰুত্ব প্ৰাচীন ভাৰতৰ স্মৃতি-নিবন্ধকাৰসকলে একমুখে স্বীকাৰ কৰিছে। এই নিবন্ধকাৰসকলে তেওঁলোকৰ নিজ নিজ মতৰ সমৰ্থনত কালিকাপুৰাণৰ বচন উদ্ধৃত কৰিছে। সেইবুলি কালিকাপুৰাণৰ ঐতিহাসিক প্ৰমূল্যও কোনো গুণে কম নহয়। প্ৰাচীন অসম তথা গোটেই উত্তৰ-পূৱ ভাৰতৰে প্ৰত্নতাত্ত্বিক গৱেষণাৰ ক্ষেত্ৰত কালিকাপুৰাণৰ অৱদান অতি তাৎপৰ্য্যপূৰ্ণ।

কালিকাপুৰাণৰ ৰচনাকাল সম্পৰ্কে পণ্ডিতসকলে নানা মত পোষণ কৰি আহিছে। ইয়াৰ মূল কাৰণ এয়ে যে ৰচনাকাল সম্পৰ্কে এই গ্ৰন্থত পুৰাণকাৰে কোনো স্পষ্ট ইঙ্গিত দিয়া নাই। তদুপৰি এই গ্ৰন্থত পুৰণি অসম তথা ভাৰত ইতিহাসৰ এনে কেনো ঘটনাৰ উল্লেখ নাই যাৰ কাল সঠিক ভাবে ঠাৱৰ কৰিব পৰা হৈছে। আনহাতে এতিয়ালৈকে আৱিস্কৃত হোৱা কালিকাপুৰাণৰ হস্তলেখবিলাকৰ ভিতৰত ১০৮২ খৃষ্টাব্দৰ পূৰ্ব্বৱৰ্ত্তীকালৰ কোনো পুথি উদ্ধাৰ হোৱা নাই।(৪) চতুৰ্থতে নানাদেৱ (খৃঃ ১০৯৭-১১৩৩), লক্ষ্মীধৰ (খৃঃ ১২শ শতিকা), অপৰাৰ্ক (খৃঃ ১১শ-১২শ শতিকা), বল্লালসেন (খৃঃ ১২শ শতিকা), চণ্ডেশ্বৰ (খৃঃ ১৩শ-১৪শ শতিকা), হিমাদ্ৰী (খৃঃ ১৩শ শতিকা), নৰসিংহ বাজপায় (খৃঃ ১৪শ-১৫শ শতিকা) আদি তুলনামূলকভাৱে আগৰ কালৰ নিবন্ধকাৰসকলে কালিকাপুৰাণৰ বুলি উল্লেখ কৰা বিষয়সমূহ আৰু উদ্ধৃত কৰা শ্লোকসমূহ আলোচ্য কালিকাপুৰাণত পাবলৈ নাই। কিন্তু ইয়াৰ বিপৰীতে জীমূতবাহন, শূলপাণি (খৃঃ ১৪শ-১৫শ শতিকা), বিদ্যাপতি (খৃঃ ১৫শ শতিকা), বাচস্পতি মিশ্ৰ, (খৃঃ ১৫শ-১৬শ শতিকা) আৰু ৰঘুনন্দন ভট্টাচাৰ্য্য (খৃঃ ১৫শ-১৬শ শতিকা) আদি তুলনামূলকভাৱে পৰৱৰ্ত্তী কালৰ বঙ্গ আৰু মিথিলাৰ নিবন্ধকাৰসকলে নিজ নিজ গ্ৰন্থত উদ্ধৃত কৰা কালিকাপুৰাণৰ শ্লোকসমূহহে আলোচ্য কালিকাপুৰাণত পোৱা যায়। ইয়াৰ পৰাই প্ৰতীত হয় যে আলোচ্য কালিকাপুৰাণৰ উপৰিও একে নামৰে আন এখন গ্ৰন্থ ভাৰতৰ বিভিন্ন ঠাইত প্ৰচলিত আছিল। গতিকে পুৰাণ সাহিত্যৰ আধুনিক গৱেষকসকলে বিশ্বাস কৰিবলৈ লৈছে যে পূৰ্ব্বৱৰ্ত্তী নিবন্ধকাৰসকলে উল্লেখ কৰা কালিকাপুৰাণ আলোচ্য গ্ৰন্থতকৈ বেলেগ আৰু তুলনামূলকভাৱে প্ৰাচীন—সম্ভৱ খৃঃ ৭ম শতিকাত ৰচিত, আৰু এইখন কালিকাপুৰাণেই পৰম্পৰাগত অষ্টাদশ প্ৰধান উপপুৰাণৰ অন্যতম; গতিকে আলোচ্য কালিকাপুৰাণ তুলনামূলক ভাৱে অৰ্বাচীন।

প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে পূৰ্ব্বৱৰ্ত্তী নিবন্ধকাৰসকলে উল্লেখ কৰা কালিকাপুৰাণৰ কোনো প্ৰতিলিপি এতিয়াও উদ্ধাৰ হোৱা নাই—বোধহয় এই গ্ৰন্থ একেবাৰে লুপ্ত হৈছে।(৫) পণ্ডিতসকলৰ কোনো কোনোৱে ধাৰণা কৰে যে আলোচ্য কালিকাপুৰাণ সম্ভলুপ্ত কালিকাপুৰাণৰে পৰিৱৰ্ত্তিত ৰূপ, অথবা তাৰে অংশ বিশেষ। কিন্তু এই ধাৰণাও অমূলক যেন লাগে। কাৰণ আলোচ্য কালিকাপুৰাণ প্ৰথম অৱস্থাত কামৰূপ, বঙ্গ আৰু মিথিলাৰ নিবন্ধকাৰসকলৰ মাজতহে প্ৰখ্যাত আছিল, কিন্তু আনহাতে পূৰ্ব্বৱৰ্ত্তী কালিকাপুৰাণ প্ৰধানকৈ মধ্য আৰু দক্ষিণ ভাৰতৰ নিবন্ধকাৰসকলৰ মাজত প্ৰখ্যাত হৈ পৰিছিল।

এই অনিশ্চয়তা হেতুকেই কালিকাপুৰাণৰ ৰচনাকাল বিভিন্ন পণ্ডিতে বিভিন্নভাৱে ঠাৱৰ কৰিবলৈ চেষ্টা কৰি আহিছে। অৱশ্যে এই অভিমতবোৰৰ বহুতেই সূক্ষ্ম বিচাৰত টিকিব পৰা নাই, আৰু সেয়ে অভ্ৰান্তৰ বুলি বিবেচিত হৈছে। জে. এন ফাৰ্কুহাৰ (৬) আৰু ই পেইন(৭) চাহাবে কালিকাপুৰাণ ১৪শ শতিকাৰ ৰচনা বুলি ক'ব খোজে। কিন্তু ১০৮২ খৃষ্টাব্দৰ তাৰিখযুক্ত আলোচ্য কালিকাপুৰাণৰ এটা নেৱাৰী প্ৰতিলিপি উদ্ধাৰ হোৱাৰ পিছত এই পণ্ডিত দুজনাৰ মত নৰজিল।

আকৌ পি. কে. গোড়েই মত প্ৰকাশ কৰে যে কালিকাপুৰাণৰ ৰচনাকাল কোনোমতেই ১০০০ খৃষ্টাব্দৰ পিছলৈ আহিব নোৱাৰে।(৮)

৪। কলিকতা সংস্কৃত কলেজ পাঠাগাৰৰ পুৰণি হস্তলিখিত পুথিৰ মাজত কালিকাপুৰাণৰ এটা নেৱাৰী প্ৰতিলিপি সংৰক্ষিত হৈছে। পুষ্পিকাত উল্লেখ কৰা মতে কালিকাপুৰাণৰ এই প্ৰতিলিপি সম্পূৰ্ণ হৈছিল ২০৪ নেপালাব্দ, অৰ্থাৎ ১০৮২ খৃষ্টাব্দত। তু. "নেপালাব্দগণং বৈ যুগ-খ-স্বনয়ন" ইত্যাদি। দ্ৰষ্টব্য:
Shastri & Gui, ed., A Descriptive Catelogue of Sanskrit Manuscripts in the Library of the Calcutta Sanskrit College, Vol. IV, 1902. এই স্বনামধন্য পণ্ডিত দুজনাই ২০২ নেপালাব্দ (১০৮০ খৃঃ) বুলি উল্লেখ কৰিলেও উদ্ধৃত বাক্যখণ্ডৰ পৰা ২০৪ নেপালাব্দ বুলি বুজা যায়।

৫। ৰঘুনন্দন ভট্টাচাৰ্য্যই স্বৰচিত 'দুৰ্গা পূজাতত্ত্ব'ত আলোচ্য কালিকাপুৰাণৰ অন্যান্য শ্লোকৰ লগতে এখন 'দুষ্প্ৰাপ' কালিকাপুৰাণৰ (দুষ্প্ৰাপ কালিকাপুৰাণেঽপি) পৰাও দহোটা শ্লোক উদ্ধৃত কৰিছে। এই শ্লোক কেইটা আলোচ্য কালিকাপুৰাণত পাবলৈ নাই। এইখনেই সম্ভালুপ্ত কালিকাপুৰাণ হবও পাৰে। প্ৰসঙ্গতঃ উল্লেখনীয় যে শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী-সম্পাদিত 'কালিকাপুৰাণ'ৰ (১৯৭২) প্ৰস্তাৱনাত পণ্ডিত বলদেৱ উপাধ্যায়ে বাৰাণসেয় সংস্কৃত বিশ্ববিদ্যালয়ৰ পুস্তকালয়াধ্যক্ষ শ্ৰীবলৰাম শাস্ত্ৰী ভাৰদ্বাজৰ হাতত কালিকাপুৰাণৰ এটা প্ৰতিলিপি থকা বুলি উল্লেখ কৰিছে। পণ্ডিতজনাৰ মতে সেই প্ৰতিলিপিটো আলোচ্য কালিকাপুৰাণতকৈ বেলেগ। (তথা. পৃ. [২৩]) কিন্তু পূৰ্ব্বৱৰ্ত্তী নিবন্ধকাৰসকলে উল্লেখ কৰা বিষয় আৰু উদ্ধৃত কৰা শ্লোকসমূহ ইয়াত পোৱা যাবনে নাযায় সেই কথা এতিয়াই ক'ব নোৱাৰি।

৬। Farquhar, J. N., An Outline of the Religious Literature of India, 1920, p. 354. এই পণ্ডিতজনাৰ মতে বঙ্গত মুছলমান ৰাজত্বৰ প্ৰাদুৰ্ভাৱৰ (খৃঃ ১৩৫০-১৮০০) আগভাগতে কালিকাপুৰাণ ৰচিত হৈছিল।

৭। Paine, E. A., The Saktas, pp. 9,46,86.

৮। Gode, P. K. JOR, Madras, vol. X, 1936, pp. 29 of. এই প্ৰবন্ধটো পণ্ডিতজনাৰ নিজৰে Studies in Indian Literary History, (pp. 29 off) গ্ৰন্থত সংকলিত হৈছে।

পণ্ডিত জনাৰ এই ধাৰণাৰ ভিত্তি হ'ল মিথিলাৰ ৰজা নান্যদেৱে ( খৃ ১০৯৭-১১৩৩ ) স্বৰচিত 'ভৰত-ভাষ্য'ত কালিকাপুৰাণৰ বুলি উল্লেখ কৰা এটা গীত। (৯) কিন্তু উল্লেখিত গীতটো আলোচ্য কালিকাপুৰাণত পাবলৈ নাই। অৱশ্যে এই গীতটো সম্প্ৰতি লুপ্ত কালিকাপুৰাণৰ অন্তৰ্গত হ'বও পাৰে। গতিকে এই পণ্ডিতজনাৰ অভিমত আলোচ্য কালিকাপুৰাণৰ প্ৰসঙ্গত অবান্তৰ হৈ পৰিল।

কলিকতাৰ 'এচিয়াটিক ছোচাইটী অৱ বেঙ্গল'ৰ গ্ৰন্থাগাৰত সংৰক্ষিত কালিকাপুৰাণৰ এটা প্ৰতি-লিপিৰ পুষ্পিকাত উল্লেখ কৰা মতে আদিতে কালিকাপুৰাণ 'ৰুদ্ৰযামলতন্ত্ৰ'ৰ অন্তৰ্ভুক্ত আছিল। এই উক্তিৰ ভিত্তিতে ড০ দীনেশ চন্দ্ৰ সৰকাৰে ক'ব খোজে যে নান্যদেৱ, অপৰাৰ্ক, বল্লালসেন আদি পৰৱৰ্তী নিবন্ধকাৰসকলে উল্লেখ আৰু বচন উদ্ধৃত কৰা কালিকাপুৰাণখন আদিতে 'ৰুদ্ৰযামল-তন্ত্ৰ'ৰ অন্তৰ্গত আছিল আৰু বৰ্তমানৰ কালিকাপুৰাণ উক্ত ( সদ্যলুপ্ত ) কালিকাপুৰাণৰে একেই—ইয়াত হয়তো কেইটামান নতুন অধ্যায় যোগ কৰা হৈছে। যিহেতুকে অপেক্ষাকৃত পৰৱৰ্তী কালত ৰচিত 'ব্ৰহ্মযামল' তন্ত্ৰত ( খৃ: ১১শ শতিকাৰ প্ৰথমাৰ্দ্ধ বা তাৰো আগৰ ) (১) এই 'ৰুদ্ৰযামল'ৰ উল্লেখ পোৱা গৈছে, গতিকে ড০ সৰকাৰে ভাবে যে 'ৰুদ্ৰযামল'-গ্ৰন্থ নিশ্চয় ব্ৰহ্মযামলতকৈ ভালেদিন আগতে ৰচিত হ'ব লাগিব। এই সিদ্ধান্তৰ ওপৰত ভিত্তি কৰিয়ে পি. কে. গোড়েৰ লগত সুৰ মিলাই ড০ সৰকাৰে ভাৱে যে কালিকাপুৰাণ ১০০০ খৃষ্টাব্দৰ পূৰ্বেই ৰচিত হৈছিল। (১১)

কিন্তু ড০ ৰাজেন্দ্ৰ চন্দ্ৰ হাজৰাই বিশদ আলোচনাৰ মাজেৰে ড০সৰকাৰৰ এই মত প্ৰণিধান-যোগ্য নহয় বুলি সিদ্ধান্ত কৰিছে। (১২) তদুপৰি ড০ সৰকাৰে আঙুলিওৱা প্ৰতিলিপিটোৰ বাহিৰে এতিয়ালৈকে আৱিষ্কৃত হোৱা কালিকাপুৰাণৰ আন কোনো প্ৰতিলিপিতেই এই গ্ৰন্থ 'ৰুদ্ৰযামল'-তন্ত্ৰৰ অন্তৰ্গত বুলি দাবী কৰা নাই। আনহাতে আলোচ্য কালিকাপুৰাণ একেনামৰে সদ্যলুপ্ত গ্ৰন্থৰ অংশবিশেষ অথবা ইয়াৰ পৰিৱৰ্তিত বা পৰিৱৰ্দ্ধিতৰূপ বুলি কবৰো কোনো থল নাই। আনকি এতিয়ালৈকে পোৱা তথ্যৰ ভিত্তিত আলোচ্য কালিকাপুৰাণত সদ্যলুপ্ত গ্ৰন্থৰ কোনো শ্লোক অথবা অধ্যায় সন্নিৱিষ্ট হৈছে বুলিও কোনেও বুকু ডাঠি ক'ব নোৱাৰে।

৯। সংশ্লিষ্ট প্ৰসঙ্গটো হ'ল : ইতি বোৰিন্দকং সমাপ্তম্ ॥ কালিকাপুৰাণে। যৎপুৰাণে পুৰুষোৰিতং বোৰিন্দকাভিধং গীতং নানামহীভূজা। ইতি বোৰিন্দকং প্ৰোক্তং সাদুত্তৰমতঃ পৰম্ ॥

১০। ব্ৰহ্মযামল'-তন্ত্ৰৰ ১০৫২ খৃ:ৰ তাৰিখযুক্ত এটা প্ৰতিলিপি উদ্ধাৰ হৈছে। ( ১১ নং পাদটীকা দ্ৰষ্টব্য। )

১১। Sircar, D. C., Journal of the Asiatic Society of Bengal, ( JASB ) Vol. XIV No. 1, 1948. তু. The Soktapithas, pp. 12, n. 5, 17, n. 4.

১২। Hazra, R. C., Studies in the Upapuranas, Vol. II, pp. 254 ff.



প্ৰত্নজ্ঞ কনকলাল বৰুৱাই থুলমূলভাৱে সিদ্ধান্ত কৰিছে যে কালিকাপুৰাণ খৃ:১১শ শতিকাত কামৰূপত ৰচিত—যি সময়ত এই ৰাজ্যত নৰক-বংশীয় ব্ৰহ্মপাল ফৈদৰ ৰজাসকলে ৰাজত্ব কৰিছিল, যি সময়ত এই ৰাজ্যৰ ৰাজধানী পুৰণি প্ৰাগ্-জ্যোতিষপুৰ নগৰ আৰু কামাখ্যা পীঠৰ সমীপ-ৱৰ্তী আছিল, আৰু যিসময়ত কামৰূপ ৰাজ্যত তন্ত্ৰবাদে প্ৰাধান্য লাভ কৰিছিল। ইয়াৰ উপৰিও নৰবলিৰ বেলিকা খড়গ মন্ত্ৰপূত কৰা 'অসিৰিশসনঃ খড়গ' ইত্যাদি মন্ত্ৰৰ(১৩)ধৰ্মপাল শব্দই উক্ত ফৈদৰে ৰজা ধৰ্মপাল ( খৃ: ১০৯৭ ১১২০ )ক ইঙ্গিত কৰা বুলিও এই পণ্ডিতজনাই ভাৱে। ইয়াৰ ভিত্তিতে পণ্ডিতজনাই ক'ব খোজে যে সম্ভৱ এই ধৰ্মপাল ৰজাৰ পৃষ্ঠপোষকতাতে এই পুথি ৰচনা কৰা হৈছিল। (১৪)

কিন্তু প্ৰত্নজ্ঞ বৰুৱাৰ এই সিদ্ধান্ত নিৰ্বিবাদে গ্ৰহণ কৰিব নোৱাৰি। যদিও এই গ্ৰন্থৰ উৎপত্তি স্থান সম্পৰ্কে বৰুৱাৰ অভিমত সঠিক বুলি ক'ব পাৰি, এই গ্ৰন্থৰ ৰচনাকাল সম্পৰ্কে বৰুৱাৰ সিদ্ধান্ত তথ্য সম্মত নহয়। ড০ হাজৰাই (১৫) বিস্তৃত আলোচনাৰ মাজেৰে দেখুৱাইছে যে উক্ত 'অসিৰিশসনঃ খড়গ' মন্ত্ৰটোৰ মূল উৎস মহাভাৰত ( শান্তিপৰ্ব, ১২১।২০-২২ )। (১৫ক) কালক্ৰমত সামান্য পৰিৱৰ্তনৰ মাজেৰে এই মন্ত্ৰ বিষ্ণুধৰ্মোত্তৰ পুৰাণে গ্ৰহণ কৰিছে। ইয়াত 'ধৰ্মপাল' পদ খড়গৰ আঠোটা নামৰ অন্যতম। এই বিষ্ণু-ধৰ্মোত্তৰপুৰাণৰ ( খৃ: ৪০০-৫০০ ) (১৬) পৰাই পৰৱৰ্তীকালত ভৱিষ্যোত্তৰপুৰাণ, অগ্নিপুৰাণ আৰু কালিকাপুৰাণে এই মন্ত্ৰ গ্ৰহণ কৰিছে। এতেকে উক্ত মন্ত্ৰৰ 'ধৰ্মপাল'শব্দই পৰোক্ষভাৱে ব্ৰহ্মপাল বংশৰ ৰজা ধৰ্মপালক ইঙ্গিত কৰা বুলি ক'ব নোৱাৰি। দ্বিতীয়তে এই গ্ৰন্থ ৰচনাৰ সময়ত পুৰণি প্ৰাগ্‌জ্যোতিষপুৰ নগৰেই সেইকালৰ কামৰূপ ৰাজ্যৰ ৰাজধানী আছিল, আৰু ইয়াৰ পৰা আন ঠাইলৈ ৰাজধানী স্থানান্তৰ কৰাৰ কোনো ইঙ্গিত এই গ্ৰন্থত পাবলৈ নাই। তৃতীয়তে দেৱীপুৰাণৰ ( খৃ: ৬ষ্ঠ শতিকা ) উক্তিমতে নীলাচলত কামাখ্যাদেৱীৰ পূজা কালিকাপুৰাণ ৰচনাৰ বহু আগৰে পৰাই চলিছিল (১৭)।

১৩। তু : অসিৰ্ৰিশসনঃ খড়গস্তীক্ষ্ণধাৰো দুৰাসদঃ।
শ্ৰীগৰ্বো(?শ্ৰীগৰ্ভো) বিজয়শ্চৈৱ ধৰ্মপাল নমোঽস্তুতে ॥ কা. পু. ৫৭/১৭

১৪। Barua, K. L., Early History of Kamarupa, ( EHK ) ( 1966 ) P. 105.

১৫। দ্ৰষ্টব্য : হাজৰা, তথা।

১৫ক। মহাভাৰতৰ উক্ত শ্লোকত 'ধৰ্মপাল' 'দণ্ড'ৰ এটা নাম।

১৬। শ্ৰীতীৰ্থনাথ শৰ্মাই কনকলাল বৰুৱাৰ মত সমৰ্থন প্ৰসঙ্গত বিষ্ণু ধৰ্মোত্তৰপুৰাণ খৃ: ৯ম শতিকাৰ ৰচনা বুলি উল্লেখ কৰিছে। ( Indian Historical Quarterly (IHQ) Vol XXIII, p. 1947, pp. 322 ff ). কিন্তু ড০ হাজৰাই ( তথা ) বিষ্ণুধৰ্মোত্তৰপুৰাণ খৃ: ৪০০-৫০০ৰ ভিতৰত ৰচিত বুলি তথ্য সহকাৰে প্ৰমাণ কৰিছে। পণ্ডিত সমাজে ড০ হাজৰাৰ মতকে গ্ৰহণ কৰিছে

১৭। তু : 'যজেদ্ ভৌমাশ্বজো দেৱীং কামাখ্যা গিৰিকন্দৰে ॥ —দেৱীপুৰাণ, ৩৯।৬খ দ্ৰষ্টব্য, হাজৰা, তথা।

আনহাতে কামৰূপত তন্ত্ৰবাদে বৰুৱাৰ নিজৰ মতেই বহু আগৰে পৰাই প্ৰাধান্য লাভ কৰিছিল।(১৮) তদুপৰি কালিকাপুৰাণৰ ৮৪তম অধ্যায়ৰ এটি আখ্যানমতে এই দেশত ম্লেচ্ছাচাৰৰ উৎপত্তি আৰু ম্লেচ্ছ-শাসন প্ৰৱৰ্তন সম্পৰ্কে ইঙ্গিত পোৱা যায়। এই আখ্যানটো আপাততঃ 'ম্লেচ্ছাধিনাথ শালস্তম্ভৰ' প্ৰাগ্‌জ্যোতিষৰ সিংহাসন লাভ আৰু তেওঁৰ উত্তৰাধিকাৰীসকলৰ শাসনৰ ইঙ্গিতসূচক। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে আলোচ্য কালিকাপুৰাণৰ ৰচনা কাল সাধাৰণতে ভৱাতকৈ আপেক্ষিকভাৱে প্ৰাচীন।

শ্ৰীতীৰ্থনাথ শৰ্মাই (১৯) কালিকাপুৰাণৰে ভালেকেইটা আভ্যন্তৰীণ প্ৰমাণ দাঙি ধৰি উক্ত পুথি যে ৰজা ধৰ্মপালৰ কালতে (খৃঃ ১০৯৭-১১২০) আৰু সম্ভৱ তেওঁৰে পৃষ্ঠপোষকতাত ৰচিত হৈছিল— কনকলাল বৰুৱাৰ এই সিদ্ধান্ত গজ্‌গজীয়া কৰিবলৈ যত্ন কৰিছে। কিন্তু পণ্ডিতজনাই 'যথেষ্ট সবল' বুলি ভৱা উক্ত প্ৰমাণসমূহ ড০ হাজৰাই বিশদ আলোচনাৰ মাজেৰে খণ্ডন কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আৰু বিশেষকৈ ২০৪ নেপালব্দ (খৃঃ ১০৮২) তাৰিখযুক্ত এই পুথিৰ এটা প্ৰতিলিপি উদ্ধাৰ হোৱাত এই পণ্ডিত দুজনাৰ মত নৰজিল। বিশেষতঃ এই পুথিখন ৰচনাৰ পৰা ধৰ্মশাস্ত্ৰ হিচাবে প্ৰসিদ্ধি আৰু প্ৰতিষ্ঠা লাভ কৰালৈকে কমপক্ষেও এশ/ডেৰশ বছৰৰ প্ৰয়োজন হৈছিল বুলি সহজে অনুমান কৰিব পাৰি। সেয়ে হলে কালিকাপুৰাণৰ ৰচনাকাল দশম শতিকাৰ আৰম্ভণি অথবা তাৰো আগতে স্থাপন কৰিব লাগিব।

ইফালে ড০ ৰাঘৱণে (২০) দেখুৱাইছে যে কালিকাপুৰাণত কালিদাসৰ 'কুমাৰ সম্ভৱ' আৰু মাঘ কবিৰ 'শিশুপালবধ' কাব্যৰ ভাৱগত আনকি ভাষাগত প্ৰভাৱ অতি চকুতলগা। যিহেতুকে মাঘৰ আৱিৰ্ভাৱৰ সময় খৃষ্টীয় ৭ম শতিকাৰ শেষভাগ আৰু ৮ম শতিকাৰ আগভাগ বুলি ধৰা হয়, গতিকে সেই সময়কে আলোচ্য কালিকাপুৰাণৰ উৰ্দ্ধতন কাল বুলি ঠাৱৰ কৰিব লাগিব। ড০ ৰাঘৱণৰ আলোচনাৰ আধাৰতে ড০ হাজৰাই স্পষ্টভাৱে মত প্ৰকাশ কৰিছে যে কালিকাপুৰাণৰ ৰচনাকাল কোনোমতে ৭৫০ খৃষ্টাব্দৰ আগলৈ নিব নোৱাৰি। (২১)

সেয়ে যদি কালিকাপুৰাণৰ উৰ্দ্ধতন কাল হয়, তেনেহলে এই গ্ৰন্থৰ অধস্তন কাল ১১০০ খৃষ্টাব্দৰ পিছলৈ যাব নোৱাৰে বুলি ড০ হাজৰাই সিদ্ধান্ত কৰিছে। (২২) ড০ হাজৰাৰ এই সিদ্ধান্তৰ ভিত্তি

১৮। দ্ৰষ্টব্য : Journal of Assam Research Society, (JARS) Vol. No. 1, 1934 তথা Vol. III, No. 1, 1935. p.4 Studies in the Early History of Assam (SEHA) Published by Asam Sahitya Sabha, 1973. pp 33 f, p.80.

১৯। দ্ৰষ্টব্য : তীৰ্থনাথ শৰ্মা, তথা।

২০। দ্ৰষ্টব্য : Raghavan. V., 'The Kalikapurana, Kalidasa and Magha—in Woolner Commemoration Volume, pp. 191-95.

২১। দ্ৰষ্টব্য : হাজৰা, তথা।

২২। দ্ৰষ্টব্য : হাজৰা, তথা।



হ'ল : (১) বিদ্যাপতি আৰু শূলপাণি (খৃঃ ১৩শ-১৭শ শতিকা) আদি তুলনামূলকভাৱে পৰৱৰ্ত্তী কালৰ নিবন্ধকাৰসকলৰ লিখনিতহে আলোচ্য কালিকাপুৰাণৰ প্ৰথম উল্লেখ পোৱা গৈছে (২)। খৃঃ ১৩শ শতিকাত ৰচিত 'বৃহদ্ধৰ্মপুৰাণতো কালিকাপুৰাণৰ নামোল্লেখ পোৱা গৈছে। কিন্তু খৃঃ ১১শ-১২শ শতিকাৰ নিবন্ধকাৰ জীমূতবাহনে-(২৩) স্বৰচিত 'কালৱিৱেক' গ্ৰন্থত কোনো 'ভগৱতীপুৰাণ' নামৰ গ্ৰন্থৰ পৰা বচন উদ্ধৃত কৰিছে। 'তত্ৰ ভগৱতীপুৰাণে' বুলি উল্লেখ কৰা এই শ্লোক কেইটা আলোচ্য কালিকাপুৰাণত পোৱা গৈছে (২৪)। অৱশ্যে ড০ হাজৰাই আলোচ্য কালিকাপুৰাণ খৃঃ ১০ম শতিকা অথবা খৃঃ ১১শ শতিকাৰ প্ৰথমাৰ্দ্ধৰ ৰচনা বুলি শেষ সিদ্ধান্ত কৰিছে (২৫)।

ড০ হাজৰাৰ এই সিদ্ধান্ত আৰু অন্যান্য আলোচনাৰ পৰিপ্ৰেক্ষিতত নিম্নোক্ত তথ্যসমূহৰ বিচাৰ-বিশ্লেষণ কৰিলে এই গ্ৰন্থৰ ৰচনাকাল খৃঃ ১০ম শতিকাৰ আগলৈ যাব।

১। পুৰণি কামৰূপ ৰাজ্যত বামাচাৰ মাৰ্গৰ সূচনা সম্পৰ্কে আলোচ্য কালিকাপুৰাণত এটি আখ্যান আছে। এই আখ্যানটোৰ আধাৰ হ'ল বশিষ্ঠমুনিৰ অভিশাপ। আখ্যান অনুসৰি ৩ বাৰ শিৱৰ নিৰ্দেশ মতে উগ্ৰতাৰা অপৰাজিতা দেৱী আৰু শিৱৰ গণসকলে এই দেশত যিমান লোক আছিল সকলোকে আঁতৰাই খেদিবলৈ ধৰিলে। দ্বিজশ্ৰেষ্ঠ বশিষ্ঠমুণিও ইয়াৰ পৰা বাদ নপৰিল। মুনিয়ে তেতিয়া সন্ধ্যাচলত তপস্যা কৰি আছিল। উগ্ৰতাৰা দেৱীয়ে তেওঁকো আঁতৰাবলৈ নিৰ্দেশ দিয়াত মুনিয়ে শাপ দিলে : উগ্ৰতাৰা বামাচাৰ

২৩। নিবন্ধকাৰ জীমূতবাহনৰ সময় খৃঃ ১১শ-১২শ শতিকা বুলি মহামহোপাধ্যায় পি. ভি. কানেই ঠাৱৰ কৰিছে। ( History of Dharmasatra, Vol. 1. ) সেয়ে হলে জীমূতবাহনেই আলোচ্য কালিকাপুৰাণৰ পৰা বচন উদ্ধৃত কৰা প্ৰথম নিবন্ধকাৰ।

২৪। সংশ্লিষ্ট শ্লোক কেইটা—

(ক) কন্যায়াং কৃষ্ণপক্ষে তু পূজয়িত্বাৰ্দ্ৰভে দিবা।
নৱম্যাং বোধয়েদ্দেৱীং গীত-বাদিত্ৰ নিঃস্বনৈঃ।
শুক্লপক্ষে চতুৰ্থ্যান্তু দেৱীকেশ বিমোচনম্।
প্ৰাতৰেৱ তু পঞ্চম্যাং স্নাপয়েৎ সুশুভৈৰ্জলৈঃ॥
—দুৰ্গোৎসৱৱিৱেকৰ অন্তৰ্গত কালৱিৱেক, পৃ ৩০

(খ) ভগলিঙ্গাভিধানৈশ্চ ভগলিঙ্গ প্ৰগীতকৈঃ।
ভগলিঙ্গ ক্ৰিয়াভিশ্চ ক্ৰীড়য়েয়ুৰলং জনাঃ॥
পৰৈৰ্নাক্ষিপ্যতে যস্তু যঃ পৰান্ নাক্ষিপত্যাপি।
ক্ৰুদ্ধা ভগৱতী তস্য শাপং দদ্যাৎ সুদাৰুনম্॥
—তথা পৃঃ ৩৩।

এই শ্লোক কেইটা কালিকাপুৰাণৰ যথাক্ৰমে ৬২।১৮-১৯ আৰু ৬৩।২১-২২ৰে একে।

২৫। দ্ৰষ্টব্য: হাজৰা, তথা।

পদ্ধতিৰে পূজিত হ'ব ; গণসকল ম্লেচ্ছ হব ; শিৱই বিবেচনাশূন্য হৈ তেওঁৰ দৰে তপোধন মুনিক খেদাবলৈ নিৰ্দেশ দিয়া হেতুকে তেওঁ ম্লেচ্ছৰ পূজ্য হৈ অস্থি-ভস্ম ধাৰণ কৰিব; আৰু এই কামৰূপ দেশ ম্লেচ্ছসকলৰ দ্বাৰা গুপ্ত হ'ব। (২৬) ইয়াকে কৈ বশিষ্ঠ তাৰ পৰা ততালিকে আঁতৰিল।

বশিষ্ঠৰ এই অভিশাপ অচিৰেই ফলিল। উগ্ৰতাৰা বামা হ'ল ; শিৱও ম্লেচ্ছৰত হ'ল ; গণসকল ম্লেচ্ছত পৰিণত হ'ল। (২৭)

বশিষ্ঠমুনিৰ শাপৰ বৃত্তান্তৰ পৰা পৌৰাণিক আৰু অলৌকিক সাজটো বাদ দিলে আখ্যানটোত ঐতিহাসিক সম্ভাৱনা পৰিস্ফুট হৈ পৰে— যাৰ ইঙ্গিত পোৱা যায় প্ৰাচীন তাম্ৰশাসন আৰু আন আন বিৱৰণত। পুৰণি কামৰূপ ৰাজ্যত এসময়ত যে তথকথিত ম্লেচ্ছ বিভীষিকাৰ সূত্ৰপাত হৈছিল আৰু ই যে তথাকথিত ম্লেচ্ছসকলৰ দ্বাৰা শাসিত হৈছিল— এই কথাৰ সম্ভেদ পোৱা যায় পালবংশৰ ৰজা ৰত্নপালৰ তাম্ৰশাসনত। (২৮) এই শাসনৰ উক্তি মতে ভৌম-নৰক বংশৰ ৰজাসকলৰ শাসনৰ ওৰ পৰাত প্ৰাগ্‌জ্যোতিষৰ সিংহাসন দৈৱগতিৱশতঃ 'ম্লেচ্ছাধিনাথ' শালস্তম্ভই অধিকাৰ কৰে। পুৰণি অসম ইতিহাসত এই

( ৩৭ পিঠিত চাওক )

২৬। তু: যস্মাদহং ধৃতোৱামে ত্বয়োৎসাৰয়িতুং মুনিঃ।
তস্মাত্বং ৱাম্যভাৱেন পূজ্যাভৱ সমান্ত্ৰিকা ॥
ভ্ৰমন্তি ম্লেচ্ছৱৎ যস্মাৎ গণানাং মন্দবুদ্ধয়ঃ।
ভৱন্ত ম্লেচ্ছাস্তস্মাদ্বৈ ভৱন্তঃ কামৰূপকে ॥
মহাদেৱোহপি যস্মান্মাং নিঃসাৰয়িতুমুদ্যতঃ ;
তপোধনং মুনিং দান্তং ম্লেচ্ছাৱদ্বেদ পাৰগম্ ॥
তস্মাৎ ম্লেচ্ছ প্ৰিয়ো ভুয়াচ্ছঙ্কৰশ্চাস্থিভস্মধৃক্।
এতত্ত কামৰূপাখ্যং ম্লেচ্ছৈশ্চগুপ্তংমদত্তৱম্ ॥ কা. পু. ৮৪।২১-২৫

২৭। তু: তো গণাঃ ম্লেচ্ছতাং যাতাঃ কামৰূপে সুৰালয়ে ॥
ৱামাভুচ্চগ্ৰতাৰাপি শম্ভুৰ্ম্লেচ্ছতৰোভৱৎ। কা. পু. ৮৪।২৮-২৯

২৮। তু: এৱং ৱংশক্ৰমেন ক্ষিতিমথ নিখিলাং ভুঞ্জতাং নাৰকানাং
ৰাজ্ঞা(ং) ম্লেচ্ছাধিনাথো ৱিধিচলনাৱশাদেৱ জগ্ৰাহ ৰাজ্যম্।
শালস্তম্ভ(ঃ) ক্ৰমেস্যাপি হি নৰপতয়ো ৱিগ্ৰহস্তম্ভমুখ্যা
বিখ্যাত (ঃ) সমৃবভূবু দ্বিগুণিতদশতা সংখ্যায়া সংবিভিন্না ॥ ৯ ॥

শ্লোকৰ 'বিধিচলনৱশাদেৱ জগ্ৰাহ ৰাজ্যম্' বাক্য খণ্ডৰ পৰা অনুমান কৰিব পাৰি যে ভাস্কৰবৰ্মাৰ মৃত্যুৰ পিছত সিংহাসনৰ উত্তৰাধিকাৰীত লৈ কিছু অস্বাভাৱিক অৱস্থাৰ সৃষ্টি হৈছিল। শালস্তম্ভ সিংহাসনৰ প্ৰকৃত উত্তৰাধিকাৰী নহলেও দৈৱগতিৱশতঃ তেৱেঁই প্ৰাগ্‌জ্যোতিষৰ সিংহাসন দখল কৰে। কিন্তু শালস্তম্ভক 'ম্লেচ্ছাধিনাথ' বোলা হ'ল কিয়—এই বিষয়ে পণ্ডিতসকলে নানান ব্যাখ্যা দাঙি ধৰিছে। অৱশ্যে এই বংশৰে দ্বাদশ ৰজা হৰ্জ্জৰবৰ্মাৰ

শ্ৰীবাপচন্দ্ৰ মহন্ত

# অমৃতপ্ৰভা আৰু প্ৰাগ্‌জ্যোতিষ ৰজা

[ দ্বিতীয় প্ৰবন্ধ ]

মহাভাৰতৰ তিনিঠাইত প্ৰাগ্‌জ্যোতিষৰ কথা কৈছে যদিও সভাপৰ্বৰ পাণ্ডৱৰ দিগ্বিজয়ৰ প্ৰসংগতহে ভৌগোলিক স্থিতিৰ সামান্য পৰিচয় পোৱা যায়। এই প্ৰসংগত ( ২৬।২৭ অধ্যায়ত ) ইন্দ্ৰপ্ৰস্থৰ পৰা অৰ্জুনে গৈ জয় কৰা ৰাজ্যবোৰৰ নাম ক্ৰমে এইদৰে পোৱা যায় : কুলিন্দ ; কালকূট, আনৰ্ত, সুমণ্ডল, শাকলদ্বীপ (শিয়ালকোট ?) তথা অন্য সাতদ্বীপ, প্ৰাগ্‌জ্যোতিষপুৰ, অন্তৰ্গিৰি, বহিৰ্গিৰি, আৰু উপগিৰি, উলুক, পঞ্চগণ, পৌৰৱ ৰাজ্য, উৎসৱ-সংকেত (ডকাইত দলবিশেষ), কাশ্মীৰ, দশমণ্ডল সহিত লোহিত, ত্ৰিগৰ্ত (কাংগড়া), দাৰ্ব, কোকনদ, উৰগা, সিংহপুৰ, সুহ্ম, চোল, বাহ্লীক, কম্বোজ, দৰদ লোহ-কম্বোজ, ঋষিক, হিমৱান, ধৱলগিৰি, কিম্পুৰুষদেশ ( কিন্নৰদেশ), হাটক (গুহাক), মানস সৰোবৰ, হেমকূট-পৰ্বত হৰিবৰ্ষ, ইলাবৃত আদি।

মন কৰিবলগীয়া যে এই ঠাইবোৰৰ প্ৰায় ভাগেই কাশ্মীৰৰ আশে-পাশে থকা উত্তৰ-পশ্চিম ভাৰতৰ ভিতৰে-বাহিৰে আৰু দুই-চাৰিখন বৰ্তমান জম্মু কাশ্মীৰৰ ভিতৰত পৰে। উদাহৰণ স্বৰূপে বিপাশা, ইৰাৱতী আৰু চন্দ্ৰভাগা— এই তিনিখন নৈৰ তিনিটা পৰ্বতীয়া উপত্যকাৰ নাম ত্ৰিগৰ্ত। হিমালয়ৰ তিনিটা স্তবক (উপ-হিমালয়, লঘু হিমালয় আৰু মহা-হিমালয়ক) ক্ৰমে উপগিৰি, বহিৰ্গিৰি আৰু অন্তৰ্গিৰি বোলা হয়। ধৱলগিৰি পৰ্বত নেপালৰ ধৱলগিৰি নহবও পাৰে। কাংগড়াৰ লঘু হিমালয়কো ধৌলাধাৰ বোলা হয়। বাহ্লীক, কম্বোজ আৰু ঋষিক (যুচী) ৰাজ্য বৰ্তমান কাশ্মীৰ ৰাজ্যৰ উত্তৰ পশ্চিম, উত্তৰ আৰু উত্তৰ পূৱত আছিল। বৰ্তমান ৰাৱলপিণ্ডিৰ ওচৰত বিতস্তাৰ দাতিত সিংহপুৰ ৰাজ্য আছিল। বৰ্তমান কাশ্মীৰৰ উত্তৰ-পশ্চিম অংশত দৰদ ৰাজ্য আছিল। তেতিয়া কেৱল কাশ্মীৰ উপত্যকাকে কাশ্মীৰ বুলিছিল। পুৰুৰাজ্য বিতস্তাৰ নামনি অংশত থকা কথা ইতিহাস গ্ৰন্থত পোৱা যায়। এই দৰে আৰু অনেক সমাকালীন ৰাজ্যৰ স্থান

নির্ণয় কাশ্মীৰৰ আশে-পাশে কৰিব পাৰি; কিন্তু শাকল তথা অন্য সপ্তদ্বীপ আৰু প্ৰাগ্‌জ্যোতিষ-পুৰ সম্বন্ধে এই ক্ষেত্ৰত সন্দেহ উপস্থিত হয়।

শাকল বুলি শিয়ালকোটকে সাধাৰণতে ধৰা হয়। শিয়ালকোট চন্দ্ৰভাগাৰ পাৰত পঞ্জাৱৰ সমভূমিত। মহাভাৰতত শাকল আৰু সপ্তদ্বীপৰ কথা কোৱা হৈছে। শাকলক দ্বীপ বোলাৰ লগতে ওচৰত আৰু সাতোটা দ্বীপৰ কথাই ভৌগোলিক দৃষ্টিত এটা সমস্যাৰ সৃষ্টি কৰিলে। এইখিনিতে এটা কথা মন কৰিবলগীয়া যে সাগৰৰ মাজৰ ভূখণ্ডকেইহে দ্বীপ বোলা হৈছিল এনে ধাৰণা সদায় শুদ্ধ নহয়। আশ্ৰয় বা অৱলম্বন অৰ্থতো দ্বীপ শব্দৰ ব্যৱহাৰ হৈছিল। জম্বুদ্বীপ, শাকদ্বীপ আদি শব্দই দেশ অৰ্থতো দ্বীপ শব্দ প্ৰয়োগৰ ইংগিত দিয়ে। মধ্য এচিয়াৰ পৰা আহি আফগানিস্থানেদি ভাৰতত সোমোৱা শকবিলাক কোনো দ্বীপত নাছিল। তথাপি শক জাতিৰ বাসস্থানক শকদ্বীপ বোলা হৈছিল। গতিকে শিয়ালকোট আৰু তাৰ ওচৰত থকা আন সাতখন ঠাইকো শাকলদ্বীপ আৰু সপ্তদ্বীপ বুলিব পাৰে। দুখন নৈৰ মাজত থকা অঞ্চলকো (দোৱাব) দ্বীপ বোলা হৈছিল। সিন্ধু প্ৰদেশক সম্ভৱতঃ এনে অৰ্থতে শকদ্বীপ বুলিছিল।

প্ৰাগ্‌জ্যোতিষ সম্বন্ধে মহাভাৰতৰ এই প্ৰসংগত এনেদৰে কোৱা হৈছে— "প্ৰাগ্‌জ্যোতিষৰ ৰজা, কিৰাত, চীন আৰু সমুদ্ৰৰ দ্বীপত থকা (সাগৰানূপৱাসী) সৈনাসকলৰ দ্বাৰা পৰিৱেষ্টিত আছিল।" (২৬৷৯ সভাপৰ্ব) প্ৰাগ্‌জ্যোতিষৰ পাছতে পোৱা ৰাজ্যবোৰ মহাভাৰতত পৰ্বতীয় (উপগিৰি, বহিৰ্গিৰি আৰু অন্তৰ্গিৰি) ৰাজ্য বোলা হৈছে। গতিকে হিমালয়ৰ দক্ষিণ অংশত প্ৰাগ্‌জ্যোতিষ হব লাগে; কিন্তু হিমালয়ৰ দক্ষিণত ওচৰতে সাগৰ থকা ঠাই নাই। আনহাতে এইটোও মন কৰিবলগীয়া যে— প্ৰাগ্‌জ্যোতিষকে মহাভাৰতত সাগৰৰ মাজৰ দ্বীপ বোলা নাই। প্ৰাগ্‌জ্যোতিষৰ ৰজাৰ লগত আঁতৰৰ পৰা আহিও সমুদ্ৰতীৰস্থ ঠাইৰ সৈনাই যোগ দিবহি পাৰে। চীনা সৈনাৰ যোগদানো এই দৰেহে সম্ভৱ হব পাৰে। প্ৰকৃততে প্ৰাগ্‌জ্যোতিষৰ ৰজাৰ প্ৰতিষ্ঠা বুজাবৰ কাৰণেহে চীন আৰু সাগৰীয় দ্বীপৰ সৈনা থকা বুলি কোৱা হৈছে যেন ধাৰণা হয়।

কালিদাসে ৰঘুবংশৰ চতুৰ্থ সৰ্গত (৮১-৮৪ শ্লোকলৈ) ৰঘুৱে কামৰূপ জয় কৰাৰ কথা কৈছে; কিন্তু ৰঘুৰ দিগ্বিজয়ৰ ক্ৰমটোৱে শুদ্ধ ভৌগোলিক স্থিতি দেখুৱাব পৰা নাই। অযোধ্যাৰ ৰজা ৰঘুৱে দিগ্বিজয় কৰি পূব ফালে আহোঁতে প্ৰাগ্‌জ্যোতিষ বা কামৰূপ পোৱাৰ কথা তেওঁ কোৱা নাই। ৰঘুৱে পূব ফালে আহি সাগৰৰ তীৰত উপস্থিত হয় আৰু বংগৰ ৰজাসকলক পৰাস্ত কৰি কপিশা নদী পাৰ হৈ দক্ষিণ পশ্চিমত থকা কলিংগৰ দেশত প্ৰৱেশ কৰে। কলিংগৰ পিছত দক্ষিণ ভাৰতৰ ৰাজ্যবোৰ অধিকাৰ কৰে। উত্তৰ ফালে সিন্ধুনদীৰ তীৰস্থ দেশবোৰ জয় কৰাৰ পাছত হুন, কম্বোজ, কিৰাত আৰু লৌহিত্য পাৰ হৈ প্ৰাগজ্যোতিষ পোৱাৰ কথা এই প্ৰসংগত কোৱা হৈছে। মহাভাৰততো কাশ্মীৰৰ ওচৰত 'লোহিত'ৰ কথা আছে; কিন্তু




এই 'লোহিত'শব্দ নদী, স্থান আৰু ব্যক্তি বা ৰজা কোন অৰ্থত ব্যৱহাৰ কৰা হৈছে সেইটো স্পষ্ট নহয়। লোহিত শব্দই তেজ আৰু ৰঙা বৰণো বুজাব পাৰে। কালিদাসৰ উক্তিতো লোহিত শব্দ স্পষ্টভাৱে নদীসূচক নহয়। গতিকে লোহিতৰ লগত সম্বন্ধ থকা অৰ্থত লৌহিত্য শব্দ নদীবাচক নহবও পাৰে। মহাভাৰতত আছে— "ৰাজয়ল্লোহিতং চৈৱ মণ্ডূলৈদৰ্শভিঃ সহ।" (২৭৷১৭) ৰঘুবংশত আছে— "চকম্পে তীৰ্ণলৌহিত্যে তস্মিন্ প্ৰাগ্‌জ্যোতিষেশ্বৰঃ। তদ্‌গজালানতাং প্ৰাপ্তৈঃ সহ কালাগুৰু দ্ৰুমৈঃ ॥ ৮১ ॥ অৰ্থাৎ তেওঁ লৌহিত্য পাৰ হোৱাৰ পিছত হাতীবোৰ বান্ধিথোৱা ৰচীৰ আঁজোৰত কালাগুৰু (ক'লাবৰণৰ চন্দন) গছ কঁপিবলৈ ধৰাৰ দৰেই প্ৰাগ্‌জ্যোতিষৰ ৰজাও কঁপিবলৈ ধৰিলে।'

এইখিনিত এটা কথা মনলৈ আহে। প্ৰাগ্‌জ্যোতিষত বহু পৰিমাণে কালাগুৰু (এবিধ চন্দন গছ) গছ থকা বুলি কৈছে। হাতী ডাঙৰ গছতহে বন্ধা হয়। তালৈ চাই কালাগুৰু ডাঙৰ গছ হ'ব লাগিব; কিন্তু প্ৰাগজ্যোতিষ যদি গুৱাহাটীয়েই হয়, তেনেহলে, প্ৰাগ্‌জ্যোতিষত হাতী বান্ধিবৰ বাবে কালাগুৰুতকৈ শাল, বট, আঁহত প্ৰভৃতি অন্যান্য শ্ৰেণীৰ ডাঙৰ গছবহে নাম উল্লেখ কৰিব লাগিছিল। এই উক্তিত কালাগুৰুৰ প্ৰাচুৰ্য্য আৰু বট অশ্বত্থ আদিৰ অভাৱ ধ্বনিত হৈছে। এইটো কামৰূপৰ জলবায়ুৰ লগত খাপখোৱা যেন মনে নধৰে। এনেবোৰ কাৰণতো কালিদাসৰ প্ৰাগ্‌জ্যোতিষ ভৌগোলিক দৃষ্টিত অসম যেন ধাৰণা নহয়।

কামৰূপ শব্দও সদায় দেশবাচক নহ'ব পাৰে। কালিদাসৰ—"তমীশঃ কামৰূপাণামত্যাখণ্ডলবিক্ৰমম্।" (৮৩।) উক্তিত "কামৰূপাণাম্" ব্যক্তিবাচক হলেও অৰ্থৰ বিসংগতি নহয়। সেইদৰে "কামৰূপেশ্বৰস্তস্য" (৮৪) এই অংশতো 'কামৰূপ' শব্দ ব্যক্তিবাচক হ'ব পাৰে। কামনাৰ অনুৰূপ বা ইচ্ছানুযায়ী ৰূপধাৰণ কৰিব পৰা মায়াবী আৰু সুন্দৰ অৰ্থতো কামৰূপ শব্দৰ প্ৰয়োগ হয়। এনে প্ৰয়োগ ব্যক্তিবাচক হয়। গতিকে কাশ্মীৰৰ ওচৰে কাষৰে থকা কোনোবা পাৰ্বত্য অঞ্চলৰ সুন্দৰ চেহেৰা-পাতিৰ লোককো কামৰূপ বোলাটো অসম্ভৱ নহয়। তেজে গাল ফুটোঁ ফুটোঁ কৰা সুন্দৰ চেহেৰাৰ লোক বা তেনে লোকৰ দেশকো লোহিত বা লৌহিত্য বুলিব পাৰেনেকি বিচাৰ কৰি চাবলগীয়া।

প্ৰাগ্‌জ্যোতিষ পোৱাৰ আগতে ৰঘুবংশত হূণ কম্বোজ আৰু কিৰাতসকলৰ কথা কোৱা হৈছে। কিৰাত মংগোলগোষ্ঠীৰ যেই সেই জাতিকে ক'ব পাৰে। তিব্বত আৰু কাশ্মীৰত কিৰাত থকাটো স্বাভাৱিক। কম্বোজ পামীৰ অঞ্চলৰ একাংশৰ নাম। হূণ সম্বন্ধেও এই প্ৰসংগত কিছু বিচাৰ কৰা আৱশ্যক। খৃঃ পঞ্চম শতিকাৰ প্ৰথম ভাগতে ভাৰতৰ উত্তৰ পশ্চিম (পামীৰৰ পূব আৰু দক্ষিণ-পশ্চিম অঞ্চলত) দিশৰ দেশবোৰ হূণসকলৰ দ্বাৰা আক্ৰান্ত হৈছিল। এই শতিকাৰ মাজভাগতে আফগানিস্থানৰ ফালৰ পৰা আহি পঞ্জাৱ আৰু উত্তৰ ভাৰততো এদল হূণে উৎপাত লগাইছিলহি। স্কন্দগুপ্তই

(৪৫৫ – ৪৬৭ খৃঃ) হূণবোৰক পৰাস্ত কৰি আধা শতিকাৰ বাবে হূণবোৰৰ পৰা ভাৰতক ৰক্ষা কৰে। এনে স্থলত খৃষ্টীয় ৫ম শতিকাৰ আগভগতে আফগানিস্থানত থকা হূণবোৰৰ কথাকে ৰঘুবংশত কোৱা বুলি ভাবিব পাৰি। গতিকে হূণৰাজ্যৰ ওচৰত থকা কামৰূপ বা প্ৰাগ্‌জ্যোতিষ অসমৰ লগত খাপ নাখায়। এই প্ৰাগজ্যোতিষ কাশ্মীৰৰ ওচৰতহে হোৱা সম্ভৱ। (ঘ) ৰাজতৰংগিনীৰ প্ৰাগ্‌জ্যোতিষ ৰাজ্যও কাশ্মীৰৰ ওচৰতে হোৱাটোহে বেছি স্বাভাৱিক। ৰাজতৰংগিনীৰ অমৃতপ্ৰভা সম্বন্ধীয় ঘটনাৱলীয়েও এনে ধাৰণা মনলৈ আনে। ঘটনাটো ভূঞাদেৱে উদ্ধৃত কৰা মতেই দিয়া হৈছে। "যুধিষ্ঠিৰৰ পৰিনাতি গোপাদিত্য কোঁৱৰক গান্ধাৰৰ ৰজাই [বিতস্তাৰ পশ্চিম পাৰে থকা সিন্ধুনদৰ পূৱ-পশ্চিম দুয়োফালে থকা অঞ্চল] কাশ্মীৰ আক্ৰমণ কৰিবলৈ সুবিধা হব বুলি পোহপাল দি লগতে ৰাখিছিল। গান্ধাৰত শৰণাগত হৈ থাকোঁতে গোপাদিত্যৰ এটি কোঁৱৰ জন্ম হয়। তেওঁৰ নাম মেঘবাহন। কালক্ৰমে কোঁৱৰৰ বিয়াৰ যোগ্য বয়স হ'ল। এনে সময়ত প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ বিষ্ণুবংশীয় নৃপতিৰ কন্যা অমৃতপ্ৰভাৰ স্বয়ম্বৰ-সভাৰ আয়োজন চলিল। প্ৰাচীন ৰীতি অনুসৰি সেই স্বয়ম্বৰলৈ দেশ-বিদেশৰ ৰজা আৰু ৰাজপুত্ৰক নিমন্ত্ৰণ কৰা হ'ল। গোপাদিত্যই ভাবিলে, তেওঁৰ বিপন্ন অৱস্থাত পুতেক কামৰূপৰ ৰাজকন্যাৰ নিৰ্বাচিত স্বামী হব পাৰিলে বিক্ৰম, যশস্যা আৰু ঐশ্বৰ্য্য সকলো বিষয়তে তেওঁৰ প্ৰতিপত্তি বাঢ়িব সেই দেখি গোপাদিত্যই কৈ-মেলি পুতেক মেঘবাহন কোঁৱৰক গান্ধাৰৰ পৰা প্ৰাগজ্যোতিষপুৰলৈ অমৃতপ্ৰভাৰ স্বয়ম্বৰলৈ পঠিয়ালে।"

"অমৃতপ্ৰভাই মেঘবাহনক স্বামীৰূপে বৰণ কৰাৰ পাছত "কাশ্মীৰৰ প্ৰজাবৃন্দই পাত্ৰমন্ত্ৰী সহিতে গান্ধাৰলৈ গৈ মেঘবাহনক কাশ্মীৰৰ ৰাজসিংহাসন যাচিলে। ইতিপূৰ্বে মেঘবাহনৰ পূৰ্বপুৰুষ সকলে অৰ্থাৎ গোনন্দীয় বংশই ১৩২ বছৰ কাশ্মীৰৰ ৰাজপাট খাইছিল।"

গোপাদিত্যক যুধিষ্ঠিৰৰ পৰিনাতি বোলা হৈছে। মেঘবাহন গোপাদিত্যৰ পুত্ৰ যেতিয়া মেঘবাহনো যুধিষ্ঠিৰৰ পৰিনাতি বা একে বংশৰ হোৱাটো স্বতঃসিদ্ধ কথা। ইফালে আকৌ মেঘবাহনক গোনন্দীয় বংশৰ বুলিও কৈছে। গতিকে যুধিষ্ঠিৰৰ বংশ আৰু গোনন্দীয় বংশৰ মাজত পাৰ্থক্য নাই; কিন্তু গোনন্দ যুধিষ্ঠিৰৰ বংশৰ বোলা কথাটো মহাভাৰতৰ দ্বাৰা স্বীকৃত নহয়। পৰীক্ষিতৰ বাহিৰে পাণ্ডৱৰ বংশধৰ কোনো জীৱিত নাথাকিল। পৰীক্ষিত অৰ্জুনৰ নাতি। পৰীক্ষিতৰ পুত্ৰ জন্মেজয়। জন্মেজয়ৰ বংশৰ কোনোবাই কাশ্মীৰত ৰাজত্ব কৰিছিল যদিও সি পিছত যুগৰ ইতিহাসৰ বিষয়ৰ হ'ব পাৰে; কিন্তু জন্মেজয়ৰ বংশ প্ৰকৃততে অৰ্জুনৰহে। যুধিষ্ঠিৰৰ নহয়।

এতিয়া মন কৰিবলগীয়া যে মেঘবাহন সেই বংশৰে হওক লাগে, তাত বেছি গুৰুত্ব দিবলগীয়া কথা নাই; কিন্তু গান্ধাৰৰ ৰজাই কাশ্মীৰ আক্ৰমণ কৰিবলৈ মেঘবাহনৰ পিতাক গোপাদিত্যক নিজৰ হাতত ৰাখিছিল আৰু





গোপাদিত্য গান্ধাৰৰ শৰণাগত আছিল বুলি কোৱা হৈছে। এনেস্থলত গান্ধাৰৰ আশ্ৰিত গোপাদিত্যৰ পুত্ৰ মেঘবাহনক কাশ্মীৰৰ সিংহাসন যাচি দিয়া আৰু গান্ধাৰ এই ক্ষেত্ৰত নিষ্ক্ৰিয় হৈ থকাটো ৰাজনৈতিক দৃষ্টিত বিশ্বাসযোগ্য যেন ধাৰণা নহয়। যদি প্ৰাগ্‌জ্যোতিষৰ লগত মেঘবাহনৰ সম্পৰ্ক ঘটা বাবেই কাশ্মীৰ আৰু গান্ধাৰ দুয়োখন ৰাজ্যৰ ৰাজনৈতিক দৃষ্টি সলনি হ'ল, তেনেহলে এই ৰাজ্য দুখনৰ ওপৰত প্ৰাগ্‌জ্যোতিষৰ অখণ্ডপ্ৰভাৱ থকা বুলি বুজিব পাৰি; কিন্তু এই দুয়োখন ৰাজ্যৰ ওপৰত এনে প্ৰভাৱ বিস্তাৰ কৰিবলৈ হলে প্ৰাগ্‌জ্যোতিষ ৰাজ্যও কাশ্মীৰ আৰু গান্ধাৰৰ গাত-গা লাগি থকা দেশ হ'ব লাগিব। ভাৰতৰ পশ্চিমত থকা কাশ্মীৰ আৰু গান্ধাৰৰ ওপৰত ভাৰতৰ পূবে থকা প্ৰাগ্‌জ্যোতিষৰ এই প্ৰভাৱ হ'ব নোৱাৰে। মনত ৰাখিবলগীয়া যে কাশ্মীৰৰ দক্ষিণ পূবৰ হিমাচলৰ নামনি অঞ্চলত এখন প্ৰাগ্‌জ্যোতিষপুৰ আছে। মহাভাৰত, ৰঘুবংশ আৰু ৰাজতৰংগিণীৰ উল্লিখিত প্ৰাগ্‌জ্যোতিষপুৰ এইখনহে হোৱা সম্ভৱ। পিছৰ যুগত সেই প্ৰাগ্‌জ্যোতিষৰ ৰাজনৈতিক গুৰুত্ব কমি যোৱাত তাৰ প্ৰসিদ্ধিও কমি আহিল। আনহাতে স্থানীয় জন-জাতীয় শব্দ 'প্ৰাগাৰ-জুহ্‌তিয়'ৰ সংস্কৃতীয়া ৰূপ 'প্ৰাগ্‌জ্যোতিষ' নামে পৰিচিত হোৱা, গুৱাহাটীৰ ভৌগোলিক কাৰণত ৰাজনৈতিক আৰু আৰ্থিক দিশত গুৰুত্ব বাঢ়ি গ'ল। গতিকে সংস্কৃত সাহিত্যৰ প্ৰসিদ্ধ প্ৰাগ্‌জ্যোতিষ নামটো গুৱাহাটী আৰু কামৰূপৰ ক্ষেত্ৰত প্ৰয়োগ হ'বলৈ ধৰিলে যেন অনুমান কৰিব পাৰি *

(৩) মেঘ বাহনৰ ৰাজত্বকাল খৃঃ প্ৰথম শতিকাৰ কোন ভাগত পৰে, সেইটোও এটা বিচাৰ কৰিবলগীয়া কথা। খৃঃ ৭৮ চনৰ পৰা পিছৰ সময়ছোৱাত মধ্য এচিয়াৰ পশ্চিমভাগ, আফগানিস্থান আৰু ভাৰতৰ উত্তৰাংশ কনিষ্কৰ শাসনলৈ আহে। কাশ্মীৰো কনিষ্কৰ অধীনত পৰে। কনিষ্কৰ আগৰ স্থিতি সম্বন্ধে বিচাৰ কৰি চালেও দেখা যায় যে—খৃঃ পূঃ প্ৰথম শতিকাৰ শেহৰ ফালে কুষাণ কফসে আফগানিস্থান, উত্তৰ পশ্চিম সীমান্ত (পশ্চিমী গান্ধাৰ, তক্ষশিলা) পামীৰ (কম্বোজ) আৰু তাৰিম নদীৰ উপত্যকা দখল কৰি আছিল। এওঁৰ পশ্চিম সীমাই পাৰ্থৰ ৰাজ্য চুইছিল। খৃঃ ৪০ চন মানত তেওঁৰ মৃত্যু হয়। কুষাণ কফ্‌সৰ পাছত তেওঁৰ পুতেক বিমকফ্‌সে সম্পূৰ্ণ পঞ্জাব জয় কৰিলে আৰু দক্ষিণ-পূবলৈকো আগবাঢ়িবলৈ যত্ন কৰিলে। এওঁলোক দুয়োজনৰে ৰাজধানী হিন্দুকুশ পৰ্বতৰ উত্তৰে আছিল। তাৰ পৰাও বুজা যায় যে এওঁলোকৰ ৰাজ্য সৰু বিধৰ নাছিল। কুষাণ কফ্‌স বৌদ্ধ আৰু বিম্‌কফ্‌স শৈৱ আছিল।

বিমকফ্‌স দক্ষিণ-পূবলৈ আগবঢ়াৰ লগে লগে দক্ষিণৰ সাতৱাহন (অন্ধ্ৰ বা শালিবাহন) সকলৰ লগত সংঘৰ্ষ আৰম্ভ হ'ল। ঋষিক (য়ুচী)

---

* খৃঃ চতুৰ্থ শতিকাত সমুদ্ৰগুপ্তৰ কামৰূপ জয়ৰ পাছৰ পৰা কামৰূপৰ লগত উত্তৰ ভাৰতৰ সাংস্কৃতিক সম্বন্ধ ঘটিল আৰু সংস্কৃত সাহিত্যত গুৱাহাটীক প্ৰাগজ্যোতিষপুৰ বুলি পৰিচয় দিয়াৰ পৰম্পৰা চলিল। সেই বাবে হৰ্ষবৰ্দ্ধনৰ সময়তো প্ৰাগজ্যোতিষপুৰে গুৱাহাটীকে বুজাইছিল।

বংশৰ কুষাণ কফ্‌স-বিমকফ্‌সকো সাধাৰণতে শক বুলি কোৱা হৈছিল। ভাষা আৰু চেহেৰাপাতি একেধৰণৰ বাবেই শক আৰু ঋষিকক একে বুলি ধাৰণা হৈছিল। সেইবাবে বিমকফ্‌স আৰু সাতৱাহনৰ যুদ্ধকো শক-সাতৱাহনৰ যুদ্ধবুলি কোৱা হয়। এনে এখন শক-সাতৱাহন যুদ্ধত (শতদ্রু নদীৰ তীৰত থকা যৌধেয় গণৰাজ্যৰ ভূমিত কৰোড় নামে ঠাইত) বিমকফ্‌স পৰাস্ত হয়। দক্ষিণৰ সাতৱাহনসকলৰ ৰাজ্য দাক্ষিণাত্যপৰ্য্যন্ত বিস্তৃত আছিল। উত্তৰ-পশ্চিম ভাৰতৰ শক-ক্ষত্রপসকলৰ শাসিত অংশৰ বাহিৰে উত্তৰ আৰু দক্ষিণ ভাৰত অন্ধ্ৰ বা সাতবাহন সম্রাটৰ তলত আছিল।

কৰোড় যুদ্ধত জয়লাভ হলেও সাতৱাহন-সকলে পঞ্জাব নিজৰ ৰাজ্যত মিলাই লোৱা নাছিল। সেই বাবে যৌধেয় প্ৰভৃতি পঞ্জাবৰ গণৰাজ্যবোৰ স্বাধীন হৈ থাকিবলৈ সুযোগ পাইছিল; কিন্তু কনিষ্কই পঞ্জাবৰ সকলো গণৰাজ্য নিজ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰি পাটলিপুত্র পৰ্য্যন্ত নিজৰ সাম্রাজ্য আগ বঢ়ালে।

এই পৰ্য্যন্ত দেখা গ'ল যে— খৃঃ পূঃ প্ৰথম শতিকাৰ পৰা খৃঃ প্ৰথম আৰু দ্বিতীয় শতিকাৰ শেষ পৰ্য্যন্ত কাশ্মীৰৰ দক্ষিণ আৰু পশ্চিমৰ ৰাজ্যসমূহ অত্যন্ত পৰাক্রমী শক-ক্ষত্রপ সম্রাটৰ অধীনত আছিল। আনফালে উত্তৰ আৰু দক্ষিণ ভাৰত অন্ধ্ৰ বা সাতৱাহন সম্রাটৰ অধীনত আছিল। মাজে মাজে শক-ক্ষত্রপ আৰু সাতৱাহনসকলৰ মাজত সংঘৰ্ষ হৈছিল। ৺ভূঞাদেৱৰ প্ৰবন্ধত আছে— "তাৰ পাছত মেঘবাহন ৰজাই অহিংসধৰ্মৰ বিস্তাৰৰ বাবে কামৰূপৰ পৰা আন বৰুণছত্রলৈ দিগ্বিজয় যাত্ৰা কৰিলে, যাতে আন আন ৰজায়ো জীৱহত্যা-নিষেধাজ্ঞা মানি চলে। সৈন্য-সামন্ত সহিতে যাত্ৰা কৰি মেঘবাহনে লংকাদ্বীপ অধিকাৰ কৰিলেগৈ। লংকাপুৰীত অহিংসধৰ্ম প্ৰবৰ্তন কৰি মেঘবাহন ৰজা কাশ্মীৰলৈ উভতি আহিল।" এতিয়া ভাবি চাবলগীয়া যে— মেঘবাহনে খৃঃ প্ৰথম শতিকাত দিগ্বিজয় যাত্ৰা কৰি সিংহললৈ যাওঁতে বাটত পোৱা শক-ক্ষত্রপৰ ৰাজ্য আৰু সাতৱাহনৰ ৰাজ্যৰ মাজেদি কেনেদৰে গৈছিল? শক আৰু সাতবাহনসকলে তেওঁক বাট এৰি দিছিলনে? অথবা তেওঁলোকৰ লগত মেঘবাহনৰ যুদ্ধ হৈছিল? মেঘবাহন সম্বন্ধীয় এই কথাত ইতিহাসৰ তথ্য থকা যেন ধাৰণা নহয়।

'বৰুণছত্র'ৰ কথা পৌৰাণিক সাহিত্যত পোৱা হয়; কিন্তু পৌৰাণিক কথা মতেই সেই বৰুণছত্র নৰকাসুৰক শ্ৰীকৃষ্ণই বধকৰাৰ পিছত প্ৰাগ্‌জ্যোতিষপুৰৰ পৰা লৈ যোৱা হয়। (ভাগৱত ১০।৫৯।২৩ ; বিষ্ণুপুৰাণ ৫।২৯।৩৪ ইত্যাদি) গতিকে খৃঃ প্ৰথম শতিকাত প্ৰাগ্‌জ্যোতিষপুৰৰ কন্যা অমৃতপ্ৰভাৰ বিৱাহৰ প্ৰসংগত যি বৰুণছত্রৰ কথা কৈছে, সেই কথা কাব্যৰ কথাই হোৱা সম্ভৱ। বানভট্টৰ হৰ্ষচৰিতত পৰা 'আভোগ' নামৰ ছত্রও প্ৰাগ্‌জ্যোতিষপুৰৰ কাব্যিক পৰম্পৰাৰ লগত সম্পৰ্ক ৰাখি বৰুণছত্র বুলি ধৰি লোৱা হৈছে।

ভূঞা ডাঙৰীয়াৰ প্ৰবন্ধৰ আন এঠাইত





আছে – "কামৰূপৰ ৰাজসভাত স্তোন্‌পা নামে লোহ বা তিব্বত দেশীয় এজন পণ্ডিত আছিল; তেওঁ কামৰূপেশ্বৰৰ গুৰু আছিল। অমৃতপ্ৰভাই পিতৃৰাজ্যৰ পৰা স্তোন্‌পাক কাশ্মীৰলৈ লৈ যায়। এই স্তোন্‌পাই এটা বৌদ্ধস্তূপ নিৰ্মাণ কৰে, তাৰ নাম হ'ল "লো-স্তোনপা"।

খৃঃ প্ৰথম শতিকাত যদি অসমৰ সমভূমি-খণ্ডত বৌদ্ধধৰ্ম আছিল আৰু সি ৰাজধৰ্মৰূপে গ্ৰাহ্য আছিল, তেনেহলে তাত তিব্বতীয় গুৰুতকৈ বিহাৰৰ গুৰু থকাই সম্ভৱ আছিল। বিহাৰ বা মগধৰ পৰাহে তিব্বতলৈ বৌদ্ধধৰ্ম গৈছিল। বিহাৰৰ পৰা গৈ তিব্বতত বৌদ্ধ ধৰ্মপ্ৰচাৰ কৰাসকলে কামৰূপতো বৌদ্ধধৰ্ম প্ৰচাৰ কৰিব পাৰিলেহেঁতেন। পিছে হীনয়ান বৌদ্ধ সাহিত্যত কামৰূপৰ উল্লেখ নাই বুলি পণ্ডিতসকলে কৈছে। অশোকৰ সময়তো কোনো শিলালেখ কামৰূপত লিখা নাছিল। গতিকে খৃঃ পূঃ প্ৰথম শতিকাৰ অসমত বৌদ্ধধৰ্ম আছিলনে নাছিল তাত সন্দেহ আছে। লগতে খৃঃ প্ৰথম শতিকাত স্তোন্‌পা নামৰ বৌদ্ধগুৰু ৰাজগুৰু হৈ অসমত থকা কথাতো সন্দেহৰ ঠাই আছে। এনেস্থলত অমৃতপ্ৰভাই কামৰূপৰ পৰা নিয়া ধৰ্মগুৰু স্তোন্‌পা অৰ্থাৎ তিব্বতদেশীয় স্তোন্‌পা কাশ্মীৰৰ ওচৰ-চুবুৰীয়া কোনোবা ৰাজ্যৰহে হোৱা সম্ভৱ। এই প্ৰসংগত আৰু এটা কথা মন কৰিবলগীয়া যে তিব্বতক লোহদেশ বোলা হৈছে। গতিকে তিব্বতীয় লোক থকা কোনো ঠাই বা অঞ্চলৰ নামো লোহিত বা লৌহিত্য হ'ব পাৰে। ৰঘুবংশত এই লৌহিত্য পাৰ হৈ ৰঘুৱে প্ৰাগ্‌জ্যোতিষ ৰাজ্য পোৱা বোলা হৈছে।

৺ভূঞা ডাঙৰীয়াৰ প্ৰবন্ধত অমৃতপ্ৰভাক বহুত ঠাইতে অসম-জীয়ৰী বোলা হৈছে। প্ৰাগ্‌জ্যোতিষৰ আৰু বৰুণ-ছত্র এই দুটা শব্দই অমৃতপ্ৰভাক অসমৰ বুলি ভাবিবলৈ প্ৰেৰণ দিয়ে। এই সম্বন্ধে ৰাজতৰংগিণীত আছে—

স যুৱা পিতুৰাদেশাদ্বৈষ্ণৱান্বয়জন্মনঃ।
ৰাষ্ট্ৰং প্ৰাগ্‌জ্যোতিষেন্দ্ৰস্য যযৌ কন্যাস্বয়ংৱৰে ॥
তত্র তং বৰুণংছত্রংছায়য়া ৰাজসন্নিধৌ
ভেজে বৰস্ৰজা ৰাজকন্যকা চামৃতপ্ৰভা।

অৰ্থাৎ "সেই যুৱক [মেঘৱাহন] পিতাকৰ আদেশ মতে বৈষ্ণৱ বংশীয় প্ৰাগজ্যোতিষেশ্বৰৰ কন্যাৰ স্বয়ম্বৰলৈ গ'ল। তাত বৰুণছত্ৰই তেওঁৰ শিৰৰ ওপৰত ছায়া দিয়া বাবে উপস্থিত ৰজাসকলৰ মাজতে অমৃত প্ৰভাই তেওঁক বৰমালা দিলে।"

প্ৰাগ্‌জ্যোতিষৰ স্থিতি আৰু বৰুণছত্রৰ ইতিহাস সম্বন্ধে আলোচনা কৰা হৈছে; কিন্তু প্ৰাগজ্যোতিষৰ বৈষ্ণৱ ৰজা সম্বন্ধে এই প্ৰসংগত মন কৰিবলগীয়া আছে। বৈষ্ণৱ শব্দই বিষ্ণুৰ বংশ আৰু বৈষ্ণৱ মত দুয়োটাকে বুজাব পাৰে। প্ৰাগ্‌জ্যোতিষৰ নৰকাসুৰ বৰাহবিষ্ণুৰ সন্তান বুলি পৌৰাণিক খ্যাতি আছে। ঐতিহাসিক দৃষ্টিত এই সন্তান শব্দই শিষ্যত্ব গ্ৰহণ কৰা বৈষ্ণৱ মতাবাদীকহে বুজাইছে বুলি ধৰিব পাৰি; দেহজ সন্তান বুলি ধৰিব নোৱাৰি। তথাপি কাশ্মীৰৰ ওচৰত থকা প্ৰাগজ্যোতিষপুৰত ইন্দ্ৰপ্ৰস্থৰ পৰা যোৱা কোনোবা বৈষ্ণৱবংশীয় বা যাদৱবংশীয় লোকৰ তেজৰ সম্বন্ধ ঘটিব পাৰে। সেই সম্বন্ধে ঐতিহাসিক তথ্য পোৱাটো

কঠিন হলেও, মহাভাৰতৰ মহাপ্ৰাস্থনিক পৰ্বৰ আৰম্ভতে এইদৰে কোৱা আছে যে পাণ্ডৱসকলৰ উত্তৰাধিকাৰী পৰীক্ষিতক হস্তিনাপুৰৰ সিংহাসনত বহুৱালে আৰু ইন্দ্ৰপ্ৰস্থৰ সিংহাসন শ্ৰীকৃষ্ণৰ পৌত্ৰ (যদুবংশীয় বংশীয় বা বৈষ্ণৱ) 'বজ্ৰ'ক বহুৱালে।

যমুনাৰ পশ্চিমত থকা ৰাজ্য ইন্দ্ৰপ্ৰস্থ বৰ্তমান দিল্লী আৰু হাৰিয়ানা প্ৰদেশত হলে কাশ্মীৰৰ দক্ষিণৰ হিমাচল অঞ্চলত থকা প্ৰাগজ্যোতিষৰ ৰাজ্য কোনোবা সময়ত "বজ্ৰ'ৰ বংশধৰৰ হাতলৈ যোৱাটো অসম্ভৱ নহয়। কিন্তু পৌৰাণিক কথাৰ অনুকূলে ৰাজতৰংগিণীয়েও নৰকাসুৰক প্ৰাগ্-জ্যোতিষ ৰাজ্যৰ ৰাজবংশৰ মূলপুৰুষৰূপে মানি লৈছে। এনেস্থলত প্ৰাগ্‌জ্যোতিষৰ ৰাজবংশক বৈষ্ণৱ বোলা তথ্যয়ো অসমকে প্ৰাগজ্যোতিষ বোলাত বিশেষ কৰা যেন ধাৰণা নহয়। কিয়নো মহাভাৰত আৰু ভাগৱত আদি পুৰাণৰ প্ৰাগ্‌জ্যোতিষপুৰ গুৱাহাটী বুলি ধৰাৰ সবল যুক্তি নাই। সেইবাবে অমৃত প্ৰভাকো অসম-জীয়ৰী বুলি গৌৰৱ কৰাৰ বিশেষ একো কাৰণ দেখা নাযায়।

মহাভাৰত, ৰামায়ণ, পুৰাণ আৰু সংস্কৃত-প্ৰাকৃত মহাকাব্যসমূহ ভাৰতীয় ইতিহাসৰ সঁজুলি হ'লেও, সেইবোৰৰ ৰূপকাত্মক কাব্যিক অংশ আৰু অতিৰঞ্জনাখিনি বাদ দি প্ৰকৃত ইতিহাসৰ উপাদান বিচাৰি উলিয়াবলগীয়া হয়। এইদৰে ঐতিহাসিক তথ্য গ্ৰহণ কৰাটো তেনেই সহজ কথা নহয়। ধৰ্মীয় সাহিত্য আৰু মহাকাব্য প্ৰভৃতিত থকা ভৌগোলিক আধাৰলৈ আওকাণ কৰি, কেৱল কাহিনী অংশ লোক কথাৰ ভিত্তিত গঢ় লোৱা আৱেগিক দিশত গ্ৰহণ কৰিলে বহু সময়ত ঐতিহাসিক সত্যক অস্বীকাৰ কৰা হয়।

প্ৰাগ্‌জ্যোতিষপুৰ, শোণিতপুৰ, হিড়িম্বাপুৰ, মণিপুৰ আৰু বিদৰ্ভৰ প্ৰত্যেকৰে ভৌগোলিক অৱস্থান ভাৰতবৰ্ষৰ একাধিক অঞ্চলত পোৱা যায়। নানা সামাজিক আৰু ঐতিহাসিক কাৰণত এবাৰ গঢ় লোৱা লোক-বিশ্বাস সহজে সলনি নহয়। কিন্তু এই লোক-বিশ্বাসকে সকলো সময়ত ইতিহাসৰ একমাত্ৰ আহিলা বুলি ধৰি ল'ব নোৱাৰি। লোক-বিশ্বাসে একেটা কাহিনীৰে কেইবাখনো স্থান নিৰ্ণয় কৰে; কিন্তু প্ৰকৃততে একেটা কাহিনীৰ স্থান দুখন হ'ব নোৱাৰে। গতিকে স্থান নিৰ্ণয়ৰ কামটোও কিছু কঠিন। ঐতিহাসিক আধাৰ নথকা কেৱল ৰূপক বা প্ৰতীকাত্মক কাহিনীৰ ক্ষেত্ৰততো স্থান নিৰ্ণয় হ'বই নোৱাৰে। ঐতিহাসিক ব্যক্তিৰ নামত পিছৰ যুগত সৃষ্টি হোৱা কল্পিত কাহিনীৰো স্থান নিৰ্ণয় হ'ব নোৱাৰে। তথাপি এনে কাহিনীৰ ভিত্তিতে লোক বিশ্বাস আৰু আৱেগে কল্পিত ইতিহাসৰো সৃষ্টি কৰে।

নৰকাসুৰৰ কাহিনীয়েও এইদৰে কেইবাটাও স্তৰৰ কল্পিত ইতিহাস সৃষ্টি কৰিছে। মহাভাৰতৰ বনপৰ্ব নৰকাসুৰ সম্বন্ধে যি সামান্য উল্লেখ আছে, সি ৰামায়ণৰ লগত নিমিলে। বনপৰ্বৰ প্ৰসংগত ভগৱান বিষ্ণুৱে বদৰিকাশ্ৰমৰ ওচৰত নৰকাসুৰক বধ কৰা বোলা হৈছে পাণ্ডৱসকলে পৰ্ব-তাকাৰ হৈ থকা নৰকাসুৰৰ অস্থিৰ দ'ম তাত দেখা পাইছে। ভাগৱত, বিষ্ণুপুৰাণৰ নৰকাসুৰৰ কাহিনী মহাভাৰতত্তকৈ পৃথক। এই নৰকাসুৰৰ লগত বৰুণছত্ৰ, অদিতিৰ কুণ্ডল আৰু মণিপৰ্বতৰ প্ৰসংগ যোগ হ'ল। লগতে নৰকাসুৰ বসুমতী দেৱীৰ পুত্ৰ আৰু ভগদত্তৰ পিতা হ'ল। কালিকা পুৰাণ প্ৰভৃতি পিছৰ যুগৰ উপ-পুৰাণৰ নৰকাসুৰৰ লগত কামাখ্যা দেৱীৰ কথাও সংযোগ কৰা হ'ল। সপ্তম শতিকাৰ ভাস্কৰবৰ্মাৰ নিধনপুৰ তাম্ৰশাসনত ( ৪, ৫, ৬, ৭ শ্লোক দ্ৰঃ ) নৰকাসুৰক ৰবাহপুত্ৰ আৰু ভগদত্তক ক্ৰমে নৰকৰ পুত্ৰ আৰু নাতি বোলা হৈছে। এইদৰে নৰক বংশীয় ৰজাই তিনিহাজাৰ বছৰ ৰাজত্ব কৰাৰ পিছত ভাস্কৰবৰ্মাতকৈ ১১ পুৰুষ পূৰ্বৰ পুষ্যবৰ্মা ৰজা হয় বুলিছে। এতিয়া ভাস্কৰবৰ্মাৰ বংশক নৰকাসুৰৰ বংশ বোলাটো কিমান ঐতিহাসিক তথ্য মন কৰিবলগীয়া।

কেৱল বাস্তৱ ঘটনাৱলীক ভিত্তি কৰি ইতিহাস ৰচনাৰ প্ৰথা বোধ কৰো প্ৰাচীন ভাৰতীয় সাহিত্যত নাছিল। তথ্যৰ ক্ষেত্ৰত সামান্য ইফাল-সিফাল হ'লেও আহোম বুৰঞ্জীক মাত্ৰ এই শ্ৰেণীৰ ঐতিহাসিক গ্ৰন্থৰ শ্ৰেণীত ঠাই দিব পাৰি। বৰ্তমান প্ৰচলিত ইতিহাস ৰচনাৰ প্ৰথা আমি ইংৰাজসকলৰ পৰাহে শিকিছোঁ। নানা কাৰণত ইংৰাজসকলৰ ৰচিত ইতিহাস আৰু তেওঁলোকৰ ইতিহাসৰ ভিত্তিত ভাৰতীয় লোকে ৰচনা কৰা ইতিহাস গ্ৰন্থসমূহো একেবাৰে নিখুঁত হোৱা নাই। স্বাধীন ভাৰতত নতুন দৃষ্টিৰে নতুন ইতিহাস ৰচনা কৰিবলগীয়া দায়িত্ব আহি পৰিছে। এই দায়িত্ব পালনৰ কাৰণে সূক্ষ্ম আৰু নিৰপেক্ষ বিচাৰৰ প্ৰয়োজন। উঠি অহা ছাত্ৰসকলক এনেকুৱা সূক্ষ্ম নিৰীক্ষণ আৰু নিৰপেক্ষ উদাৰ দৃষ্টি ভংগীৰ শিক্ষা দিব লাগিব। আৱেগ আৰু অন্ধ বিশ্বাসতকৈ সত্যনিষ্ঠা আৰু সূক্ষ্ম বিশ্লেষণৰ ওপৰত বেছি গুৰুত্ব নিদিলে প্ৰকৃত ইতিহাস ৰচনা সম্ভৱ নহয়। কেৱল গৱেষক ইতিহাসবিদসকলৰ মাজতে এই দায়িত্ব সীমাবদ্ধ হৈ থাকিব নোৱাৰে। শিক্ষাবিদ আৰু শিক্ষক তথা সাহিত্যসেৱীসকলেও এই ক্ষেত্ৰত নিজ নিজ কৰ্তব্য পালন কৰিব লাগিব।

—

শ্ৰীসুশীলকুমাৰ ৰায়

# সংগীত আৰু কাব্য

নাদৰূপঃ স্মৃতো ব্ৰহ্মা নাদৰূপো জনাৰ্দনঃ।
নাদৰূপা পৰাশক্তিৰ্নাদৰূপো মহেশ্বৰঃ ॥

ভাৰতীয় পৰম্পৰাত নাদ-তত্বৰ যি অপাৰ মহিমা গোৱা হয়, সেই মহিমা সম্ভৱতঃ বিশ্বৰ অন্য কোনো বিচাৰ ধাৰাত নাই। আহত আৰু অনাহত এই দুই প্ৰকাৰ নাদৰ ভিতৰত আহত নাদৰ পৰা সঙ্গীত আৰু কাব্যৰ উৎপত্তি। পঞ্চ-মহাভূতৰ ভিতৰত প্ৰথম আৰু সকলোতকৈ সূক্ষ্ম আকাশৰ গুণ শব্দই বাক-তত্ব, আৰু এই বাক্ তত্বই সঙ্গীত আৰু কাব্যৰ আধাৰ। এই বাক্ তত্বৰ দুটি ৰূপ ভাৰতীয় বিচাৰ ধাৰাত গ্ৰহণ কৰা হৈছে—নাদাত্মিকা বাক্ আৰু বৰ্ণাত্মিকা বাক্। এই দুটিৰ পৰাই ক্ৰমশঃ সঙ্গীত আৰু কাব্যৰ সৃষ্টি। ভাৰতীয় বিচাৰ ধাৰাত কাব্যত কৱিতা, কাহিনী, নাটক, গদ্য-পদ্য আদি প্ৰায় সকলো প্ৰকাৰৰ ৰচনাই অন্তৰ্ভুক্ত। কিন্তু পাশ্চাত্য বিচাৰ ধাৰাত পোয়েট্ৰীক ( Poetry ) যাক বৰ্ত-মান ভ্ৰমৱশতঃ কাব্য আখ্যা দিয়া হয় সি কেৱল পদ্য ৰচনাৰেই অন্তৰ্ভুক্ত।

হৰ্ষ-ক্ৰোধ, প্ৰসন্নতা-বিষাদ, ভয় আৰু চিত্ত-বৃত্তিৰ অভিব্যক্তিৰ মাধ্যম নাদাত্মিকা বাক্— ৰি ঈশ্বৰ প্ৰদত্ত। মানুহৰ উপৰিও পশু-পক্ষী আদি সকলো চেতন প্ৰাণীয়েই কিবা নহয় কিবা ধ্বনি উৎপন্ন কৰি আপোন মনোবেগ নিশ্চিত-ৰূপে অভিব্যক্ত কৰে। কোনো পশুৰ ধ্বনি শুনি তাৰ হৰ্ষ বা বেদনাৰ স্থিতি অনুভৱ কৰা যায়। মানুহেও কোনো বিশিষ্ট প্ৰকাৰৰ আৱেগ ধ্বনি বিশেষৰ দ্বাৰা ব্যক্ত কৰে। হাঁহি, কন্দা অথবা ক্ৰোধ আদিৰ অভিব্যক্তি ভাষা ৰহিত ভাবে মাথোন ধ্বনিৰেই প্ৰকাশ পায়। আনকি অন্ধকাৰত যদি কেনোবা দুজনে যুঁজ-বাগৰো কৰে, সিও প্ৰকাশ পায় ধ্বনিৰেই। এই প্ৰকাৰৰ চিত্তবৃত্তি বোধৰ মূলতে নাদাত্মিকা বাক্। সঙ্গীতৰ মূলতে এই নাদাত্মিকা বাকেই। এইবাবেই সঙ্গীতক 'ভাবাভিব্যক্তিৰ ভাষা' কোৱা হয়।

বৰ্ণাত্মিকা বাকৰ দ্বাৰা নিশ্চিত ভাৱো অনুভৱ অভিব্যক্ত কৰা হয়। মানুহৰ এই প্ৰকাশসূচক বাণী ঈশ্বৰ প্ৰদত্ত। বৰ্ণাত্মিকা বাণীৰ এই বৰ্ণৰ পৰা পদ অৰ্থাৎ শব্দ আৰু শব্দৰ পৰাই ভাষাৰ উৎপত্তি। ভাষাই সকলো প্ৰকাৰৰ কাব্য অৰ্থাৎ





সাহিত্যৰ জননী। মূলতঃ কাব্যৰ আধাৰ পদ অৰ্থাৎ সাৰ্থক শব্দ।

যদিও সঙ্গীত আৰু কাব্য উভয়ৰে সুকীয়া ক্ষেত্ৰ আছে, সুকীয়া আধাৰ আছে, অভিব্যক্তিৰ মাধ্যম ভিন্ন আৰু উভয়ৰে প্ৰভাৱো সুকীয়া তথাপি উভয়ৰে সংযোগত সোণত সুৰগাৰ দৰে প্ৰভাৱ উৎপন্ন হয়। সেইবাবে ভাৰতীয় তত্বত পদক সঙ্গীত-বাহ্য-তত্ব ( Non musical element ) ৰূপে মানি লোৱা হয়। ভাৰতীয় সঙ্গীতত পদ ৰহিত সঙ্গীতক সঙ্গীত বুলি মানি লোৱা নহয়। পদৰহিত সঙ্গীতক নিৰ্গীত বা বহিৰ্গীত শ্ৰেণীত গণ্য কৰা হয়। ভাৰতীয় সঙ্গীতৰ প্ৰাচীনতম শাস্ত্ৰ-গ্ৰন্থ ভৰতমুনি কৃত 'নাট্য-শাস্ত্ৰ'। নাট্য-শাস্ত্ৰত সঙ্গীত শব্দৰ পৰিবৰ্তে 'গান্ধৰ্ব' শব্দৰ প্ৰয়োগ পোৱা যায় আৰু এই গান্ধৰ্ব হ'ল স্বৰ-তাল-পদাত্মক। পদ ইয়াৰ অনিবাৰ্য্য তত্ব। যদিও মৌলিক ৰূপত সঙ্গীত বা গান্ধৰ্বৰ স্বৰ আৰু লয় এই দুটিয়েই মাথোঁন উপকৰণ তথাপি পদযুক্ত হলেহে অভিব্যক্তি নিশ্চিত ৰূপত মূৰ্ত হৈ উঠে।

ভাৰতীয় সঙ্গীতত গায়ন আৰু বদন এই দুই প্ৰকাৰৰ সঙ্গীত প্ৰচলিত। ভাৰতীয় পৰম্পৰাত গায়ন সঙ্গীতক যিমান মহত্ব দিয়া হয়, বাদন সঙ্গীতক সিমান মহত্ব দিয়া নহয়। কাৰণ বাদন সঙ্গীতত স্বৰ-তাল-লয়ৰ শুদ্ধ আৰু সূক্ষ্মাতিসূক্ষ্ম অভিব্যঞ্জনা থাকিলেও পদ বা শব্দাৰ্থৰ নিশ্চিত অভিব্যক্তি পোৱা নাযায়। বাদন-সঙ্গীতে শ্ৰোতাক পূৰ্ণ ৰসাস্বাদৰ স্থালৈ উপনীত কৰাব নোৱাৰে বাবে ইয়াক 'শুষ্ক-বাদ্য' বোলা হয়। গায়ন সঙ্গীতে ( কণ্ঠ-সঙ্গীত ) স্বৰ-তাল-লয়ৰ সমন্বিতে অৰ্থযুক্ত পদ লালিত্যৰে নিশ্চিত ৰূপত শ্ৰোতাক ৰসাস্বাদ-স্থালৈ উপনীত কৰাব পাৰে বাবেই গায়ন সঙ্গীত-কেই ভাৰতীয় পৰম্পৰাত সৰ্বোপৰি মহত্ব দিয়া হয়। তদুপৰি শাৰ্ঙ্গদেৱৰ 'সঙ্গীত-ৰত্নাকৰ'ৰ মতে—

নৃত্যং বাদ্যানুগং প্ৰোক্তং বাদ্যং গীতানুবৰ্তি চ।
এতো গীতং প্ৰধানত্বাদত্ৰাদাববিধিয়তে ॥

অৰ্থাৎ—নৃত্য বাদ্যানুগামী আৰু বাদ্য গীতৰ অনুবৰ্তী। অতত্ৰব সৰ্বোপৰি গীত প্ৰধান। এই ক্ষেত্ৰত গীত বোলোতে কাব্যযুক্ত গানকেই কোৱা হৈছে। এই বিষয়ে শাৰ্ঙ্গদেৱৰ সঙ্গীত ৰত্নাকৰত পোৱা যায়—

বৰ্ণাদ্যলঙ্কৃতা গানক্ৰিয়া পদলয়ান্বিতা।
গীতিৰত্যাচাতে সা চ বুধৈৰ্কত্বা চতুৰ্বিধা ॥

এইসূত্ৰে বৰ্ণসমষ্টিৰে ( স্থায়ী, আৰোহী, অৱৰোহী, সঞ্চাৰী ) অলঙ্কৃত পদ তথা লয়যুক্ত গান ক্ৰিয়াক 'গীতি' কোৱা হয়। 'পদ' শব্দ কাব্যৰ দ্যোতক। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে গীত-বাদ্য নৃত্যত কাব্যৰ আৱশ্যকতা অপৰিহাৰ্য্য।

পাশ্চাত্য সঙ্গীতত কিন্তু পদক 'সঙ্গীত-বাহ্য-তত্ব' ( Non musical element ) বুলি মানি লোৱা হয়। সেই বাবে পাশ্চাত্য পৰম্পৰাত বাদন সঙ্গীতকেই আদৰ্শ-সঙ্গীত বুলি গণ্য কৰা হয়। তেওঁলোকৰ মতে পদযুক্ত সঙ্গীত অৰ্থাৎ কণ্ঠ-সঙ্গীত নিম্ন শ্ৰেণীৰ সঙ্গীত। এই বিচাৰ-ধাৰাই 'স্কুল অৱ অটোনোমী'ৰ ( School of Autonomy ) জন্ম দিয়ে আৰু সঙ্গীতৰ দ্বাৰা সঙ্গীতৰ উপৰিও অন্যান্য অভিব্যক্তি প্ৰকাশৰ প্ৰচেষ্টা চলায়।

বাস্তৱতে কাব্য আৰু সঙ্গীতৰ সীমাৰেখা অতি সূক্ষ্ম। কিঞ্চিৎমাত্ৰ হেৰফেৰতেই পৰস্পৰৰ যোগসূত্ৰত বাধা পৰাৰ আশঙ্কা। কাব্যৰ বিচাৰ-ধাৰাৰ প্ৰাধান্য আৰু সঙ্গীতত প্ৰাধান্য অভিব্যক্তিৰ। কাব্যৰ মাধ্যম আৰু অভিব্যঙ্গ (Form and Substance) ভিন্ন। কাব্য শব্দ আৰু শব্দাৰ্থ অথবা পদাৰ্থযুক্ত। সঙ্গীত স্বৰপ্ৰধান। স্বৰেই সঙ্গীতৰ মাধ্যম আৰু অভিব্যঙ্গ। সেইবাবেই সঙ্গীতৰ সাধ্য আৰু সাধনাৰ অন্তৰ নাথাকে। কাব্য গঠিত হয় শব্দাৰ্থ আৰু ৰসালঙ্কাৰেৰে আৰু সঙ্গীত গঠিত হয়—বৰ্ণাশ্ৰিত, শব্দাশ্ৰিত বা পদাশ্ৰিত স্বৰ-লয়ৰ সংযোগত শ্ৰুতি মাধুৰ্যোৰে। যদিও সঙ্গীততো শব্দ অৰ্থযুক্ত থাকে আৰু কাব্যতো স্বৰলয়যুক্ত থাকে তথাপি মুখ্যতা আৰু গৌণতাৰ আধাৰত উভয়ৰে ক্ষেত্ৰ নিৰ্দ্ধাৰণ কৰা হয়। যেনে কাব্য পাঠত স্বৰ লয়ৰ আৱশ্যক কিন্তু প্ৰাধান্য অলঙ্কাৰযুক্ত শব্দ আৰু অৰ্থৰ। ইয়াত যদিও স্বৰ-লয়ে প্ৰাধান্য লাভ কৰে তথাপি ই কাব্যই। বহু গায়কে গীতৰ মাজত দোহা, সাখী বা ৰুবাইয়া ব্যৱহাৰ কৰে। এই ক্ষেত্ৰত যদিও ই স্বৰ-লয়বদ্ধ গীতৰূপে প্ৰকাশ পায় তথাপি শ্ৰোতাই ইয়াৰ স্বৰ-লয় যোজনাৰ প্ৰতি মনোনিবেশ নকৰে। শ্ৰোতাই মাথোন ইয়াৰ শব্দ ৰচনা আৰু অৰ্থ গৌৰৱৰ প্ৰতিহে নিৱিষ্ট হৈ আনন্দ লাভ কৰে। সেইহেতুকে শব্দ প্ৰাচুৰ্য্য আৰু অৰ্থ সম্ভাৰেৰে ভাৰাক্ৰান্ত এনে গীতক সঙ্গীত নুবুলি কাব্য বোলা হয়। উদাহৰণ স্বৰূপে হিন্দী আৰু উৰ্দু কাব্য আজিও সুৰ-লয়েৰে গোৱাৰ প্ৰথা বিদ্যমান।

সঙ্গীত আৰু আৰু কাব্য উভয়েই শ্ৰোব্য। উভয়ৰে আধাৰ বাণী ও ধ্বনি। সেই হেতুকে কোনো নহয় কোনো ক্ষেত্ৰত উভয়ৰে সংযোগ অৱশ্যম্ভাৱী। এই দুটিৰ মিলন ক্ষেত্ৰ বৰ আলফুলীয়া উপলব্ধিমূলক। ই দুটিৰ মাজত পাৰস্পৰিক সূক্ষ্ম অন্তৰায় থাকিলেও ইটোৱে সিটোৰ লগত নিৰপেক্ষ হৈ থাকিব নোৱাৰে। কাব্য একেই ধ্বনি, একেই লয়ত পাঠ কৰিলে অথবা আবৃত্তি কৰিলে শ্ৰুতিমধুৰ বা ৰসোত্তীৰ্ণ হ'ব নোৱাৰে।

গদ্যৰে যি কোৱা হয় সি মাথোন অৰ্থবোধক। কিন্তু কাব্যৰে যি প্ৰকাশ কৰা হয় সি অৰ্থবোধক হোৱাৰ উপৰিও ভাৱত আনি দিয়ে এক নিবিড়তা। কিন্তু কথাৰ অৰ্থবোধতাৰ লগতে আৱেগিক উন্মেষণা জগাই তুলিবলৈ সমৰ্থ হয় একমাত্ৰ সঙ্গীতেহে। কাৰণ ভাৱ আৰু অৰ্থব্যঞ্জনাৰ আৱশ্যকীয় উপাদান স্বৰৰ বিভিন্ন গতি-লয় বিৰাম আদি তত্ত্ব সঙ্গীতৰ অঙ্গভূত। সেইবাবে ভাৰতীয় পৰম্পৰাত এইটো মানি লোৱা হয় যে, গুণগত আদৰ্শত কাব্য সঙ্গীতৰ পৰিপূৰক আৰু দিশ-নিৰ্দ্ধাৰক। সেইবাবেই পাশ্চাত্য সঙ্গীতৰ দৰে ভাৰতীয় সঙ্গীতত শব্দ-অৰ্থ আৰু স্বৰ-লয়ৰ মাজত কোনো বিৰোধ দেখা নাযায়।

চেতন জগতত মাথোন মানুহেই এনে এক শ্ৰেণীৰ প্ৰাণী যিয়ে অন্যান্য প্ৰাণীতকৈ ব্যক্তিগত অভিব্যক্তিৰ বাবে তিনিটা বিশেষ উপাদান লাভ কৰিছে বাক্-প্ৰাণ আৰু মন। বাক্ অৰ্থাৎ বাণীৰ মাজত নাদাত্মিকা আৰু বৰ্ণাত্মিকা এই





দুই প্ৰকাৰৰ বাণী সন্নিৱিষ্ট। পশু-পক্ষীবোৰে কেৱল নাদাত্মিকা বাণী লাভ কৰিছে; কিন্তু মানুহে নাদাত্মিকা আৰু বৰ্ণাত্মিকা আৰু দুই বাণীকেই লাভ কৰিছে। ইয়াৰ দ্বাৰা মানুহে কথাৰে, লিখনিৰে, হাঁহিৰে বিভিন্ন ভঙ্গীমাৰে মনোভাৱ প্ৰকট কৰিব পাৰে। সঙ্গীত আৰু কাব্য বাক্ বা বাণীৰেই দুটি ৰূপ। প্ৰাণ অৰ্থাৎ মানুহৰ ভিতৰৰ ক্ৰিয়া শক্তিয়েই সকলো প্ৰকাৰ প্ৰবৃত্তিৰ মূল। আঙ্গিক চেষ্টা ইয়াৰ স্ফুট ৰূপ। মন অন্তৰিন্দ্ৰিয়—যাৰ সংযোগ বিনে কোনো প্ৰকাৰৰ সংবেদনা বা অনুভূতি হব নোৱাৰে। কিন্তু কলাৰ মাধ্যমেৰে অভিব্যক্তিত কেৱল নিজৰ স্থিতিয়েই নহয় অধিকন্তু সেই স্থিতি কিদৰে অন্যক অনুভৱ কৰোৱা যায় সেইটোৱেই অধিক মহত্বপূৰ্ণ। কিছুমান এনে ক্ৰিয়া আছে যাৰ আঙ্গিক ক্ৰিয়াৰ পৰিৱৰ্তে মনৰ সৈতেহে পোনপটীয়া সম্বন্ধ জড়িত। তেনে ক্ৰিয়া পোনপটীয়াভাৱে মনৰ পৰা উৎপন্ন হয় আৰু মনকেইহে পোনতে প্ৰভাৱিত কৰে। অশ্ৰু, পুলক, কম্প, স্বেদ, মুখ-ৰাগ (বৈবৰ্ণ্য), স্তম্ভ, স্বৰভঙ্গ আৰু মূৰ্চ্ছা—এই আঠবিধ সাত্বিক ভাৱ মনৰ অভিব্যঞ্জক বিক্ৰিয়া।

সঙ্গীত আৰু কাব্য মুখ্যতঃ বাক্ অৰ্থাৎ বাণীৰে অভিব্যক্ত হয় যদিও প্ৰাণ আৰু মনৰ পৰা বিচ্ছিন্ন নহয়। প্ৰাণ অৰ্থাৎ শাৰীৰিক ক্ৰিয়া সঙ্গত আৰু কাব্য উৎপন্ন হয় সিমান গভীৰতাৰে শ্ৰোতা বা পাঠকৰ চিত্ত প্ৰভাৱিত কৰিবলৈ সক্ষম হয়।

ভাৰতীয় কলাৰ দৃষ্টিভঙ্গীত নাট্য-কলাক সৰ্ব-প্ৰমুখ স্থান দিয়া হয়। কাৰণ নাট্য-কলাত সৰ্বকলাই সমাৱিষ্ট। ভৰত কৃত নাট্যশাস্ত্ৰৰ আৰম্ভণীতে নাট্যসম্বন্ধীয়নিম্ন লিখিত শ্লোকটি প্ৰণিধান যোগ্য—

ন তৎজ্ঞানং ন তচ্ছিল্পং ন সা বিদ্যা ন সা কলা।
ন স যোগো ন তৎকৰ্ম নাট্যঽস্মিত যন্নদৃশ্যতে॥

নাট্যশাস্ত্ৰ অনুসৰি 'অৱস্থানুকৃতিৰ্ণাটাম্' অৰ্থাৎ জীৱনৰ বিভিন্ন অৱস্থা অথবা পৰিস্থিতিৰ কলাপূৰ্ণ অনুকৰণেই নাট্য। এই সন্দৰ্ভত সঙ্গীত চিত্ৰ, মূৰ্তি, বাস্তু ইত্যাদি সকলো উপযোগ হয় নাট্যত। নাট্য নিশ্চিতভাৱে কাব্যৰেই অন্তৰ্গত আৰু কাব্যৰ ভিতৰত ৰমনীয় নাটকেই 'কাৱ্যেষু ৰমনীয়া নাটাম্'। নাট্যত পৰিস্থিতি বা অৱস্থাৰ অনুকৃতি অভিব্যক্তিৰ বিভিন্ন মাধ্যম সন্নিৱিষ্ট থাকে আৰু সেই অৱস্থা বা পৰিস্থিতিক উৎকট বা প্ৰগাঢ় কৰাৰ দায়িত্ব থাকে সঙ্গীতৰ। পদ মাথোন সহায়ক। এই প্ৰকাৰ নাট্যৰ অঙ্গাঙ্গী কাব্য আৰু সঙ্গীতৰ পাৰস্পৰিক সম্পৰ্ক অনিবাৰ্য্য। এই সম্পৰ্কৰ মাজতো কিন্তু কাব্য আৰু সঙ্গীত উভয়ৰে মাজত পাৰ্থক্য আৰু স্বকীয়া অস্তিত্ব বিদ্যমান। যি নিশ্চিত অভিব্যক্তি কাব্যৰ দ্বাৰা সম্ভৱ, পদ-নিৰপেক্ষ সঙ্গীতৰ দ্বাৰা সি সম্ভৱ নহয়। কাব্যৰ পঠন পাঠনৰ দ্বাৰা যি ৰসানুভূতি উদ্ৰেক হয় সঙ্গীতৰ দ্বাৰা তদ্ৰূপ সম্ভৱ নহয়। কোনো ভাৱাৱস্থাৰ অনুভূতি অনুভৱ কৰণাৰ্থে পৰিস্থিতিৰ চিত্ৰন আৱশ্যক। সেই অৱস্থাসূচক শব্দ মাথোন প্ৰয়োগ কৰিলে সি পৰিস্ফুট হব নোৱাৰে। কোনো ব্যক্তিৰ ভয় বা ক্ৰোধ অভিব্যক্ত কৰাৰ লাগিলে—'সি বৰ ক্ৰোধিত হৈছে বা সি অত্যন্ত ভীত হৈছে' বুলি কলেই

অনুভূতি জাগৃত কৰোৱা নহব। পৰিস্থিতিৰ চিত্ৰণত লাগিব উচিত শব্দ, পদ, উপমা, অলঙ্কাৰ। এই সূত্ৰে কাব্যৰ দ্বাৰা বিভিন্ন ৰসৰ অৰ্থাৎ নিশ্চিত চিত্তবৃত্তিৰ অভিব্যক্তি আৰু অনুভূতি প্ৰকট কৰা যায়। কিন্তু সঙ্গীতৰ অভিব্যক্তিৰ মাধ্যম মুখ্যতঃ স্বৰ হেতুকে শব্দৰ দৰে কোনো অৰ্থ বা বিচাৰধাৰাক সঙ্গীতেৰে প্ৰকট কৰা নাযায়। সঙ্গীত ভাব-সামান্য বোধকাৰক। কিন্তু কাব্য বৰ্গীকৃত ভাৱৰ দ্যোতক। এনে ভাব-সামান্য বোধকাৰক বাবেই সঙ্গীত বিশ্বজনীন ( Universal language ) ভাষা। কাৰণ বিশুদ্ধ নাদাত্মক সঙ্গীতে হৰ্ষ, শোক, ক্ৰোধ, ভয়, ঘৃণা আদি ভাব-সামান্য অনায়াসে উপলব্ধি কৰায়।

ভাৰতীয় ৰসশাস্ত্ৰ কাব্যানুভূতিৰ বিশ্লেষণত সম্পূৰ্ণভাৱে প্ৰয়োজিত, কিন্তু 'বিশুদ্ধ' সঙ্গীতৰ দ্বাৰা উদ্ৰেক হোৱা অনুভূতিৰ বিশ্লেষণত অপ্ৰযোজিত। কাৰণ পদৰহিত সঙ্গীতৰ দ্বাৰা পৰিস্থিতিৰ চিত্ৰণ সম্ভৱ নহয়, আৰু পৰিস্থিতিৰ অভাৱত নিশ্চিত ৰসানুভূতিৰ উদ্ৰেক অসম্ভৱ। পদৰহিত সঙ্গীতত যদি চিত্তবৃত্তিৰ বোধ অনুভূত হয়, তেনেহলে সেই বোধ সাধাৰণী অথবা সামান্য।

ওপৰুক্ত বিচাৰ ধাৰাৰে কাব্য আৰু সঙ্গীতৰ মাজত এই স্পষ্ট ৰূপ পোৱা যায় যে, উভয়ৰে দ্বাৰা উদ্বুদ্ধ অভিব্যক্তি আৰু অনুভূতি ভিন্ন। সঙ্গীতৰ মাধ্যম বিশুদ্ধ নাদ আৰু কাব্যৰ মাধ্যম বৰ্গীকৃত নাদ। সঙ্গীতৰ উপকৰণ স্বৰ আৰু কাব্যৰ উপকৰণ সাৰ্থক শব্দ। কিন্তু উভয়ৰে মূল তত্ত্ব একেই নাদ অথবা আকাশৰ গুণ—'শব্দ'। মনন ক্ষেত্ৰত সঙ্গীত অনুভূতি প্ৰধান আৰু কাব্য বিচাৰ প্ৰধান। সঙ্গীতৰ অৱলম্বন স্বৰ-লয় আৰু কাব্যৰ অৱলম্বন শব্দ অৰ্থ। কিন্তু উভয়ে এনেভাৱে সন্নিৱিষ্ট যে এটিক আনটিৰ পৰা পৃথক কৰা সম্ভৱ নহয়। কাব্য আৰু সঙ্গীতৰ সীমাৰেখা এনে সূক্ষ্ম যে, ইটোৰ মাজত সিটোৱে অনায়াসে প্ৰৱেশ কৰা সম্ভৱ। কাব্য আৰু সঙ্গীত উভয়ৰে স্বতন্ত্ৰ স্বৰূপ থাকিলেও ইহঁতক এটি টকাৰে ইপিঠি আৰু সিপিঠি বুলি কব পৰা যায়।

কিৰণচন্দ্ৰ শৰ্মা—

# 'দি ৱেষ্ট লেণ্ড'ৰ পৰা 'সিঞ্জু কাঁইটৰ দেশলৈ'

( আগৰ সংখ্যাৰ পিছৰ পৰা )

এই পৰ্বটো য'ত আৰম্ভ হৈছে (April is the cruellest month, breeding....... ) তাৰো আগতে আৰু ৫৪ টা পংক্তি আছিল। এলিয়টে নিজে এই ৫৪ টা পংক্তি বাদ দি দিছে। এই অংশটো থকা হলেও পৰ্বটোৰ মূল বক্তব্যৰ একো ক্ষতি নহ'লহেঁতেন। এই অংশটোত নিশাৰ এটি অভিজ্ঞতাৰ বৰ্ণনা আছিল। কিন্তু এলিয়টে ভাবিলে হয়তো—এইকেইটা শাৰীয়ে পৰ্বটোৰ সৌন্দৰ্য্য নষ্ট কৰিব পাৰে ; গতিকে এই শাৰীকেইটা বাদ দিলে। অৱশ্যে আন কাৰণো থাকিব পাৰে। দেখা যায়, য'ত য'ত শব্দ বেছি হৈছে, বা প্ৰযুক্ত শব্দটো যথাৰ্থত পৰ্য্যাপ্ত হোৱা নাই সেই ঠাইত পাউণ্ডে নতুন শব্দ বহুৱাইছে, নতুবা উঠাই দিছে—এনেকৈ পংক্তিটোকে কৰি তুলিছে স্বৰ্ণোজ্জ্বল, অৰ্থ হৈছে সবল। উদাহৰণ স্বৰূপে এলিয়টে লিখিছিল—

1 ) I took in vain/For the Hanged man.

2 ) To where Saint Mary Woolnoth kept the time—পাউণ্ডে লিখিলে এইদৰে—

1) I do not find/The Hanged man

2) To where Saint Mary Woolnoth kept the hours.

পিছৰ পংক্তিটোত time শব্দৰ সলনি hours কৰাৰ কাৰণ দৰ্শাই পাউণ্ডে লিখি থলে —"too often used" ( অৰ্থাৎ time শব্দটো )। I see crowds of people, walking round in ring ৰ পিছত এলিয়টে লিখিছিল "I John saw these things and heard them আৰু unreal city ৰ পিছত লিখিছিল I have sometimes seen and see........।" পাউণ্ডে এই দুয়োটা পংক্তিকে বাতিল কৰি দিছে। এঠাইত পাউণ্ডে Tennyson ৰ Mariana নামৰ কৱিতাৰ চিত্ৰ-ছাঁ দেখিছে ( You gave me hyacinths first a year ago ). আকৌ আন এঠাইত জেমচ

জয়চৰ 'ইউলিছছ'ৰ সাদৃশ্য দেখিছে (sighs, short and infrequent, were exhaled)। উক্ত পংক্তিটো যদিও ইউলিছিছৰ পৰা লোৱা নহয়, পাউণ্ডে ক'ৰবাত কিবা সাদৃশ্য দেখিছে। এজ্ৰা পাউণ্ডৰ ইউলিছিছৰ প্ৰতি অলপ দুৰ্বলতা আছিল কিজানি, কাৰণ 'ডি ৱেষ্ট লেণ্ড'ৰ নিচিনাকৈ ইউলিছিছ মনো পাউণ্ডৰ চেষ্টাতে লিটল্ ৰিভিউ আলোচনীত খণ্ড-খণ্ডকৈ ধাৰাবাহিকভাবে প্ৰকাশ পাইছিল। আনহাতে বিভিন্ন দিশত 'ডি ৱেষ্ট লেণ্ড' আৰু 'ইউলিছিছ'ৰ সাদৃশ্য সমালোচকসকলে লক্ষ্য কৰিছে। (এই বিষয়ে ইয়াৰ পিছৰ আলোচনাত উল্লেখ কৰিবলৈ চেষ্টা কৰিম।) তেনেকৈ আন এটা পংক্তিত (Flowed up the hill and down king William Street) পাউণ্ডে ব্লেকৰ ভঙ্গী অনুভৱ কৰিছে। ৭৪ পংক্তিত এলিয়টে লিখোঁতে আছিল "........oh keep the dog far hence, that's foe to men." পাউণ্ডে foe শব্দটোৰ ঠাইত দিলে friend। কি সুন্দৰ! কুকুৰতো মানুহৰ বন্ধুৱেই। তথাপিও তাৰ প্ৰতি মানুহৰ ভয়; মানুহে বন্ধুকো শত্ৰু হিচাপে দেখে।

The Waste Land ৰ দ্বিতীয় পৰ্বৰ নাম A Game of Chess। পাণ্ডুলিপিত প্ৰথমতে আছিল—In a cage। মনঃপুত নোহোৱাত এলিয়টে নিজেই সলনি কৰি লিখিলে A Game of Chess। প্ৰথমতে সম্ভৱতঃ এলিয়টে মানুহৰ (নিজৰো ?) অৱস্থাৰ মাজত বন্দী দশাৰ দ্যোতনা হিচাপে In a cage নামকৰণ কৰিছিল। কিন্তু পিছত এলিয়টে হয়তো উপলব্ধি কৰিলে যে যিবোৰ অৱস্থাৰ মাজত মানুহ বন্দী সেই অৱস্থাবোৰ আচলতে মানুহৰ নিজৰেই সৃষ্টি। আৰু সকলো মানুহ শাৰীৰিকভাৱে বন্দী হোৱাৰ কথাই অৱান্তৰ। গতিকেই যেনেকৈ দাবা-খেলৰ ৰজা, মন্ত্ৰী, সৈন্যবোৰে একোটা প্ৰকোষ্ঠতে বন্দী, এটা নিৰ্দিষ্ট পথতহে বিচৰণ কৰিব পাৰে মানুহৰ বন্দীদশা তেনেকুৱাই। এনেকৈয়ে মানুহৰ জীৱনৰ দাবাখেল চলি আছে বিৰামহীন ভাবে। দাবাখেলৰ খেলুৱৈ দুজনো বন্দী হৈ পৰে, স্নায়ৱিক আৰু শীতল যুদ্ধ এখনত মত্ত হৈ পৰে।

And still she cried and still the
world pursues
'Jug' 'Jug' to dirty ears.

এই দুটা পংক্তিৰ মাৰ্জিনত ভিভিয়েনৰ মন্তব্য বা পৰামৰ্শ Don't see what you had in mind। dirty ears ৰ পিছত of death, lust আদি শব্দ আছিল, আতিশয্যৰ দোষত পাউণ্ডে সিহঁতক বহিষ্কাৰ কৰিছে। ইয়াৰ পিছৰ সাতোটা পংক্তিকেই পাউণ্ডে প্ৰায় নতুনকৈ লিখি দিছে।

My nerves are bad to-night. Yes, bad, stay with me.

Speak to me. Why do you never speak. Speak.

এইখিনিত পাউণ্ডে সন্তুষ্ট হৈ লিখিছে—Photography, photo. আৰু ভিভিয়েনে 'বিস্ময়কৰ' বুলি মন্তব্য কৰিছে।

মানসিক বিকাৰ সম্পৰ্কে খবৰ ৰখা লোক-



সকলে নিশ্চয় জানে যে স্নায়ৱিক ৰোগীসকলে কাণেৰে নানান শব্দ শুনিবলৈ পায়। ঘণ্টাধ্বনি, চাইৰেণৰ বিকট ধ্বনি, গুম্ গুমনি, বহু মানুহৰ কোলাহল ইত্যাদি স্নায়ৱিক ৰোগীসকলে কোনো কাৰণ নোহোৱাকৈয়ে শুনে (ringing and buzzing sounds – akoasmas : auditory hallucination)। এইখিনিতে কবি এলিয়টে কৰি প্ৰসিদ্ধিৰ পৰা আঁতৰি আহিছে। স্নায়ৱিক (Neurasthenic) ৰোগীসকলে অৰ্থাৎ আধুনিক জগতৰ মানুহে নাইটিঙ্গেলৰ মাতত স্বৰ্গীয় সুৰ-মাধুৰ্য্যৰ সন্ধান নাপায়, শুনে বিকৃত স্বৰ— 'Jug' 'Jug'। আৰু আতংকত কেতিয়াবা শিঁহৰি উঠি কয়—

'What is that noise ?'
The wind under the door,
'What is that noise now ?
What is the wind doing ?'
nothing again nothing

স্নায়ৱিক ৰোগীৰ আন এটা লক্ষণ—স্মৃতি বিলোপ (fugue)। মহিলাগৰাকীয়ে নিৰ্বাক নিস্পন্দ পুৰুষজনক খঙেৰে সুধিছে:

Are you alive, or not ? Is there nothing is your head ?' আৰু The Hollow men ত পোৱা যায়—

Head piece filled with straw, Alas!

তুলনা:—ভাৰ্জিনিয়া উল্ফ্ৰো এনেকুৱা স্নায়ৱিক বিকাৰ ঘটিছিল। ১৯৪১ চনৰ এপ্ৰিল মাহত তেওঁ আত্মহত্যা কৰে। গিৰিয়েকলৈ লিখি থৈ গৈছিল: "মোৰ ভয় হৈছে কিজানি মই পাগল হৈ যাম অদৃশ্য লোকৰ পৰা নানা কণ্ঠস্বৰ ভাঁহি আহি মোক অস্থিৰ কৰি তোলে, কোনোপধ্যেই মই কামত মনোনিবেশ কৰিব নোৱাৰোঁ। এই মানসিক বিভ্ৰান্তিৰ বিৰুদ্ধে বহুত যুদ্ধ কৰিছোঁ, কিন্তু আৰু নোৱাৰোঁ। ........পিছত মোৰ কাৰণেই তোমাৰ জীৱন সুখেৰে পূৰ্ণ হয় কিজানি, সেই কাৰণেই মই তোমাৰ পৰা বিদায় লৈছোঁ।"

'What shall I do now ?
What shall I do ?
'I shall rush out as I am,
and walk the street
'With my hair down so,
what shall we do to-morrow ?
'What shall we ever do ?"

এই চাৰিটা পংক্তিৰ মাৰ্জিনত ভিভিয়েনে আকৌ মন্তব্য কৰিছে—Wonderful। এই অশান্তিৰ অৱসানৰ একমাত্ৰ উপায়—

And we shall play a game of chess pressing lidless eyes and waiting for a knock upon the door.

এই দুটা পংক্তিৰ কাষতে ভিভিয়েনে সহাঁৰি সুৰৰ মন্তব্য কৰিছে—yes। তাৎপৰ্য্যপূৰ্ণ আৰু মৰ্মস্পৰ্শী। এই দুটা পংক্তিৰ মাজত আৰু এটা পংক্তি আছিল—The ivory men make company between us। এই পংক্তিটো এলিয়টে নিজেই বাদ দিছে। ১৫৩ পংক্তি (If you don't like it you can get on with it, I said.) আৰু ১৬৪ পংক্তি (What you get married for if you don't

want children ? ) ভিভিয়েনৰ নিজৰ সংযোজনা। পৰ্বটোৰ একেবাৰে শেহৰ পংক্তিকেইটা ( ১৭০, ১৭১, ১৭২ ) ভিভিয়েনৰ মতে—"Splendid last lines"।

তৃতীয় পৰ্ব The Fire Sermen ত ৮৫ পংক্তিৰ ( But at my back in a cold blast I hear ) আগতে আৰু সত্তৰটা পংক্তি আছিল। এইখিনিও আধা-বলিয়া মহিলা এগৰাকীৰ উল্লেখ আৰু ব্যঙ্গ আছিল। পোপৰ অনুকৰণত লিখা অথচ পোপৰ কৌশলতকৈ নিম্নমানৰ হোৱা হেতুকে পাউণ্ডে সেই সত্তৰটা পংক্তি কাটি দিলে। এলিয়টে সেই সত্তৰটা পংক্তিৰ অভাৱ পূৰালে নতুনকৈ বাৰটা পংক্তি লিখি। ২১২ পংক্তি ( Asked me in demotic French )ৰ demotic শব্দটো পাউণ্ডে সংযোজনা কৰিছে এলিয়টে লিখা abominable শব্দটোৰ পৰিৱৰ্তে। ২২১ পংক্তি ( The typist home at tea-time, clears her breakfast, lights ) পাউণ্ডৰ দ্বাৰা পৰিশোধিতহে ; আচলতে এলিয়টে লিখিছিল—

The typist home at tea-time,
who begins.
To clear away her broken breakfast, lights,

Tiresias য়ে অপেক্ষা কৰি থকা ( আচলতে প্ৰত্যাশা কৰিছে টাইপিষ্ট ছোৱালীজনীয়ে ) আলহী অভ্যাগত He, the young man carbuncular arrives ......। পাণ্ডুলিপিত এই অভ্যাগতৰ বিষয়ে বাৰটা পংক্তিৰ বাহুল্য বৰ্ণনা আছিল। পাউণ্ডৰ হাতত এঘাৰটা পংক্তি নিৰ্বাসিত হ'ল আৰু উল্লিখিত পংক্তিৰ শেহৰ দুটা শব্দ কাটি বহুৱালে -arrives. × × ×

পিছত এলিয়টে লিখিছে, প্ৰেমিক যুৱকে শেষবাৰৰ কাৰণে টাইপিষ্ট ছোৱালীজনীক চুমা এটা খাই অন্ধকাৰ চিৰিৰে খেপিয়াই খেপিয়াই নামি গ'লগৈ আৰু—

And at the corner where the stable is
Delays only to urinate and spit.

এই দুটা পংক্তিও পাউণ্ডে নিৰ্বাসন দি লিখিলে—সম্ভৱতঃ নিৰ্দিষ্ট সীমা অতিক্ৰম কৰিছে। ২৫১ পংক্তিত এলিয়টে প্ৰথমতে লিখিছিল—Across her brain one half-formed thought may pass. পাউণ্ডে সংশোধন কৰি দিলে এইদৰে—Her brain allows one half-formed thought to pass।

Death by water নামৰ পৰ্বতহে পাউণ্ডে আটাইতকৈ অধিক নিষ্ঠুৰতা প্ৰদৰ্শন কৰিলে—এলিয়টে লিখা সৰ্বমুঠ ৯২ টা পংক্তিৰ ৮২ টাকেই 'বেয়া হৈছে' বুলি মন্তব্য কৰিলে আৰু গোটেই কেইটাকে বাদ দি দিলে। এলিয়টৰ নিজৰো সম্ভৱতঃ ভাল লগা নাছিল, সেয়ে পাউণ্ডৰ পৰামৰ্শ বিচাৰিলে, বাকী দহটা পংক্তিও বাদ দিলে কেনে হয় ? পাউণ্ডে লিখি জনালে : I do advise keeping Phlebas. In fact I more'n advise. Phlebas is an integral part of the poem : the card pack introduces him, the drowned phoen sailor. And he is needed Absolutly



where he is. Must stay in. দেখা যায় পাউণ্ডে জোৰ বা গুৰুত্ব বুজাবলৈ শব্দত কেপিটেল হৰফ ব্যৱহাৰ কৰে। এলিয়টে নিজেও ভাল নোপোৱাৰ কাৰণ হ'ব পাৰে এই যে এই দহটা পংক্তি আচলতে এলিয়টে বহুদিন পূৰ্বে লিখা Dans le Restaurant নামৰ ফৰাচী কৱিতাৰ ইংৰাজী ৰূপান্তৰহে। ( অকল এই দহটা পংক্তিয়েই নহয় এলিয়টে আগতে লিখা প্ৰায়বোৰ কৱিতাৰেই বহু পংক্তিয়ে 'দি ৱেষ্ট লেণ্ড' কাব্যত কেতিয়াবা স্ব-ৰূপত, কেতিয়াবা ছদ্মবেশত অকণ অকণ ঠাই দখল কৰিছেহি। যেন ইহঁতে কবিৰ ওপৰত থকা অধিকাৰকণ ত্যাগ কৰিবলৈ অকণো সাজু নহয়। কাব্যখন প্ৰকাশ হোৱাৰ লগে লগে কবি কনৰাড আইকেনে কৈ উঠিছিল—'আৰে এইবোৰ দেখোন মই আগতে পঢ়িছোঁ।—এতিয়া সিহঁত যোজেইকৰ চিত্ৰৰ দৰে 'দি ৱেষ্ট লেণ্ড'ৰ অন্তৰ্ভুক্ত হৈছে মাথোঁ।" )

'হোৱাত দি থাণ্ডাৰ ছেইদ' নামৰ পৰ্বটো কাব্যখনৰ পঞ্চম, শেষ আৰু শ্ৰেষ্ঠতম পৰ্ব হিচাপে পৰিগণিত। এই পৰ্বতো পাউণ্ডে অতি সামান্য সালসলনি কৰিছে যদিও উল্লেখযোগ্য সংশোধন একো নাই বুলি ক'ব পাৰি। এলিয়টে চুইজাৰলেণ্ডত বিশ্ৰামৰ সময়ত এই পৰ্বটো লিখি শেষ কৰিছিল। এই পৰ্ব লিখি এলিয়টেতো আত্মতৃপ্তি লভিছিলেই, বাৰ্টাণ্ড ৰাছেল আৰু পাউণ্ডেও সৰ্বোৎকৃষ্ট পৰ্ব বুলি মন্তব্য কৰিছিল। এলিয়টৰ মতে এই শেহৰ পৰ্বটোতেই গোটেই কাব্যখনৰ বক্তব্য উপস্থাপিত হৈছে।

সি যি কি নহওক এনেকৈয়ে সম্পূৰ্ণ হ'ল 'দি ৱেষ্ট লেণ্ড'। ১৯২২ চনৰ অক্টোবৰত 'দি ক্ৰাইটেৰিয়ান' আলোচনীত আৰু 'দি ডায়েল' আলোচনীৰ নৱেম্বৰ সংখ্যাত যথাক্ৰমে প্ৰকাশিত হ'ল 'দি ৱেষ্ট লেণ্ড'। প্ৰকাশ পোৱাৰ লগে লগে সেয়া কি প্ৰতিক্ৰিয়া কি হৈ-চৈ ! ইংলণ্ড আৰু আমেৰিকাৰ কাব্যপ্ৰেমীসকল মানসিক আৰু বৌদ্ধিকভাৱে অকণো সাজু নাছিল 'দি ৱেষ্ট লেণ্ড' কাব্যখনক সহজভাৱে লবলৈ। সেই চনতে নিউ ইয়ৰ্কৰ বিখ্যাত বাতৰি কাকত 'নিউইয়ৰ্ক ট্ৰিবিউন'ৰ পুথি সমালোচনা শিতানত এই কাব্যখনৰ ভূয়সী প্ৰশংসা কৰা হৈছিল ( সম্প্ৰতি সেই সমালোচনাটো এটা প্ৰবন্ধ সংকলনত সন্নিৱিষ্ট হৈছে )।

সাহিত্যৰ জগততো কেতবোৰ আচহুৱা ঘটনা ঘটে। এলিয়টৰ হাতৰ পৰা পাণ্ডুলিপিটো হেৰাইছিলেই বুলি ক'ব পাৰি। লণ্ডনৰ পৰা গৈ নিউইয়ৰ্কৰ পাব্লিক লাইব্ৰেৰীত 'দি ৱেষ্ট লেণ্ড'ৰ পাণ্ডুলিপি সংৰক্ষিত হৈ থাকিলগৈ, ১৯৫৮ চনৰ এপ্ৰিলৰ পৰা এতিয়ালৈকে। *Studies in The Waste Land* নামৰ প্ৰবন্ধ সংকলন ( compiled by Bradley Gunter ) এটাৰ পাতনিত কোৱা হৈছে : Although the Original Waste Land manuscript which existed before Ezra Pound's extensive editing has been recovered and can be examined at the New York Public Library by literary scholars and critics, the poem published in 1922 still stands as the

finished poem, কিন্তু নিউইয়ৰ্কৰ পাব্লিক লাইব্ৰেৰীয়ে সংগ্ৰহ কৰিলে কেনেকৈ ? এজ্ৰা পাউণ্ডৰ নিউইয়ৰ্কত বন্ধু এজন আছিল—নাম জন কুইন। জন কুইনৰ শিল্প সংগ্ৰহ কৰা 'হবি' এটা আছিল। পাউণ্ড আৰু জন কুইনৰ চেষ্টাতে এলিয়টে ১৯২২ চনত 'দি ডায়েল' পুৰস্কাৰ (দুহাজাৰ ডলাৰ মূল্যৰ) পায়। কিবা এটা বুজাবুজিৰ ভিতৰত জন কুইনে 'দি ৱেষ্ট লেণ্ড'ৰ পাণ্ডুলিপিটো নিজৰ হাতলৈ নিছিল। অবিবাহিত জন কুইনৰ মৃত্যুৰ পিছত তেওঁৰে ভনীয়েক মিচেছ উইলিয়াম এণ্ডাৰচনে জন কুইনৰ সা-সম্পত্তি লাভ কৰে। ১৯৩৪ চনত মিচেছ এণ্ডাৰচনৰ মৃত্যু হোৱাত তেওঁৰ স্বামী আৰু কন্যা মেৰীয়ে বাসগৃহ সলনি কৰে। ১৯৫০ চনত মেৰীয়ে 'দি ৱেষ্ট লেণ্ড'ৰ পাণ্ডুলিপিটো জন কুইনৰ ব্যক্তিগত কাগজপত্ৰৰ মাজত পায় আৰু নিউইয়ৰ্কৰ পাব্লিক লাইব্ৰেৰীয়ে ওঠৰ হাজাৰ ডলাৰ দি পাণ্ডুলিপিটো সংগ্ৰহ কৰে। ১৯৬৮ চনত লাইব্ৰেৰী কৰ্তৃপক্ষই পাণ্ডুলিপিটোৰ এটা Micro-film প্ৰস্তুত কৰি ভেলেৰি এলিয়টক দিয়ে। ১৯৭১ চনত ভেলেৰি এলিয়টে আৰু কিছু তথ্য উদ্ধাৰ কৰি পাউণ্ডৰ ভূমিকা এটা সংযোজন কৰি সম্পাদনা কৰি উলিয়ালে "*The Waste Land—A Facsimite And Transcript.* এই গ্ৰন্থখনে 'দি ৱেষ্ট লেণ্ড' কাব্যৰ অন্তৰালত থকা কেবাটাও দিশ উন্মোচন কৰি সমালোচক আৰু অধ্যাপকসকলক নতুন স্বাদ দিছে, ইয়াত সন্দেহ নাই।

———



বংশ 'ম্লেচ্ছ-বংশ' নামে জনাজাত হয় আৰু এই বংশৰ মুঠ ২১ (একৈশ) জন ৰজাই প্ৰায় তিনিশ বছৰতকৈও অধিক কাল ৰাজ্যভোগ কৰে।

ইয়াৰ উপৰিও কবি বিশাখদত্তৰ (খৃঃ ৮ম শতিকা) 'মুদ্ৰাৰাক্ষস' নাটকৰ ভৰতবাক্যত এই ম্লেচ্ছ আলোড়নৰ কিছু সম্ভেদ পোৱা যায়। উক্ত শ্লোকত—প্ৰলয় কালত পৃথিৱীয়ে বৰাহৰূপী বিষ্ণুৰ দাঁতৰ আগভাগত আশ্ৰয় লোৱাৰ দৰেই, (এতিয়া) ম্লেচ্ছৰ দ্বাৰা অভিভূতা (আলোড়িতা) পৃথিৱীয়ে ৰজা অৱন্তিবৰ্মাৰ বাহুযুগলত আশ্ৰয় লোৱা বুলি কোৱা হৈছে। তদুপৰি ৰজা অৱন্তিবৰ্মা এই বৰাহ-বিষ্ণুৰেই স্বৰূপ প্ৰকাশ বুলিও কোৱা হৈছে।

ৱাৰাহীমাত্মযোনেস্তনুমৱন বিধাৱাস্থিতস্যানুৰূপাং
যস্য প্ৰাগ্‌দন্তকোটিং প্ৰলয়পৰিগতা শিশ্ৰিয়ে
ভূতধাত্ৰী।
ম্লেচ্ছৈৰুদ্বেজ্যমানা ভুজযুগমধুনা সংশ্ৰিতা ৰাজমূৰ্তেঃ
স শ্ৰীমদ্‌বন্ধুভৃত্যাশ্চিৰমৱতু মহীং পাৰ্থিৱোঽ-
ৱন্তিবৰ্মা (২৯)॥

"—প্ৰলয়কালত পৃথিৱীয়ে নিজৰ ৰক্ষাৰ কাৰণে বৰাহৰূপ লোৱা যি বিষ্ণুৰ দাঁতৰ আগভাগত আশ্ৰয় লৈছিল, সেই বিষ্ণুৱেই এতিয়া ৰজাৰ ৰূপ ধাৰণ কৰাত ম্লেচ্ছৰ দ্বাৰা অভিভূতা হৈ (পৃথিৱীয়ে) তেওঁৰ বাহুযুগলকে আশ্ৰয় কৰিছে। সেইজন অৱন্তিবৰ্মাই সমৃদ্ধিশালী আত্মীয় আৰু বন্ধুসকলেৰে সৈতে চিৰকাল পৃথিৱীক পালন কৰক।"

---

হায়ুংথাল তাম্ৰশাসনত 'ম্লেচ্ছ' বোলাৰ কাৰণ সম্পৰ্কে ভৱিষ্যদ্বাণী আকাৰে এটা কৈফিয়ৎ দিয়া হৈছিল। এই কথা বুজিব পাৰি উক্ত শাসনৰ মধ্যফলকৰ ১ম পৃষ্ঠাৰ, ২য় পংক্তিৰ অন্তো ম্লেচ্ছাভিধানাস্ত ভৱিষ্যান্তৰ পাৰ্থিৱ' বোলা শ্লোকাৰ্দ্ধৰ পৰা। কিন্তু প্ৰাপ্ত ফলকখনৰ কাণবোৰ উৰলি যোৱাত এই শ্লোকৰ পূৰ্বাৰ্ধ একেবাৰে অপাঠ্য হৈ পৰিল। আনহাতে শাসনৰ প্ৰথম ফলক (লগতে ৩য় ফলকো) এতিয়াও উদ্ধাৰ হোৱা নাই। গতিকে এই বিষয়ৰ কৌতূহলৰ অৱসান নহল। বিস্তৃত আলোচনাৰ বাবে দ্ৰষ্টব্যঃ Barua, K. L., EHK, pp. 106-10 ; Choudhury, P. C., History of Civilzation of Assam, ( HCPA ) 1966, pp. 19 off.

২৯। অৱশো শ্লোকৰ যি অংশত 'পাৰ্থিৱোঽৱন্তিবৰ্মা' আছে সেই অংশৰ আন দুটা পাঠান্তৰ আছে : (১) 'পাৰ্থিৱোৱন্তিৱৰ্মা' আৰু (২) 'পাৰ্থিৱোশ্চন্দ্ৰগুপ্ত'। পিছে পণ্ডিত টেলাঙৰ মতে 'পাৰ্থিৱোৱন্তিৱৰ্মা' পাঠ 'পাৰ্থিৱোঽৱন্তিবৰ্মা'ৰে লিখাৰ ভুল, এতেকে দ্বিতীয় পাঠ গ্ৰহণ কৰাই শ্ৰেয়। ড০ মুকুন্দ মাধৱ শৰ্মাই 'বিশাখদত্তৰ মুদ্ৰাৰাক্ষস' নামৰ এটা প্ৰবন্ধত দেখুৱাইছে যে কবি বিশাখদত্ত পুৰণি অসম ৰাজ্যৰে কবি আছিল আৰু তেওঁ এই ৰাজ্যৰে ৰজা অৱন্তিবৰ্মাৰ পৃষ্ঠপোষকতাতে উক্ত নাট-খন ৰচনা কৰিছিল।
দ্ৰষ্টব্যঃ 'সাহিত্য সমন্বয়—কোকৰাঝাৰ সাহিত্য সভা, ১৯৭২।

এতিয়া ৰজা অৱন্তিবৰ্মাৰ বৰাহ-বিষ্ণুৰ লগত সম্পৰ্ক আৰু ভৌম-নৰক বংশৰ ৰজাসকলৰ নামৰ লগত তেওঁৰ নামৰ সাদৃশ্যলৈ লক্ষ্য কৰি এওঁক ভাস্কৰবৰ্মাৰ উত্তৰাধিকাৰী বুলি পণ্ডিত যোগেন্দ্ৰ চন্দ্ৰ ঘোষে ঠাৱৰ কৰিছে (৩০)। এই পণ্ডিত-জনাৰ সিদ্ধান্ত প্ৰত্নজ্ঞ কনকলাল বৰুৱাইও মানি লৈছে। বৰুৱাৰ মতে এইজনা ৰজাৰ শাসন কালতেই দেশত 'ম্লেচ্ছ' সন্ত্ৰাসৰ উৎপত্তি হয় আৰু এই 'ম্লেচ্ছ' আলোড়নৰ বেলিকা পৃথিৱীয়ে যাৰ বাহুযুগলক আশ্ৰয় কৰিছিল তেওঁ.কই উচ্ছেদ কৰি 'ম্লেচ্ছাধিপতি' শালস্তম্ভ প্ৰাগ্‌জ্যোতিষৰ অধিপতি হয় (৩১)। মন কৰিবলগীয়া কথা এই যে পুৰণি অসম দেশৰ প্ৰথম ঐতিহাসিক ৰাজ-বংশৰ (বৰ্মা-বংশৰ) প্ৰতিষ্ঠাতা নৰকৰ বৰাহ-বিষ্ণুৰ পৰা উৎপত্তিমূলক আখ্যান কালিকা-পুৰাণত বিস্তৃতভাৱে বৰ্ণিত হৈছে (৩২)। পুৰণি তাম্ৰশাসনবোৰতো ইয়াৰ সমৰ্থন পোৱা গৈছে (৩৩)। এনেস্থলত ভৌম-বৰাহ বংশৰ ৰজা এজনৰ ক্ষেত্ৰতহে শ্লোকত দেখুওৱা তুলনা বৰ্জিতা খায়।

২। এটা বিশেষ সম্প্ৰদায়ৰ দেৱতা হিচাবে ব্ৰহ্মাৰ স্বতন্ত্ৰ উপাসনা খ্ৰঃ ২০০-৬০০ শতিকাৰ ভিতৰত পূৰ্ণ পয়োভৰে প্ৰচলিত আছিল বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। খ্ৰঃ ৭ম শতিকাৰ আৰম্ভনিৰে পৰাই স্মাৰ্ত-সম্প্ৰদায়ৰ 'পঞ্চদেৱতা'ৰ উপাসনাৰ প্ৰৱৰ্তন হ'বলৈ ধৰে—যাৰ ফলত ব্ৰহ্মাৰ স্বতন্ত্ৰ উপাসনা ক্ৰমে অৱহেলিত হৈ আহিবলৈ ধৰিলে, আৰু আনকি খ্ৰঃ ৮ম শতিকাৰ ভিতৰতে স্বতন্ত্ৰপ্ৰভাৱে ব্ৰহ্মাৰ উপাসনাৰ বিলুপ্তি ঘটে (৩৪)। এই তথ্যৰ তপৰত ভিত্তি কৰিয়ে ড০ হাজৰাই দেৱীপুৰাণৰ ৰচনাকাল খ্ৰঃ ৬ষ্ঠ শতিকা হ'ব বুলি ঠাৱৰ কৰিছে (৩৫) কালিকাপুৰাণত ব্ৰহ্মাক স্বতন্ত্ৰভাৱে পূজা কৰাৰ (৩৬) উপৰিও স্মাৰ্ত সম্প্ৰদায়ৰ 'পঞ্চদেৱতা'ৰ এজন (৩৭) হিচাবেও পূজা কৰাৰ বিধান দিয়া হৈছে। এই কথাই প্ৰমাণ কৰে যে কালিকাপুৰাণ ৰচনাৰ সময়ত স্বতন্ত্ৰভাৱে ব্ৰহ্মাৰ পূজা প্ৰচলিত আছিল আৰু ইফালে স্মাৰ্ত সম্প্ৰদায়ৰ 'পঞ্চদেৱতা'ৰ পূজাইও লাহে লাহে প্ৰাধান্য লাভ কৰি আহিছিল।

ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে কালিকা-পুৰাণৰ ৰচনা কাল ড০ হাজৰাই ভবাতকৈও ভালেদিন আগলৈ যাব। আনকি এই পণ্ডিত-জনাই দেৱীপুৰাণৰ ৰচনাকাল সম্পৰ্কত দিয়া নিজা

---

৩০। দ্ৰষ্টব্য: JASB., Vol. XXVI, No. 1, pp. 241-45.
৩১। দ্ৰষ্টব্য: Barua, K. L., EHK., p. 69
৩২। ভৌম-নৰকৰ উৎপত্তি আৰু কীৰ্তি-কাহিনী কালিকা-পুৰাণৰ ৩৮-৪১ অধ্যায়ত বৰ্ণনা কৰা হৈছে।
৩৩। দ্ৰষ্টব্য: কামৰূপ শাসনাৱলী।
৩৪। তু: Bhattacharya, Tarapada, 'The Cult of Brahma', p. 178,
৩৫। দ্ৰষ্টব্য: Hazra, R C., The Devi Purana, Vide. New Indian Antiquary, Vol V, 1942-43;—Studies in the Upapurana, Vol. II, p. 75
৩৬। তু: কালিকাপুৰাণ ৮৩।৬৮-৮৩
৩৭। তু: কালিকাপুৰাণ ৮৩।১২০



অভিমত মতেও এই গ্ৰন্থৰ ৰচনাকাল অন্ততঃ খৃঃ ৭ম শতিকাৰ শেষাৰ্ধলৈ যাব লাগে। কিন্তু পণ্ডিত তাৰাপদ ভট্টাচাৰ্যাই দেখুৱাইছে যে স্বতন্ত্ৰভাৱে ব্ৰহ্মাৰ পূজা খৃঃ ৮ম শতিকা পৰ্যান্ত চলতি আছিল (৩৮)। তদুপৰি কালিকাপুৰাণত কালিদাস আৰু মাঘ-কৰিৰ প্ৰভাৱো অতি স্পষ্ট (৩৯) গতিকে কালিকাপুৰাণৰ ৰচনাকাল খৃঃ ৮ম শতিকাৰ শেষাৰ্ধৰ আগলৈ নিব নোৱাৰি।

৩ কালিকাপুৰাণত 'বিষ্ণুধৰ্মোত্তৰপুৰাণ (খৃঃ ৫ম শতিকা) আৰু 'নাৰদ-পঞ্চৰাত্ৰ' (খৃঃ ৪ৰ্থ-৫ম শতিকা)ৰ নামোল্লেখ পোৱা গৈছে (৪০)। কিন্তু বিশেষভাৱে মন কৰিবলগা কথা এই যে ইয়াত দেৱীপুৰাণ (খৃঃ ৬ষ্ঠ শতিকা) আৰু মাৰ্কণ্ডেয়-পুৰাণ (খৃঃ ৯ম শতিকা)ৰ কোনো নামোল্লেখ পোৱা নাযায়, অথবা এইদুখন গ্ৰন্থৰ কোনো পৰোক্ষ উল্লেখো পৰিলক্ষিত নহয়। কালিকা-পুৰাণৰ প্ৰধান উদ্দেশ্য দেৱী মহামায়াৰ অভিন্ন ৰূপ কামাখ্যাৰ মাহাত্ম্য প্ৰতিষ্ঠা কৰা। মাৰ্কণ্ডেয়-পুৰাণৰ, বিশেষকৈ ইয়াৰ দেৱীমাহাত্ম্যখণ্ডৰ, উদ্দেশ্যও দেৱী মহামায়াৰ গৌৰৱ প্ৰতিষ্ঠা কৰা! পুৰাণ বিশেষজ্ঞ ড০ পাৰ্জিতাৰ চাহাবৰ মতে দেৱী-মাহাত্ম্য খৃঃ নৱম শতিকাত সম্পূৰ্ণ হোৱাটো খাটাং, আনকি এই গ্ৰন্থৰ ৰচনাকাল তাৰো আগলৈ যাব পাৰে (৪১)। খৃঃ ১০ম শতিকাত এই দেৱী-মাহাত্ম্য নেপালত জনপ্ৰিয় হৈ উঠে (৪২)। কিন্তু খৃঃ ১০ম শতিকাতে সুদূৰ নেপালত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সমৰ্থ হোৱা দেৱীমাহাত্ম্যই দেৱী পূজাৰ অন্যতম প্ৰধানকেন্দ্ৰ তেতিয়াৰ কামৰূপ, মিথিলা আৰু বঙ্গত কোনো প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিব— ই একেবাৰে অস্বাভাৱিক কথা। আন কথাত এই 'দেৱীমাহাত্ম্য' আগতে ৰচিত হোৱা হ'লে কালিকাপুৰাণ তাৰ প্ৰভাৱমুক্ত হৈ নৰলহেতেন। গতিকে এই কথা স্বীকাৰ কৰিব লাগিব যে কালিকা-পুৰাণৰ ৰচনা দেৱীমাহাত্ম্যতকৈ আগ নহলেও কোনোমতে পিছ হব নোৱাৰে। এনেহে অনুমান হয় যেন দুয়োখন গ্ৰন্থই সম-সাময়িকভাৱে ৰচিত হৈছিল।

৪। 'অৱতাৰ'ৰ অৰ্থত 'প্ৰাদুৰ্ভাৱ' অথবা 'অৱতীৰ্ণ' শব্দৰ প্ৰয়োগ প্ৰাচীনতৰ পুৰাণবিলাকৰ এটা প্ৰধান বিশেষত্ব (৪৩)। কালিকাপুৰাণত 'অৱতাৰ' শব্দৰ ঠাইত একে অৰ্থত 'প্ৰাদুৰ্ভাৱ' আৰু 'অৱতীৰ্ণ' শব্দৰ প্ৰয়োগ অতি উল্লেখযোগ্য,

---

৩৮। ৩৪ নং পাদটীকা দ্ৰষ্টব্য।
৩৯। ২০ নং পাদটীকা দ্ৰষ্টব্য।
৪০। দ্ৰষ্টব্য: কালিকাপুৰাণ, ৯০।৭০, ৯১।২
৪১। তু: Pargiter, F. E., The Markandeya Purana, (Tr), Introduction.
৪২। নেপাল ৰাজ দৰবাৰ পাঠাগাৰত খৃঃ ৯৯৮ তাৰিখযুক্ত নেৱাৰী লিপিত লিখা দেৱীমাহাত্ম্যৰ এটা প্ৰতিলিপি উদ্ধাৰ হৈছে।
৪৩। দ্ৰষ্টব্য: Journal of the University of Gauhati, (JUG) Vol. III, P. 58; Indian Historical Quarterly (IHQ) Vol. VIII., pp. 75 ff

আৰু ইয়ো এই গ্ৰন্থৰ প্ৰাচীনতৰ ৰচনকালৰ ইঙ্গিতসূচক।

পুৰণি কামৰূপ ৰাজ্যৰ ভৌগোলিক সংস্থিতি আৰু ইয়াৰ উপৰিভাগৰ বৰ্ণনাইও কালিকা-পুৰাণৰ ৰচনাকালত আলোকপাত নকৰা নহয়। কালিকাপুৰাণৰ বৰ্ণনামতে এই দেশ পশ্চিমে কৰতোয়াৰ পৰা পুৱে ললিতকান্তা-দিক্কৰবাসিনী পীঠলৈকে বিস্তৃত আৰু ৰাজধানী প্ৰাগ্‌জ্যোতিষপুৰ দেশখনৰ সোঁ-মাজতে অৱস্থিত কামখ্যা যত 'নায়িকা' (৪৪)। কালিকাপুৰাণৰ এই বিৱৰণ মূল-মূলভাৱে য়ু-য়ান-স্বাঙৰ ভ্ৰমণ বৃত্তান্ত আৰু স্বাং-শু (T'sang-shu) গ্ৰন্থৰ বিৱৰণৰ লগতো মিলে। ইয়াৰ পৰা এই কথা অনুমান কৰিব পাৰি যে কালিকাপুৰাণ সেই সময়ৰ ৰচনা যি সময়ত দেশখন কামৰূপ নামেৰে জনাজাত আছিল, আৰু প্ৰাগ্‌জ্যোতিষপুৰ আছিল এই ৰাজ্যৰ ৰাজধানী।

৬। মহাকাব্যৰ যুগৰ পৰাই পুৰণি অসম দেশ বিভিন্ন নামেৰে জনাজাত হৈ আহিছে—প্ৰাগ্‌জ্যোতিষ, কামৰূপ আৰু লৌহিত্যদেশ। কিন্তু বাস্তৱ ঐতিহাসিক বিৱৰণত সমুদ্ৰগুপ্তৰ (খৃঃ ৪ৰ্থ শতিকা) (৪৫) দিনৰ পৰা ভাস্কৰবৰ্মা য়ু-য়ান স্বাঙৰ দিনলৈকে (৪৬) এই দেশ সাধাৰণভাৱে কামৰূপ নামেৰে জনাজাত আছিল, আৰু প্ৰাগ্‌জ্যোতিষপুৰ আছিল ইয়াৰ ৰাজধানী। অৱশ্যে এই দেশৰ ৰজাসকলে হয়তো পূৰ্বপুৰুষৰ আদৰ্শ অনুসৰণ কৰিয়ে নিজকে 'প্ৰাগ্‌জ্যোতিষাধিপাঃ' বুলি পৰিচয় দিছিল (৪৭)। এই উপাধি ৰাজধানী

৪৪। তুঃ কৰতোয়া নদীপূৰ্বং যাৱদ্দিক্কৰ বাসিনীম্।
ত্ৰিংশদ্ যোজন বিস্তীৰ্ণং যোজনৈক শতায়তন্॥
ত্ৰিকোণং কৃষ্ণবৰ্ণঞ্চ প্ৰভূতাচলপুৰিতম্।
নদীশত সমাযুক্তং কামৰূপং প্ৰকীৰ্তিতম্॥ কা. পু.
আৰু ৰাজধানী প্ৰাগ্‌জ্যোতিষপুৰ—
মধ্যগং কামৰূপস্য কামাখ্যা যত্ৰ নায়িকা॥ কা. পু.

৪৫ সমুদ্ৰগুপ্তৰ প্ৰখ্যাত এলাহাবাদ প্ৰশস্তিত পাঁচখন প্ৰান্তীয় ৰাজ্যৰ ভিতৰত কামৰূপ অন্তৰ্ভুক্ত হৈছে আৰু ইয়ে কামৰূপ ৰাজ্যৰ প্ৰথম ঐতিহাসিক উল্লেখ। কিন্তু মহাকাব্যত অকল 'প্ৰাগ্‌জ্যোতিষ' বুলি উল্লেখ থকা এই দেশখনৰ নাম কেতিয়াৰ পৰা কামৰূপ হ'ল—এই বিষয়ে সঠিককৈ কোৱা টান। ড° বাণীকান্ত কাকতীৰ মতে নৰক প্ৰাগ্‌জ্যোতিষৰ অধিপতি হোৱাৰ পৰাই দেশখনৰ নাম ৰূপান্তৰিত হৈ কামৰূপ হয়। প্ৰত্নজ্ঞ কনকলাল বৰুৱাই সাধাৰণভাৱে মন্তব্য কৰিছে যে পুৰাণৰ যুগতেই ৰাজ্যখনৰ নাম কামৰূপ হয়।

৪৬। দ্ৰষ্টব্য : নিধনপুৰ তাম্ৰশাসন, শাৰী নং ৪৪।
য়ু-য়ান-স্বাঙে এই দেশখনক কা-ম-লু-পু বা কিয়া-মু-লিউ-পো বুলিছে। আনহাতে স্বাং শু গ্ৰন্থত কা-মো-পো (বা কা-মো-লু) বুলিছে।

৪৭। তুঃ প্ৰাগ্‌জ্যোতিষাধিপঃ শূৰো ম্লেচ্ছানামধিপো বলী।
যৱনৈঃ সহিতো ৰাজা ভগদত্তো মহাৰথঃ॥ মহা. সভা. ৫১।১৪



প্ৰাগ্‌জ্যোতিষপুৰৰ নামানুসাৰে হোৱাও একো অস্বাভাৱিক নহ'ব। মহাকবি কালিদাসৰ ৰঘু-বংশ কাব্যত কামৰূপৰ ৰজাক 'প্ৰাগ্‌জ্যোতিষেশ্বৰঃ' বোলা উক্তিত এই ধাৰণাৰ সমৰ্থন পোৱা যাব। (৪৮) এক ঠাইতে পৰৱৰ্তী আন এটা শ্লোকত 'কাম-ৰূপেশ্বৰ' বুলিও উল্লেখ কৰিছে। (৪৮ক)

ইফালে আকৌ বৰাহমিহিৰৰ (খৃঃ ৫ম-৬ষ্ঠ শতিকা) 'বৃহৎসংহিতাত' প্ৰাগ্‌জ্যোতিষ আৰু লৌহিত্যৰ উল্লেখ আছে, (৪৯) কিন্তু কামৰূপৰ উল্লেখ নাই। খৃঃ ৯ম শতিকাত সম্পূৰ্ণ হোৱা মাৰ্কণ্ডেয়পুৰাণত লৌহিত্য সমন্বিত প্ৰাগ্‌জ্যোতিষৰ উল্লেখ আছে আৰু ইয়াক ভাৰতৰ পুৱভাগত স্থাপন কৰিছে (৫০)। অনুৰূপে ৰাজশেখৰে (খৃঃ ৯ম শতিকা) স্বৰচিত 'কাব্যমীমাংসা'ত ভাৰতৰ পুৱভাগৰ ৰাজ্যবিলাকৰ ভিতৰত প্ৰাগ্‌জ্যোতিষকো অন্তৰ্ভুক্ত কৰিছে,—কিন্তু কামৰূপ নামৰ এটা পাহাৰৰহে উল্লেখ কৰিছে (৫১)। তদুপৰি খৃঃ ১১শ শতিকাৰ প্ৰথমাৰ্ধৰ 'প্ৰাগ্‌জ্যোতিষাধিপতি' ৰত্নপালৰ (খৃঃ ১০১০-১০৪০) বৰগাওঁ তাম্ৰশাসনত 'প্ৰাগ্‌জ্যোতিষ' নামটোৱে ৰাজ্যখনকহে বুজোৱা হৈছে: 'প্ৰাগ্‌জ্যোতিষেষু দুৰ্জয়াখ্যপুৰমধ্যাস'' (৫২)। ইয়াত 'প্ৰাগ্‌জ্যোতিষেষু' পদ পাণিনিৰ 'লুপিযুক্তৱ্যক্তিৱচনে' (১।২।৫১) সূত্ৰমতে দেশবাচক বা ৰাজ্যবাচক হৈছে, আৰু সেয়ে পদফাকিৰ অৰ্থ হ'ব 'প্ৰাগ্‌জ্যোতিষৰাজ্য (স্থিত) দুৰ্জয়া নামৰ নগৰত (যি জন ৰজাই) বাস কৰে।' ইয়াত প্ৰাগ্‌জ্যোতিষ ৰাজ্যখনৰ নাম, দুৰ্জয়ানগৰী যাৰ ৰাজধানী। অনুৰূপে বৈদ্যদেৱৰ (খৃঃ ১২শ শতিকা) কমৌলি তাম্ৰশাসনত প্ৰাগ্‌জ্যোতিষভুক্তি আৰু কামৰূপমণ্ডলৰ উল্লেখ কৰা হৈছে (৫৩)। এতেকে দেখা গ'ল যে অন্ততঃ নৱম শতিকা মানত ভাস্কৰবৰ্মাৰ 'কামৰূপ' ৰাজ্য

৪৮। তুঃ চ কম্পে তীৰ্ণলৌহিত্যে তস্মিন্ প্ৰাগজ্যোতিষেশ্বৰঃ। ৰঘু. ৪।৮১
তমীশঃ কামৰূপাণামত্যাখণ্ডল বিক্ৰমম্। ৰঘু. ৪।৮৩
৪৮ক। তুঃ কামৰূপেশ্বৰস্তস্য হেমপীঠাধিদেৱতাম্। ৰঘু. ৪।৮৪
তুঃ তথা. ৭।১৭
৪৯। তুঃ প্ৰাগ্‌জ্যোতিষ লৌহিত্য। ক্ষীৰোদ সমুদ্ৰ পুৰুষাদাঃ॥
শকয় বন মগধেশ্বৰ। প্ৰাগ্‌জ্যোতিষ চীন কাম্বোজোঃ॥
বৃহৎসংহিতা, ১৪।৬; ১৬।১
৫০। তুঃ প্ৰাগ্‌জ্যোতিষাঃ সলৌহিত্যাঃ। ৫৫।১৩
৫১। দ্ৰষ্টব্যঃ কাব্যমীমাংসা, পৃ. ১৭।
৫২। দ্ৰষ্টব্যঃ ৰত্নপালৰ বৰগাওঁ তাম্ৰশাসন, ৪০ নং শাৰী।
—কামৰূপশাসনাৱলী, পৃ. ৯৭।
৫৩। দ্ৰষ্টব্যঃ 'শ্ৰীপ্ৰাগ্‌জ্যোতিষভুক্তৌ কামৰূপমণ্ডলে ৱাড়া-ৱিষয়ে'—তথা, শাৰী নং—৪৮।৪৯।—Vide, Epigraphia Indica, Vol. II, pp. 347-58
ইয়াৰ পৰা দেখা গ'ল যে 'প্ৰাগ্‌জ্যোতিষ' বিস্তীৰ্ণ অঞ্চলৰ অন্তৰ্গত 'কামৰূপ' এটা মণ্ডল বা বিভাগ মাথোন। 'ভুক্তি' শব্দ আধুনিক 'প্ৰদেশ'ৰ সমাৰ্থক।

পুনৰ প্ৰাগ্‌জ্যোতিষ নামেৰেহে অধিক জনাজাত হৈ পৰিল। কিন্তু কেতিয়াৰ পৰা এই পৰিৱৰ্তনৰ সূচনা হ'ল—এই কথা ন-দি কোৱা টান। পণ্ডিত পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদৰ মতে ম্লেচ্ছাধিনাথ শালস্তম্ভই প্ৰাগ্‌জ্যোতিষপুৰৰ পৰা হটপ্পেশ্বৰ ( হড়প্পেশ্বৰ )লৈ (৫৪) ৰাজধানী স্থানান্তৰ কৰাৰ পিছৰ পৰাই 'প্ৰাগ্‌জ্যোতিষ' দেশ বা ৰাজ্যবাচক হৈ পৰিছিল। ৰজা ৰত্নপালৰ বৰগাওঁ তাম্ৰশাসনৰ ওপৰুল্লেখিত (১নং ছেদ দ্ৰষ্টব্য) উক্তিৰ আধাৰত পণ্ডিতজনাই ভাবে যে ম্লেচ্ছাধিনাথ শালস্তম্ভই নৰকবংশীয় নৃপতি বিশেষক (তেওঁ ভাস্কৰবৰ্মাৰ উত্তৰাধিকাৰী হ'ব লাগিব) উচ্ছেদ কৰি সিংহাসন লাভ কৰাৰ সময়তে (পুৰণি) ৰাজধানী প্ৰাগ্‌জ্যোতিষপুৰৰ হয়তো সম্পূৰ্ণ অথবা আংশিকভাৱে হলেও ক্ষতি সাধন হৈছিল। এই কাৰণেও আৰু বিশেষকৈ তেওঁৰ 'ম্লেচ্ছ' অপবাদ থকা হেতুকে শালস্তম্ভই প্ৰাগ্‌জ্যোতিষপুৰলৈ আহি বাস কৰিবলৈ সাহস কৰা নাছিল,—আৰু সেয়ে তেওঁ যি অঞ্চলৰ 'অধিনাথ' আছিল সেই অঞ্চলৰে হটপ্পেশ্বৰ (হড়প্পেশ্বৰ)লৈ ৰাজধানী স্থানান্তৰ কৰিছিল (৫৫)। আন কথাত পণ্ডিতজনাৰ মতে ম্লেচ্ছাধিনাথ শালস্তম্ভৰ দিনতেই ৰাজধানী স্থানান্তৰিত হৈছিল, আৰু ইয়াৰ পিছৰ পৰাই 'প্ৰাগ্‌জ্যোতিষ' ৰাজ্যবাচক হৈ পৰিছিল।

ৰজা ৰত্নপালে দুৰ্জয়া নগৰীলৈ ৰাজধানী স্থানান্তৰ কৰাৰ প্ৰসঙ্গত ড° হৰ্ণলিয়ে ক'ব খোজে যে পালবংশীয় ৰজাসকলে দুৰ্জয়া দুৰ্গত আৰু হৰ্জৰৰ বংশই 'হাৰুপ্পেশ্বৰ'ত (? হটপ্পেশ্বৰত) থাকিবলৈ লৈও এই দুয়োটা বংশৰ ৰজাসকলে নিজকে প্ৰাগ্‌জ্যোতিষৰ অধিপতি বুলি পৰিচয় দিয়া কথাই প্ৰমাণ কৰে যে আগৰ নগৰ বুজোৱা 'প্ৰাগ্‌জ্যোতিষ' তেওঁলোকৰ সময়ত ৰাজ্যবাচক বা দেশবাচক হৈ পৰিছিল (৫৬)।

৫৪। 'ম্লেচ্ছ'বংশৰ ৰজাসকলৰ ৰাজধানীবাচক পদটো প্ৰথমতে 'হাৰুপ্পেশ্বৰ' বুলি পঢ়া হৈছিল। বনমালবৰ্মাৰ তেজপুৰ তাম্ৰশাসনৰ পাঠোদ্ধাৰ কৰোঁতে ইয়াক 'হৰয়েশন' বুলি পঢ়া হৈছিল। কিন্তু হৰ্জৰবৰ্মাৰ হায়ুংথল তাম্ৰশাসন আৰু তেজপুৰ শৈল-শাসনৰ ভিত্তিত পূৰ্বৰ ভুল সংশোধন কৰি পণ্ডিত পদ্মনাথ ভট্টাচাৰ্য্যই 'হটপ্পেশ্বৰ পাঠ গ্ৰহণ কৰিছে। (JARS, Vol. 1, No. 4, p. 111, n. 9), ড° দীনেশ চন্দ্ৰ চৰকাৰে হটপ্পেশ্বৰ আৰু হড়প্পেশ্বৰ দুয়োটা পাঠকে গ্ৰহণ কৰিছে।

৫৫। দ্ৰষ্টব্য : কামৰূপশাসনাৱলী, ভূমিকা, পৃঃ ২২, ২৫।

৫৬। "......... The fact that the Pala kings resided in the fort of Durjjaya and Harjjara dynasty in the 'ancestral camp' at Haruppeswara, while yet both dynasties called themselves 'lords of Pragiyotisa,' may perhaps justify the conclusion that in their time—Pragiyotisa, which was originally the name of a town became the name of a country."—JASB, Vol. LXVII, 1, p. 105; cf. B. M. Barua, IHQ, XXII, 1947; P. C. Choudhury, HCPA, p. 231.



ড° প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে কিন্তু উক্ত সিদ্ধান্ত মানি ল'ব পৰা নাই। পণ্ডিতজনাৰ আপত্তিৰ মূল কাৰণ হ'ল : (ক) হায়ুংথাল শাসনত হটপ্পেশ্বৰ'ক (হড়প্পেশ্বৰক) কেৱল 'জয়স্কন্ধাৱাৰ বোলা হৈছে, যাক তেজপুৰ শৈল-শাসনত মাত্ৰ 'পুৰ' (নগৰ) বোলা হৈছে। (খ) বলবৰ্মাৰ নগাওঁ তাম্ৰশাসনত এই নগৰকে 'পৈতামহকটক' বোলা হৈছে, আৰু ইয়াত 'কটক' শব্দ স্থায়ী ৰাজধানীসূচক নহয়। (গ) 'হড়প্পেশ্বৰ'ৰ পৰা দান কৰা বনমালৰ তাম্ৰশাসনত শালস্তম্ভক 'প্ৰাগ্‌জ্যোতিষেশঃ (Lord of Pragjyotisa) বোলা হৈছে, আৰু ইয়াত প্ৰাগ্‌জ্যোতিষ ৰাজধানীসূচক যেনেই লাগে। এই শাসনত 'হড়প্পেশ্বৰ'ৰ মনোহৰ বৰ্ণনা দিয়া হৈছে যদিও, ইযে তেওঁলোকৰ স্থায়ী ৰাজধানী আছিল এনে ইঙ্গিত পোৱা নাযায়। মুঠতে ড° চৌধুৰীৰ মতে হটপ্পেশ্বৰ (-হড়প্পেশ্বৰ) শালস্তম্ভ আৰু তেওঁৰ বংশধৰসকলৰ অস্থায়ী ৰাজধানীহে আছিল। এফালে প্ৰাগ্‌জ্যোতিষ কেৱল শালস্তম্ভীবংশীয় ৰজাসকলৰেই নহয়, পালবংশীয় ৰজাসকলৰো ৰাজধানী আছিল (৫৭)। আনকথাত পণ্ডিতজনাৰ মতে নৰকৰ দিনৰ পৰা ধৰ্মপালৰ সময়লৈকে প্ৰাগ্‌জ্যোতিষ চিৰকালেই কামৰূপ ৰাজ্যৰ ৰাজধানী আছিল, আৰু ইয়াৰ পৰা ৰাজধানী স্থানান্তৰ কৰাৰ কোনো কথা নাই। অৱশ্যে হটপ্পেশ্বৰ (-হড়প্পেশ্বৰ) হৰ্জৰবৰ্মা বা তেওঁৰ উত্তৰাধিকাৰীসকলৰ দ্বিতীয় ৰাজধানী বুলি গ্ৰহণ কৰাত আপত্তি নাই।

কিন্তু পণ্ডিত পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদে 'মেদিনীকোষ' আৰু হেমচন্দ্ৰৰ 'অভিধানচিন্তামণি'ৰ বচন উদ্ধৃত কৰি দেখুৱাইছে যে 'কটক' শব্দই ৰাজধানীও বুজায়, আৰু সেয়ে বলবৰ্মাৰ নগাওঁ শাসনৰ 'পৈতামহকটকম্'ৰ 'কটক' শব্দ ৰাজধানী অৰ্থত গ্ৰহণ কৰাই শ্ৰেয় বুলিও পণ্ডিতজনাই মত প্ৰকাশ কৰিছে (৫৮)। অনুৰূপ 'স্কন্ধাৱাৰ' পদটোৱে সৈন্যৰ ব্যূহ বা চাউনী বুজোৱাৰ উপৰিও ৰাজধানী সূচায় (৫৯)। আনহাতে তেজপুৰ শৈলশাসনত 'শ্ৰীহৰ্জৰবৰ্মদেৱ'ক 'হটপ্পেশ্বৰপুৰস্থিত' বোলা হৈছে (৬০)। ইয়াত 'পুৰ' শব্দ 'কেৱল' নগৰবাচক নহৈ যে ৰাজধানী সূচক হৈছে—এই বিষয়ে সন্দেহ থকাৰো কোনো কাৰণ নাই। বলবৰ্মাৰ তাম্ৰশাসনত নৰকক 'প্ৰাগ্‌জ্যোতিষাখ্যং পুৰমধ্যুৱাস' (৬১) বোলা হৈছে আৰু ই তেজপুৰ শৈলশাসনৰ উদ্ধৃত বাক্যাংশৰ

৫৭। দ্ৰষ্টব্য : Choudhury, P. C., HCPA, 1966, p. 216 f

৫৮। দ্ৰষ্টব্য : কামৰূপশাসনাৱলী—পৃঃ ৮৪, পাদটীকা, (৪)।

৫৯। মহাভাৰতত এনে অৰ্থতে স্কন্ধাৱাৰ পদটো প্ৰয়োজিত হৈছে।
তুঃ তে তু দৃষ্টাৱা পুৰং তচ্চ স্কন্ধাৱাৰঞ্চ পাণ্ডৱাঃ।
কুম্ভকাৰস্য শালায়াং নিৱাসং চক্ৰিৰে তদা ॥ মহা· ১।১৮৫।৬
উক্ত শ্লোকৰ ভাষ্যত স্কন্ধাৱাৰ পদৰ ব্যাখ্যা কৰি কোৱা হৈছে—স্কন্ধাৱাৰং 'ৰাজগৃহ প্ৰাকাৰম্' লোকসমূহস্থানং ৱা।'

৬০। হৰ্জৰবৰ্মাৰ তেজপুৰ শৈলশাসন, শাৰী নং—১।
দ্ৰষ্টব্য : কামৰূপশাসনাৱলী, পৃঃ ১৮৭।

৬১। তুঃ : 'স কামৰূপে জিতকামৰূপো প্ৰাগ্‌জ্যোতিষাখ্যং পুৰমধ্যুৱাস'।
তথা, শ্লোক নং ৫ (খ)। দ্ৰষ্টব্য : কামৰূপশাসনাৱলী, পৃঃ ৭৩।

সমাৰ্থক। কালিকাপুৰাণত প্ৰাগ্‌জ্যোতিষক 'ভৌমপুৰ'ও বোলা হৈছে (৬২)। তদুপৰি 'প্ৰাগ্‌জ্যোতিষৰপুৰ' আৰু 'হটপ্পেশ্বৰপুৰ'—এই পদ দুটাৰ সাদৃশ্যলৈ লক্ষ্য কৰিলেও উক্ত ধাৰণাৰ সত্যতা উপলব্ধি কৰিব পৰা যাব। ইয়াৰ উপৰিও, হৰ্জৰবৰ্মা, তেওঁৰ পুত্ৰ বনমালবৰ্মা আৰু প্ৰপৌত্ৰ বলবৰ্মা—এই তিনিওজন ৰজাই হটপ্পেশ্বৰৰ (-হড়প্পেশ্বৰৰ) পৰাই এতিয়ালৈকে উদ্ধাৰ হোৱা আটাই কেউখন শাসন প্ৰদান কৰিছে। ইয়ো এটা কথাই সূচায় যে হটপ্পেশ্বৰ এওঁলোকৰ স্থায়ী ৰাজধানী আছিল।

আন কথাত হৰ্জৰৰ তাম্ৰশাসনৰ 'জয়স্কন্ধাৱাৰ'য়েই তেজপুৰ শাসনৰ 'পুৰ'—যাৰ অৰ্থ ৰাজধানী। ইয়ে বলবৰ্মাৰ তাম্ৰশাসনত 'পৈতমহকটকম্' ৰূপে পৰিগণিত হৈছে। গতিকে এই কথা উপলব্ধি কৰিব পৰা যাব যে অন্ততঃ হৰ্জৰবৰ্মাৰ দিনতেই হটপ্পেশ্বৰ (-হড়প্পেশ্বৰ) এই বংশৰ ৰজাসকলৰ স্থায়ী ৰাজধানীত পৰিণত হৈছিল। কিন্তু যি কাৰণতেই নহওক হৰ্জৰবৰ্মাৰ দিনত হয়তো এই নগৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ নুঠিল—সম্পূৰ্ণ হ'ল তেওঁৰ পুত্ৰ বনমালবৰ্মাৰ দিনত। প্ৰত্নজ্ঞ কনকলাল বৰুৱাই এনে মতকে পোষণ কৰিছে (৬৩)। বনমালবৰ্মাৰ তাম্ৰশাসনত হটপ্পেশ্বৰ (-হড়প্পেশ্বৰ) নগৰৰ যি এটি বিশদ, মনোৰম বৰ্ণনা দিয়া হৈছে ইয়ে এই ধাৰণাত সমৰ্থন দিব। অৰ্থাৎ বনমালবৰ্মাৰ শাসন কালতে হটপ্পেশ্বৰ (-হড়প্পেশ্ব) নগৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হয়, আৰু তেতিয়াৰ পৰাই এই নগৰে ৰাজধানীৰ পূৰ্ণ মৰ্য্যাদা লাভ কৰিবলৈ সমৰ্থ হয়। এই সময়ৰ পৰাই সম্ভৱ 'প্ৰাগজ্যোতিষ' কেৱল ৰাজ্যবাচক হৈ পৰিছিল।

কিন্তু কালিকাপুৰাণৰ এই পৰিৱৰ্তনৰ কোনো ইঙ্গিত পোৱা নাযায়। ইয়াৰ পৰা এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে কালিকাপুৰাণ বনমালবৰ্মাৰ ৰাজত্বৰ পূৰ্বেই ৰচিত হৈছিল—যি সময়ত দেশখন কামৰূপ নামেৰেই জনাজাত আছিল আৰু প্ৰাগ্‌জ্যোতিষ নগৰ বা ৰাজধানীসূচক আছিল। প্ৰত্নজ্ঞসকলে বনমালবৰ্মাৰ শাসন খৃঃ ৮৩৫—৬৫ৰ ভিতৰত স্থাপন কৰিছে। এই দিশৰ পৰা কালিকাপুৰাণৰ ৰচনাকাল খৃঃ ৮ম শতিকাৰ শেষ অথবা নৱম শতিকাৰ আৰম্ভনি বুলি ধৰিব লাগিব। ❁

---

৬২। তু : প্ৰাগ্‌জ্যোতিষং ভৌমপুৰমচিৰাদাজগাম হ। কা. পু. ৪০।৪০

৬৩। তু : "My own impression is that although this city was used as a capital, the stone built palaces were not put up till the reign of Vanamalavarman. Hence until the time of Vanamalavarman it was named as *Skandhavara* or *Kataka*. Pandit Vidyavinod has, however, shown that the word *Kataba* may mean the *Rajadhani* or the capital."
Vide, JARS, Vol. III, No. 1, 1935. pp. 2-5 ;—SEHA, 1973, p. 79.

পুষ্পিকা : লিখকৰ "The Kalikapurana : A Socio-cultural Study" (অপ্ৰকাশিত) নামৰ গৱেষণা গ্ৰন্থৰ সহায়ত প্ৰবন্ধটো যুগুত কৰা হৈছে। নতুন কথাও যোগ দিয়া হৈছে।

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

# হজৰত মহম্মদ আৰু ইছ্‌লাম ধৰ্ম

'ইছলাম' মানে শান্তি। মানুহে জীৱনত বিচাৰে শান্তি। কিন্তু শান্তি জানো পায়? কৰুণাময়ৰ কৃপা অবিহনে সেই শান্তি পোৱা নাযায়। "শান্তি শান্তিকৈ জগত বলিয়া—শান্তিয়ে নিদিয়ে ধৰা।" নহলেনো বিশ্বনবী হজৰত মহম্মদৰ জন্মোৎসৱৰ শুভদিনত জানো সেই পবিত্ৰ আৰব দেশতে চৌদি আৰবৰ ৰজা ফৈজাল পয়গম্বৰ মহম্মদৰ জন্ম-দিৱস উপলক্ষে আদাব জনাবৰ বাবে গৈ তেওঁৰে ভাগিনিয়েক আজিজে পিস্তলৰ গুলীৰে হত্যা কৰি হৰিষত বিষাদ আনিব পাৰে? মহামানৱ মহাত্মা গান্ধীকো তেনে পবিত্ৰ ক্ষণৰ গহীন পৰিৱেশতে হত্যা কৰা হৈছিল। কবি ওমৰে কৈছিল—"অন্ধ নিয়তিৰ অন্ধ বিশ্বাসত চলে মানৱৰ জীৱন ৰথ।"

এইখিনিতে মনত দুটা প্ৰশ্ন জাগি উঠিছে। এটা হ'ল—আমাৰ দেশত এনে শান্তিদূত এনে ঋষি-মুনি, ৰচুল-নবী-পয়গম্বৰ যুগে যুগে অনেক জন্মিল আৰু তেওঁলোকৰ বাণী প্ৰচাৰ কৰি তেওঁলোকে বিদায় ল'লে। তথাপি কিয় সংসাৰত অপৰাধ অনাচাৰ, পাপ-দুৰ্নীতিৰ ওৰ নপৰিল? তথাপি কিয় গান্ধী-হত্যাকাৰী নাথুৰাম গডচে, ফৈজাল-বধী আজিজ আজিও জন্মিয়ে আছে? ঠিক এনে ধৰণৰ প্ৰশ্ন এটা এজনা ধৰ্মগুৰুক সোধাত তেওঁ উত্তৰত কৈছিল—"এটা গল্প কওঁ শুনা। এজন গুৰুৰ এটা খৰিকটীয়া শিষ্য আছিল। খৰিকটীয়াৰ কাম হাবিৰ পৰা খৰি কাটি আনি গুৰুক যোগোৱা। এদিন খৰিকটীয়াই গুৰুক ক'লে, "গুৰুদেৱ কাঁইটৰ বাটে খৰি কটা আৰু টান হৈ পৰিছে। বিচুমান হজুৰা লগাই জঙ্ঘলৰ কাঁইট আটাইবোৰ গোটাই আনি পুৰি পেলাব লাগে; তাকে কৰিলে ভৰিত আৰু কাঁইটে বিন্ধিব নোৱাৰে।"

গুৰুৱে ক'লে- "কথাটো হওঁতে হয়, পিছে সেইটো অসম্ভৱ কথা। প্ৰথমতে সেই কামটো কৰা সহজ নহ'ব। দ্বিতীয়তে কেনেবাকৈ সেইটো কৰিলেও—নতুন নতুন কাঁইট আকৌ গজিব আৰু জঙ্ঘল কেতিয়াও কাঁইটৰ পৰা মুক্ত নহ'ব। গতিকে হাবিত এই কাঁইটৰ পৰা হাত সৰাৰ উপায় হ'ল—ভৰিত ফণ্টা (ফন্তা) পিন্ধা, যাতে কাঁইটে বিন্ধিব নোৱাৰে। "ঠিক তেনেকৈ পৃথিৱীৰ শান্তিকামী ধৰ্মগুৰুসকলে কেতিয়াও, কাহানিও পৃথিৱীৰ পৰা অন্যায়-অধৰ্মক নিৰ্মূল কৰিবলৈ

অভিযান চলোৱা নাছিল ঃ কাৰণ সেইটো সম্ভৱ নহয়। তেওঁলোকে আমাক মাজে সময়ে আহি ধৰ্মৰ নীতি-নিয়মবোৰ মানি কেনেকৈ পাপ-কাঁইটৰপৰা পৰিত্ৰাণ পাব পাৰি তাকেহে শিক্ষা দিছিল।

দ্বিতীয় প্ৰশ্নটো হ'ল—ফাতেহা দোৱাজ-দহম-ধৰ্মোৎসৱৰ দৰে উৎসৱবোৰৰ সাৰ্থকতা ক'ত আৰু এইবোৰৰ কিভাবে আমি গ্ৰহণ কৰিব পাগে। তাৰ উত্তৰত ইয়াকে কোৱা যায় যে এনে উৎসৱত যিবোৰ আলোচনা বা আবৃত্তি হয় সেইবোৰে—যিসকলে এনেবোৰ বাণী আগতে পঢ়িছিল তেওঁলোকৰ কাৰণে পুনৰাবৃত্তিৰ দৰে কাম কৰি স্মৃতিত সেইবোৰ জগাই তোলে আৰু সেই সেই বিষয়ে আৰু গভীৰকৈ ভাবিবলৈ বাধ্য কৰে। যিসকলে তেনে কথা আগতে জনা নাছিল বা শুনা নাছিল তেওঁলোকৰ মনত এইবোৰে অমূল্য জ্ঞান-বস্তিৰ পোহৰৰ দৰে কাম কৰে। এই উৎসৱৰ প্ৰকৃষ্ট সুযোগ লাভ কৰা হব - যদি আমি এই মহৎ বাণীসমূহৰ পৰা গোটাচেৰেক স্ফুলিঙ্গ নি আমাৰ জীৱন সেইবোৰৰ সহায়ত উজ্জল কৰিবলৈ যত্ন কৰোঁহক।

অনেক ধৰ্মগুৰুৱে ধৰ্মপ্ৰচাৰৰ কাৰণে সংসাৰ-ধৰ্ম ত্যাগ কৰি বৈৰাগ্য অৱলম্বন কৰিছিল। হজৰত মহম্মদে কিন্তু তাকে কৰা নাছিল। তেওঁৰ দৰে গুৰু নানক, মহাপুৰুষৰ শঙ্কৰদেৱ আদিসকলে গাৰ্হস্থ্য ধৰ্ম পালন কৰিয়ে নিজ নিজ ধৰ্ম প্ৰচাৰ কৰিছিল। তেওঁলোকৰ মতে ধৰ্ম প্ৰচাৰৰ বাবে গৃহত্যাগী হোৱাৰ আৱশ্যক নাই।

শান্তিৰ দূত পয়গম্বৰ হজৰত মহম্মদক দুটা কাৰণত অমুছলমানসকলৰ বহুতে ভুল বুজিব খোজে—এক হ'ল তেওঁৰ বহু পত্নী বিবাহ আৰু দ্বিতীয়তে ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত অস্ত্ৰ-প্ৰয়োগ। এই দুয়োটা ধাৰণাৰ গুৰি কাৰণ—ঘটনা বা পৰিস্থিতিৰ পূৰ্ণ জ্ঞানৰ অভাৱ। মননশীলতাৰে ইতিহাসৰ সকলো কথা অনুধাৱন কৰিলে তেনে সন্দেহ মনলৈ নাহে। বিষয় দুটা অলপ আলচ কৰা যাওক।

সঘনে হোৱা তুমুল যুদ্ধ-বিগ্ৰহৰ ফলত আৰৱ দেশত সেই সময়ত হাজাৰ-বিজাৰ লোক নিহত হৈছিল। অনাথিনী তিৰোতাবোৰক আশ্ৰয় দিবৰ কাৰণে হজৰত মহম্মদে প্ৰত্যেক উপযুক্ত পুৰুষৰ কাৰণে একাধিক পত্নী গ্ৰহণ, বিশেষকৈ বিধৱা বিবাহ সমৰ্থন কৰিছিল। তেওঁ নিজেও তেনে আৱশ্যকতা উপস্থিত হোৱাত, বহু পত্নী বিবাহ কৰিবলৈ বাধ্য হৈছিল। মনত ৰাখিব লাগে যে ২৫ বছৰ বয়সলৈকে হজৰত মহম্মদে বিয়া কৰোৱা নাছিল। ২৫ বছৰৰ পৰা ৫৪ বছৰ বয়সলৈ তেওঁ একপত্নীকভাবে এগৰাকী পত্নীৰ লগতহে বৈবাহিক জীৱন অতিবাহিত কৰিছিল। ৫৪ বছৰৰ পৰা ৬০ বছৰ বয়সৰ ভিতৰত এই সাত বছৰত তেওঁ বহুবিবাহ কৰে আৰু ৬০ বছৰ পিছৰ পৰা মৃত্যু পৰ্যন্ত নতুনকৈ বিয়া কৰোৱা নাছিল। ডেকা বয়সত তেওঁতকৈ ১৫ বছৰে ডাঙৰ বিধৱা খদীজা বিবিক বিয়া কৰাবলৈ মান্তি হোৱ, ৫৪ বছৰ পৰ্যান্ত একপত্নীকভাৱে জীৱন যাপন কৰা আৰু ভাটী বয়সত বহু বিবাহ কৰিবলৈ ওলোৱাটোৱে প্ৰমাণ কৰে যে অনাথিনী





নাৰীক আশ্ৰয় দিবৰ কাৰণেহে বহুবিবাহত লিপ্ত হবলগীয়া হৈছিল। তেওঁ কোনো দিন ভোগ বা কামনাৰ বশৱৰ্তী হোৱা নাছিল। বিবি আয়েছাত বাহিৰে তেওঁৰ বাকী পত্নীসকলৰ আটায়ে নিৰাশ্ৰয়া বিধৱা আছিল। কোনো কোনো ক্ষেত্ৰত তেওঁ ৰাজনৈতিক কাৰণতো বিবাহ-পাশত আৱদ্ধ হ'ব-লগীয়া হৈছিল। জুৱৈৰীয়া নামে এগৰাকী বিধৱাক তেওঁ বিয়া কৰাইছিল দুটা বিবদমান কৈদৰ মিলনৰ উদ্দেশ্যে। ঠিক তেনেকৈ ছফিয়া নামৰ ইহুদী বিধৱা এগৰাকীকো তেওঁ ইহুদী-সকলক হাত কৰিবৰ কাৰণেই বিয়া কৰাইছিল। অসম'ন অপযশৰ পৰা ৰক্ষা কৰিবলৈ তেওঁ স্বামীয়ে তালাক দিয়া পৰিত্যক্তা ৰমনীকো আশ্ৰয় দি পত্নীৰূপে গ্ৰহণ কৰিবলৈ ইতস্ততঃ নকৰিছিল। তেওঁৰ পত্নী জৈনাব বিবি তাৰে এটি পটন্তৰ। জৈনাব আছিল জৈদ নামে—তেওঁ এসময়ত মুক্তিদান কৰা এক ভৃত্যৰ পত্নী। জৈদে এৰি দিয়াত জৈনাবৰ অৱস্থা অতিশয় শোচনীয় হৈ পৰিছিল। হজৰতৰ আশ্ৰয় লাভ নকৰা হলে তেওঁৰ অৱস্থা কি হ'লহেঁন অনুমান কৰা টান।

দ্বিতীয়তঃ, ধৰ্ম প্ৰচাৰৰ কাৰণে হজৰত মহম্মদে অস্ত্ৰ ব্যৱহাৰ কৰা দূৰৰ কথা - মুছলমান ধৰ্ম স্বেচ্ছাই গ্ৰহণ কৰি পুনঃ তাক পৰিত্যাগ কৰি ধৰ্মান্তৰ গ্ৰহণ কৰিব খোজাসকলকো তেওঁ ইচ্ছামতে যাবলৈ দিছিল। কোৰাণত আছে—ধৰ্মাচৰণত কাৰো বাধা-বাধকতাৰ স্থল নাই There is no compulsion the matter of religion. তোমাৰ কাৰণে তোমাৰ ধৰ্মই ঠিক আৰু মোৰ কাৰণে মোৰ ধৰ্ম—for you is your religion and for me mine. হজৰত মহম্মদে কোৰাণৰ এনেবোৰ নিৰ্দেশ আখৰে আখৰে মানিছিল। তেওঁ মক্কা আৰু মদিনাত থকা কালত অনেক ইহুদী আৰু খৃষ্টান নাৰীয়ে মুছলিম পতি গ্ৰহণ কৰিও নিজ নিজ ধৰ্ম আচৰণ কৰি আছিল।

যুদ্ধৰ সময়ত হজৰত মহম্মদে তেওঁৰ সৈন্য-সকলক উপদেশ দি কৈছিল—'মনত ৰাখিবা, আমাৰ উদ্দেশ্য যুদ্ধ কৰাটো নহয়, আমাৰ উদ্দেশ্য সত্য আৰু আল্লাৰ বিষয়ে জ্ঞান প্ৰচাৰ কৰা-টোহে। শত্ৰুক লগ ধৰিবা আৰু যুদ্ধ নকৰাৰ পোনপ্ৰথমে শান্তিৰ প্ৰস্তাৱ দিবা। সিবিলাকে যদি শান্তিৰ প্ৰস্তাৱ গ্ৰহণ কৰে তেন্তে তুৰন্তে সিবিলাকৰ লগত মিত্ৰতা কৰিবা; কিন্তু যদিহে সিবিলাকে যুদ্ধ কৰিবলৈ প্ৰস্তুত বুলি কয়—তেন্তে বীৰৰ দৰে যুদ্ধ কৰিবা। যুদ্ধত বিশ্বাস-ঘাটকতা নকৰিবা। ল'ৰা, তিৰোতা, বুঢ়া, সন্যাসী, আৰু পুৰোহিতক বধ নকৰিবা। ফলমূল আৰু শস্যাদি নষ্ট নকৰিবা। ঘৰ ভাঙি নেপেলাবা।'

এবাৰ এঠাইত অকলে বহি থাকোঁতে এটা তৰোৱালধাৰী শত্ৰুৱে হঠাৎ উপস্থিত হৈ কোষ মুক্ত তৰোৱাল জোকাৰি কৈছিল—'মহম্মদ, এতিয়া তোমাক ৰক্ষা কৰিব কোনে? তোমাৰ প্ৰাণ আজি মোৰ হাতত।' মহম্মদে উত্তৰ দিলে—আল্লাই।' এনে নিৰ্ভীক উত্তৰ শুনি তৰোৱালধাৰীয়ে অলপ ঠতমত খালে। এনেতে চকুৰ পচাৰতে মহম্মদে তাৰ হাতৰ পৰা নিজৰ হাতলৈ সেই তৰোৱাল আনি ক'লে—'এতিয়া, এতিয়া তোমাক

ৰক্ষা কৰিব কোনে ?’ উত্তৰ আহিল—‘তুমি, মহম্মদ তুমি ।’ হজৰতে তাক ক’লে, ‘তুমি বাৰু বাৰু মুক্ত । এতিয়া যাব পাৰা ।’ এনেকুৱাই আছিল হজৰত মহম্মদৰ ব্যৱহাৰ ।

মহাপুৰুষ শঙ্কৰদেৱৰ দৰে হজৰত মহম্মদেও পৰিস্থিতিৰ হেঁচাত ৰব নোৱাৰি নিজৰ প্ৰাণ বচাবৰ কাৰণে স্থানৰ পৰা স্থানান্তৰলৈ গতি কৰিবলগীয়া হৈছিল । মক্কাৰ পৰা মদিনালৈ কৰা প্ৰব্ৰজন ( ১৬ জুলাই ৬২২ খৃঃ ) তাৰেই ফল । আত্মৰক্ষাৰ কাৰণে আৰু কোৰেইছবিলাকে মুছলমানসকলৰ কাৰণে অন্যায়কৈ কা'বা-শ্বৰীফৰ দ্বাৰ বন্ধ কৰি দিয়া হেতুকে তেওঁ অস্ত্ৰ ধৰিবলৈ বাধ্য হৈছিল—কিন্তু তাতো তেওঁ দূতৰ মুখত প্ৰথমে এইবুলি প্ৰস্তাৱ পঠাইছিল—মুছলিম হাজী-সকল এইবাৰ ঘাইকৈ উম্‌ৰা বা সৰু হজ্জ কৰিবৰ উদ্দেশ্যেহে আহিছে আৰু সেইবাবে কেৱল হজ্জৰ সময়খিনিৰ কাৰণেহে তেওঁলোকৰ বাবে কা'বাশ্বৰীফৰ দ্বাৰ উন্মুক্ত ৰাখিব লাগে । এয়ে তেওঁলোকৰ সনিৰ্বন্ধ অনুৰোধ ।’ ইয়াৰ ফলত হোৱা হুদৈবিয়াৰ সন্ধি ইচলামৰ বুৰঞ্জীৰ এটা মাইলৰ স্তম্ভ স্বৰূপ ।

এই সকলোবোৰ কাৰ্যাৰ মাজেদি ৰচুলৰ জীৱনৰ আকাশলঙ্ঘী মহত্ত্ব ফুটি উঠিছিল । তাতোকৈ আমোদৰ কথা— হজৰতৰ দৈনন্দিন জীৱনৰ প্ৰতিটো ঘটনাই একো একোটা ধৰ্ম-বাণীৰ জীৱন্ত প্ৰতীকস্বৰূপ আছিল ।

এদিন এটা দুষ্ট লোক আহি তেওঁক ক’লে, ‘মহম্মদ, তই বোলে নিজকে আল্লাৰ ৰচুল বুলি জাহিৰ কৰি ফুৰিছ ? তোৰ নিচিনা দুষ্ট-ডগাবাজ-লম্পট এটা নাই ।’ মহম্মদে হাঁহি উত্তৰ দিলে—‘ঠিকেই বাৰু, তুমি যি দেখিছা সি মিছা হ’ব পাৰেনে ?’

পিছদিনা অন্য এজন লোক গৈ ক’লে—‘মহম্মদ, তুমি সঁচাকৈ আল্লাৰ ৰচুল । তোমাৰ নিচিনা সহনশীল, সত্যবাদী, বিশ্বাসী লোক নাই । আল্লা মহান । তেওঁ ঠিকমতেই তোমাক ৰচুল বনাইছে ।’ এইবাৰো হজৰত মহম্মদে উত্তৰ দিলে—‘ঠিকেই বাৰু, সেয়ে হওক ।

মহম্মদৰ অনুচৰ বন্ধু এজনে তেতিয়া সুধিলে—‘তুমি দেখোন তোমাৰ অসৎ বুলি গালি পাৰিলেও ঠিক বোলা—ৰচুল বুলিলেও ঠিক বোলা। কোনটো ঠিক ?’ মহম্মদে ক’লে - ‘দুয়োটাই ঠিক। মই দুয়োৰো কাৰণে এখন আৰ্চি মাত্ৰ । মোৰ মাজেদি সিহঁতে নিজ নিজ ৰূপেহে দেখা পাইছে। হয়নে নহয় ভাবি চোৱা !’

হজৰতে তেওঁৰ প্ৰথমা পত্নী খদীজাৰ প্ৰতি শ্ৰদ্ধাপূৰ্ণ প্ৰেম প্ৰদৰ্শন কৰিছিল । বিবি খদীজাৰ মৃত্যুৰ পিছত তেওঁ যেতিয়া খদীজাৰ স্মৃতি মনলৈ আনি মাজে-সময়ে তেওঁৰ কথা প্ৰীতিপূৰ্ণ শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছিল তেতিয়া এদিন তেওঁৰ ৰূপৱতী ভাৰ্য্যা আয়েছাই ঈৰ্ষাপৰায়ণা হৈ কৈছিল, ‘খদীজা জানো বৃদ্ধা নাছিল আৰু আল্লাই জানো তেওঁৰ ঠাইত আপোনাক আজি তেওঁতকৈ ধুনীয়া আৰু উত্তম এগৰাকী দিয়া নাই ? হজৰতে উত্তৰ দিছিল—‘তেওঁতকৈ উত্তম মোৰ বাবে আৰু কোনো হ’ব নোৱাৰে । কাৰণ অন্য সকলো লোকে মোক যেতিয়া হাঁহি-ঠাট্টা কৰি গৰিহনা দিছিল, তেওঁ মোক তেতিয়া সহায় আৰু সহানুভূতিৰে মোৰ মৰহি যোৱা মনটো সজীৱ কৰি ৰাখিছিল ।

---

শ্ৰীদুৰ্গাশঙ্কৰ দেৱ শৰ্মা

# ব্যাকৰণ পুথিত থকা খেলিমেলিবোৰ

বিভিন্ন ব্যাকৰণত থকা অমিল কথাবোৰৰ কেইটামান ইয়াত উল্লেখ কৰা হ’ল । সেইবোৰ সংশোধন কৰি স্কুলীয়া শিক্ষাৰ্থীৰ বাবে এখন পূৰ্ণাঙ্গ ব্যাকৰণ পুথি যুগুত কৰিবৰ প্ৰয়োজন হৈ পৰিছে—যিখনৰ ওপৰত নিৰ্ভৰ কৰি শিক্ষক-সকলে শিক্ষা দিব পাৰে । ব্যাকৰণৰ খেলিমেলি-বোৰ প্ৰশ্ন আকাৰে ইয়াত দেখুৱা হ’ল—

(১) অসমীয়া ভাষাৰ বৰ্ণমালাত কিমানটা বৰ্ণ আছে বুলি কোনোবাই প্ৰশ্ন কৰিলে, সঠিক উত্তৰ দিবলৈ অসুবিধা হয় ; কিয়নো বিভিন্ন ব্যাকৰণত ভিন ভিন ধৰণে পোৱা যায় ।

ড় ঢ় য় ৎ ং ঃ ঁ—ইহঁত বৰ্ণমালাৰ অন্তৰ্ভুক্ত নে ?

ড় ঢ় য়—ইহঁতক যথাক্ৰমে ড ঢ য বৰ্ণৰ ৰূপান্তৰ বুলি কোৱাৰ প্ৰয়োজন কি ?

ড় ঢ় য় ৎ—ইহঁতক কিদৰে মাতিব লাগে ? ড-ৰে-ৰ অথবা ড-ই বিন্দু ৰ, ঢ-ৰে-ৰ অথবা ঢ-ই বিন্দু ৰ, অন্তঃস্থ—অ অথবা ইয়, খণ্ড-ত অথবা হসন্ত-ত ? কোনটো শুদ্ধ ?

(২) ৱ বৰ্ণৰ উচ্চাৰণ কেনেকুৱা ?

ক-মানৰ পুথিত বৰ্ণমালাৰ অন্তত পাদ-টীকাত এই বৰ্ণ ড় ঢ় য় ৎ ৱ কিদৰে মাতিব লাগে, তাৰ আভাস দি শিক্ষকলৈ টোকা দিয়াটো ভাল ।

শব্দৰ আদিত ৱ-বৰ্ণৰ উচ্চাৰণ—বৰ্গীয় বৰ্ণৰ উচ্চাৰণৰ দৰে । যেনে - ৱেদ, ৱ্যাকৰণ ? (শব্দৰ আদিত সাধাৰণতে ৱ-বৰ্ণৰ ঠাইত ব লিখা হয় ।)

শব্দত ৱ-বৰ্ণৰ প্ৰকৃত উচ্চাৰণ আৰু প্ৰয়োগ ( ডাৱৰ, ছোৱালী, তেৱোঁ, সকলোৱে, খেলুৱৈ আদি শব্দত ) দেখুৱাৰ উপৰিও শব্দৰ মাজত আৰু শেষতয়ে কেতিয়াবা ৱ-বৰ্ণৰ উচ্চাৰণ—বৰ্গীয় ব-বৰ্ণৰ উচ্চাৰণৰ দৰে হয়, তাকো কোৱা উচিত । যেনে—সম্ভৱপৰ, দিৱস, ভৱন, ভৱানী, সেৱিকা, নাৱিক, প্ৰৱেশ, পাণ্ডৱ, যাদৱ, দেৱী, পূৰবী, পৃথিৱী, বুদ্ধিজীৱী, এইভাৱে ইত্যাদি ।

(৩) শ ষ স—বৰ্ণৰ উচ্চাৰণ একে । (উচ্চাৰণত বিশেষ পাৰ্থক্য নাই, প্ৰায় প্ৰভেদ নাই, প্ৰায় একেদৰে উচ্চাৰিত হয়—এই ধৰণে থকা উচিত নহয় ।) ইহঁতৰ উচ্চাৰণ আন ভাষাৰ

উচ্চাৰণৰ লগত নিমিলে। অনা-অসমীয়া শিক্ষাৰ্থীক ইহঁতৰ শ ষ স উচ্চাৰণ লিখি শিকোৱাৰ (ইংৰাজী X-অৰ সহায় নোলোৱাকৈ) কিবা উপায় আছে নেকি? ইহঁতৰ উচ্চাৰণ কোমল হ-ৰ দৰে বুলি কোৱাটো উচিত **নহব**।

(৪) চ আৰু ছ বৰ্ণৰ উচ্চাৰণৰ মাজত প্ৰভেদ নাই। (বিশেষ পাৰ্থক্য নাই, প্ৰায় প্ৰভেদ নাই, প্ৰায় একে—এইদৰে ব্যাকৰণবোৰত পোৱা যায়। এইবোৰ ঠিক নহয়) ইহঁতৰ উচ্চাৰণ বঙলা **চ** অথবা ছ-বৰ্ণৰ **উচ্চাৰণৰ** লগত মিলে নেকি? নাইবা বঙলা শ ষ স-বৰ্ণৰ উচ্চাৰণৰ লগত মিল আছে নেকি?

অসমীয়া ভাষাত কথা কওঁতে সাধাৰণতে মূৰ্ধন্য আৰু দন্ত্য-বৰ্ণৰ উচ্চাৰণত পাৰ্থক্য নাথাকে। সচৰাচৰ দন্ত্য-বৰ্ণৰহে **উচ্চাৰণ** কৰা হয়। ট আৰু ত-বৰ্গৰ বৰ্ণৰ উচ্চাৰণৰ ক্ষেত্ৰতযে পাৰ্থক্য নাই, তাক কব লাগে।

আধ্যাত্মিক, শ্মশান আদি শব্দত ম উচ্চাৰণ কৰিব লাগেনে?

(৫) মানুহ, বিনয়, হঠাৎ আদি শব্দৰ বৰ্ণ বিন্যাস কৰোঁতে শেষত অ দেখুৱাব লাগেনে? দুই এখন ব্যাকৰণত অ দেখুৱা নাই। অ দেখুৱাব প্ৰয়োজন কি?

**(৬)** পদৰ সূত্ৰ কেবাপ্ৰকাৰে পোৱা যায়। যেনে (ক) বাক্যত ব্যৱহৃত বিভক্তিযুক্ত শব্দক পদ বোলে। (খ) বিভক্তিযুক্ত শব্দ আৰু ধাতুক পদ বোলে। (গ) বাক্যত ব্যৱহৃত শব্দক পদ বোলে। (ঘ) বাক্যত ব্যৱহাৰ হোৱা কথাৰ প্ৰত্যেকটো সৰু সৰু গাইগুটীয়া খণ্ডকে পদ বোলে।

তই ভাত খা—বাক্যত ব্যৱহৃত শব্দকেইটাত বিভক্তি যোগ হোৱা চকুত নপৰে। ৩য় আৰু ৫ম মানৰ শিক্ষাৰ্থীক ধাতু আৰু বিভক্তিৰ কথা ক'লে তেওঁলোকে বুজিবলৈ টান পাব।

'বাক্যত ব্যৱহাৰ হোৱা শব্দই পদ।' এই সংজ্ঞামতে পদ পাঁচ প্ৰকাৰ—বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া আৰু অব্যয়। অনুকাৰ অনুৰূপ শব্দক অব্যয়ৰ ভিতৰত ধৰিব পাৰিনে? শব্দৰ ভিতৰত ধাতু নপৰেনে? (নিম্ন খাপৰ ছাত্ৰক কওঁতে)।

দুটা বা ততোধিক ***শব্দ*** মিলি এটা সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিলে, বাক্য হয়। ***শব্দ*** মিলি নে ***পদ*** মিলি বাক্য হয়?

(৭) ***বিশেষণ***ৰ সূত্ৰ কেবাৰকমে পোৱা যায়। যেনে (ক) যিবিলাক শব্দে বিশেষ্যৰ গুণ প্ৰকাশ কৰে, সিহঁতক বিশেষণ বোলে (খ) যি পদে আন এটা পদৰ গুণ, অৱস্থা বা সংখ্যা প্ৰকাশ কৰে, তাক বিশেষণ পদ বোলে। (গ) যি পদে অইন কোনো পদক বিশেষ কৰে, তাক বিশেষণ পদ বোলে। (ঘ) বিশেষ্য, সৰ্বনাম আৰু ক্ৰিয়াৰ গুণ বুজুৱা পদক বিশেষণ পদ বোলা হয়। (ঙ) যি পদে আন পদৰ বিষয়ে বিশেষ বিশেষকৈ বুজায় বা বিশেষ কিবা দোষ-গুণ আদি প্ৰকাশ কৰে, তেনে পদক বিশেষণ পদ বোলে। (চ) যি পদে বিশেষ্য বা অন্য পদৰ গুণ, দোষ, সংখ্যা পৰিমাণ, অৱস্থা আদি বুজায়, তাক বিশেষণ পদ বোলে। অথবা, যি পদে বিশেষ্য বা অন্য পদক বিশেষকৈ বুজায়, তাক বিশেষণ পদ বোলে।





কোনটো সূত্ৰ উপযোগী ভাবি চাবলগীয়া কথা।

(৮) **অব্যয়ক** শব্দ বুলি নকৈ পদ বোলাহে ভাল। (৩য় আৰু ৫ম মানৰ শিক্ষাৰ্থীৰ বুজাৰ সুবিধাৰ্থে।)

(৯) বিশেষ্য, বিশেষণ, সৰ্বনাম আৰু অব্যয়ৰ **ভাগ** বেছিকৈ দেখুৱাৰ লাভ নাই (বিশেষকৈ নিম্ন খাপৰ ব্যাকৰণ পুথিত)।

কটীনত পিৰিয়দৰ সংখ্যাৰ ফালৰ পৰা চালে, ব্যাকৰণ পাঠ বহলাই শিকাবৰ সময় নিমিলে। অসমীয়া বিষয়ৰ অংশ হিচাপে ব্যাকৰণ ৰচনা শিকোৱা হয়। ভাষাটোৰ ব্যৱহাৰিক ফালটো জনাৰ বাবে আৱশ্যক হোৱা ব্যাকৰণৰ কথাখিনি শিকোৱাবহে বিশেষ প্ৰয়োজন।

(১০) 'তেওঁ ব্যায়াম কৰে। তেখেত সম্পাদক হ'ল'—এইবোৰ উদাহৰণলৈ লক্ষ্য কৰি ক্ৰিয়াৰ সংজ্ঞা দিব পাৰি—"যি পদে কোনো কাম কৰা বা হোৱা বুজায় তাক ক্ৰিয়াপদ বোলে।"

তেওঁ ব্যায়াম নকৰে। তেখেত সম্পাদক নহ'ল। তুমি নাযাবা। এইবোৰ উদাহৰণত ওপৰৰ সূত্ৰ খাপ নাখায়।

'বিভক্তিযুক্ত ধাতুক ক্ৰিয়া বোলে।' এই সংজ্ঞাটো ৩য় বা ৫ম মানৰ ছাত্ৰৰ বোধগম্য নহ'ব; কিয়নো 'তই ভাত ***খা***।' বাক্যত ***খা*** ধাতুত ক্ৰিয়াবিভক্তি যোগ হোৱা দেখা পোৱা নাই। গতিকে ক্ৰিয়া পদৰ উপযুক্ত সংজ্ঞা কিদৰে দিব পাৰি, তাক চিন্তা কৰিবলগীয়া কথা।

ভাইটিয়ে বল ***খেলিছে***। এই বাক্যত ***খেল*** ধাতু সকৰ্মক নে অকৰ্মক?

(১১) ধাতুত **ই** যোগ কৰি অসমাপিকা ক্ৰিয়া কৰা হয়। যেনে—খা+ই=খাই, আহ+ই= আহি, ল+ই=লৈ, যা+ই=গৈ।

ই কৃৎ প্ৰত্যয় নে অসমাপিকা ক্ৰিয়া বিভক্তি?

তুমি আহিলে (আহ+ইলে) মই যাম। তেওঁ আহিলত (আহ+ইলত) মই নগলোঁ। তেখেত আহিব (আহ্+ইব) পাৰে। তুমি আহোঁতে (আহ+ওঁতে) মা ঘৰত নাছিল। মই যাওঁতে (যা+ওঁতে) তোমাক নিম।

আহিলে, আহিলত, আহিব, আহোঁতে, যাওঁতে—অসমাপিকা ক্ৰিয়াপদ নহয়নে? এখন ব্যাকৰণত এইবোৰক **কৃদন্ত *পদ*** বোলা হৈছে।

হ'লে, হ'লত, হ'ব, ওঁতে—কৃৎ প্ৰত্যয় নে অসমাপিকা ক্ৰিয়া-বিভক্তি?

(১২) দ্বিকৰ্মক ক্ৰিয়াৰ মুখ্য আৰু গৌণ কৰ্ম নিৰ্ণয়ৰ ক্ষেত্ৰত বেছিভাগ ব্যাকৰণত আছে অপ্ৰাণীবাচক কৰ্মটো মুখ্য আৰু প্ৰাণীবাচক কৰ্মটো গৌণকৰ্ম। 'মই আবুক ল'ৰাটো গতালোঁ'—এই বাক্যত ওপৰত দেখুৱা যুক্তি নাখাটে।

ক্ৰিয়া পদৰ লগত ***কি*** লগাই প্ৰশ্ন কৰি কৰি পোৱা উত্তৰেই মুখ্য কৰ্ম আৰু **কাক** লগাই প্ৰশ্ন কৰি পোৱা উত্তৰেই গৌণকৰ্ম। কি গতালোঁ? 'ল'ৰাটো' (মুখ্য কৰ্ম)। কাক গতালোঁ? আবুক (গৌণ কৰ্ম)। মুখ্য কৰ্মটো সাধাৰণতে ক্ৰিয়াপদৰ ঠিক আগতে বহে আৰু তাত ২য়া বিভক্তিৰ ক উহ্য থাকে।

বাক্যৰ অৰ্থ বা ভাব ঠিক ৰাখি যিটো কৰ্ম আন ধৰণে (অন্য কাৰকত) দেখুৱাব পাৰি, সেয়ে গৌণ কৰ্ম। যেনে—মই আবুৰ

হাত্তত ( আবুক ) ল'ৰাটো গতালোঁ। অন্য উদাহৰণঃ বেপাৰীজনে মোক এটা ভাটৌ চৰাই দিছে।

(১৩) নাই, বল, থাক, আছ অনিয়মিত ক্ৰিয়া নে অনিয়মিত ধাতু ? ***আছিল*** ক্ৰিয়া পদটো ***আছে*** ক্ৰিয়া পদৰ অতীত কালৰ ৰূপ। সেইদৰে ***নাছিল*** ক্ৰিয়া পদটো ***নাই*** ক্ৰিয়াৰ অতীত কালৰ ৰূপ নেকি ? নাইবা, ***আছিল*** ক্ৰিয়াৰ আগত ***ন*** যোগ হৈ ***নাছিল*** হৈছে নেকি ?

(১৪) তেখেত ***মন্ত্ৰী*** হৈছে। এই বাক্যত ***মন্ত্ৰী অনুপূৰক*** নে ***পূৰক*** (complement) ? বাক্য বিশ্লেষণৰ ক্ষেত্ৰত আৱশ্যক হয়।

তেওঁ ***ঘৰলৈ*** গৈছে। এই বাক্যত ***ঘৰলৈ*** কোন কাৰক বুলি ছাত্ৰই প্ৰশ্ন কৰিলে, উপযুক্ত উত্তৰ কেনে হব ?

(১৫) পুৰুষৰ সংজ্ঞা দিওঁতে বক্তা আৰু শ্ৰোতাৰ সম্পৰ্ক আহি পৰে ***তুমি*** ( you ) সৰ্বনাম পদৰ বিশেষ মান্যাৰ্থে ***আপুনি*** ( you ) কোৱা হয়। গতিকে আপুনি সৰ্বনাম পদটো **দ্বিতীয় পুৰুষত** ( Second person ) দেখুৱাটো যুক্তিসঙ্গত হব। প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সলনি উত্তম, মধ্যম আৰু নাম পুৰুষ দিয়াৰ যুক্তি কি ? পুৰুষ তিনি প্ৰকাৰ বুলি কোৱাটো ভাল।

(১৬) বহুবচন বুজাবলৈ ***বোৰ*** আৰু ***বিলাক*** ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত কিবা পাৰ্থক্য আছে নে ? উদাহৰণঃ আলুবোৰ, আলুবিলাক, ল'ৰাবোৰ, ল'ৰাবিলাক।

কল***থোক*** আনা। পূজাৰ বাবে এ***থোক*** কল নিয়া। তিনি***থোক*** কল পৰিছে। কলৰ ***থোক***বোৰ সৰু সৰু।

বহুবচন বুজাবলৈ থোক, দল, পাল, জাক ব্যৱহাৰ হয় বোলা কথাষাৰ ঠিক নালাগে।

(১৭) ৰণ, কাৰণ আদি শব্দত ণত্ব বিধিৰ কোনটো নিয়ম খাটে ?

(১৮) কিছুমান ব্যাকৰণত লিঙ্গ ৩ প্ৰকাৰ আৰু কিছুমানত ৪ প্ৰকাৰ আছে। উভয়লিঙ্গৰ কথা বাদ দিয়ে কেনেকৈ ?

শিয়ালী, নাপিতনী, মিৰিয়নী প্ৰভৃতি অপ্ৰচলিত শব্দৰ প্ৰয়োজন নাই। আজিকালি মিচেচ কলিতা, মিচেচ বৰুৱা বুলি কোৱা দস্তুৰ হৈ পৰিছে। গতিকে ব্যাকৰণত কলিতানী, বৰুৱানী দাস্যা আদি শব্দৰ স্থান ক'ত ?

স্ত্ৰী. প্ৰত্যয় নী-ৰ ন মূৰ্দ্ধন্য নহয়। যেনে **কমাৰনী, কুমাৰনী** ( ব্যাকৰণমতে )। কিন্তু অভিধানত কমাৰণী, কুমাৰণী শব্দত মূৰ্ধন্য ণ থাকিলে, ছাত্ৰৰ অসুবিধা হয়।

গায়ক গায়িকা নায়ক নায়িকা **হ'ক** প্ৰত্যয় যোগ হোৱা বুলি দুই-এখন ব্যাকৰণত আছে।

কোঁচ-কুচুনী, চোৰ-চুৰুনী **উনী** প্ৰত্যয় যোগ হোৱা বুলি আছে। এইবোৰ শুদ্ধ নে ?

সভাপতি শব্দৰ স্ত্ৰীলিঙ্গত সভানেত্ৰী বুলি কোৱা ঠিক নহব।

(১৯) ব্যক্তি **নিৰ্দেশক *দাদা*** ( elder or older brother ) শব্দত সম্বন্ধবাচক প্ৰত্যয় **ৰ, ৰা, ক,** ( এৰ, এৰা এক ) যোগ দিলে, দাদাৰ, দাদাৰা, দাদাক হয়। ( এই কথাষাৰ ব্যাকৰণত থকা চকুত নপৰে। ) শুদ্ধ হৈছে নে ?

(২০) তেওঁ যায়। তেখেতে কৈছে। সি ঘৰত আছে। তুমি যাবা। ল'ৰাটো শান্ত।





—বাক্যলৈ লক্ষ্য কৰি Affirmative Sentenceৰ অসমীয়া প্ৰতিশব্দ ( স্বীকাৰাত্মক, অস্ত্যৰ্থক, সম্মতিসূচক বাক্য ) কি দিব পাৰি ?

তেওঁ নাযায়। তেখেতে নকলে। সি ঘৰত নাই। তুমি নাযাবা। ল'ৰাটো দুষ্ট নহয়। মই সাতুৰিব নোৱাৰোঁ। বাক্যলৈ লক্ষ্য কৰি Negative Sentenceৰ অসমীয়া প্ৰতিশব্দ (অস্বীকাৰাত্মক, নাস্ত্যৰ্থক, নঞৰ্থক, অসম্মতিসূচক, নিষেধাৰ্থক বাক্য ) কি দিব পাৰি ?

(২১) উত্তপ্ত, পৰন্তু, বিপজ্জাল, বৃহদংকাৰ, উচ্ছবি, বিপচ্ছান্তি, ষাচঞা, বৃহড্ঢকা প্ৰভৃতি শব্দ অসমীয়াত ব্যৱহাৰ কৰা চকুত নপৰে। এইবোৰ সংস্কৃত শব্দ অসমীয়া ব্যাকৰণত ব্যঞ্জনসন্ধিৰ ভিতৰত দিয়াৰ লাভ কি ?

(২২) এখন ব্যাকৰণত অপদান কাৰকত ৫মী বিভক্তিৰ চিন হিচাপে '**পৰা**' দেখুৱা নাই। যদি সেইটোৱেই হয়, তেনেহলে বৰ্তমানে চলিত ৫মী তৎপুৰুষ সমাসৰ সূত্ৰৰ পৰিৱৰ্তন নহবনে ? ( উদাহৰণঃ লক্ষ্যৰ পৰা ভ্ৰষ্ট = লক্ষ্যভ্ৰষ্ট। )

'গুৰুসেৱা' কি তৎপুৰুষ সমাসত ( ২য়া নে ৪ৰ্থী তৎপুৰুষ ) পৰিব ?

কৰ্মধাৰয়, দ্বন্দ্ব আদি সমাসত সমস্ত পদৰ মাজত হাইফেন লাগে নে ? ( উদাহৰণ : ৰঙা ফুল/ৰঙা-ফুল, হাতে কটা/হাতে-কটা, পাপপুণ্য/পাপ-পুন্য। )

(২৩) অসমীয়াত উপসৰ্গৰ সূত্ৰ সংস্কৃতৰ সূত্ৰৰ আহিত নহব। নি, বি, অৱ প্ৰভৃতি উপসৰ্গ বিশেষ্য, বিশেষণ আদি পদৰ আগত বহি সিহঁতৰ অৰ্থৰ পৰিৱৰ্তন ঘটায়। যেনে নাম-সুনাম, দুৰ্নাম, মান-অপমান, ধনী নিৰ্ধনী। অপি উপসৰ্গৰ প্ৰয়োগ সংস্কৃততহে আছে। যেনে—অপিচ ( Moreover )। ধাতুৰ আগত উপসৰ্গ যোগ হোৱাৰ কথা অসমীয়াত কোৱাটো জানো ঠিক হব ? পদৰ আগত নে ধাতুৰ আগত ? কোনটো সহজে বোধগম্য। উদাহৰণলৈ লক্ষ্য কৰক—নাম-সুনাম।

(২৪) **গৈ**, চোন, হক, এই অনুসৰ্গ। যেনে তুমি যোৱা**গৈ**। এইপিনে আহ**চোন**। খাওঁ**হক**। তুমি**চোন** নাহিলা। **ময়েই** ( মই + এই ) কৈছিলোঁ।

টো, খন, ডাল—প্ৰভৃতি ***নিৰ্দেশক প্ৰত্যয়*** হিচাপে প্ৰয়োগ হয়। এইবোৰে ব্যাকৰণভেদে ***উপশব্দ, অনুসৰ্গ*** নাম পাইছে। আচলতে উপশব্দ নে অনুসৰ্গ ? প্ৰয়োগ অনুসৰি দুয়োটাই শুদ্ধ নেকি ?

(২৫) বিভিন্ন ব্যাকৰণৰ কাৰক প্ৰকৰণত আছে— 'কৰ্তা কাৰকত ১মা বিভক্তি হয়।' অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা অনুমোদিত ৮ম মানৰ ব্যাকৰণ এখনত আছে '২য়া বিভক্তি যুক্ত পদ সদায় কৰ্তা হয়।' এই অসামঞ্জস্য কথাই ছাত্ৰ-শিক্ষকক বিমোৰত পেলাইছে। সেই ব্যাকৰণ খনত আছে **ছাত্ৰয়** কিতাপ পঢ়িছে। ( যদি ছপাখানাৰ ভুল নহয় )। ছাত্ৰ শব্দত শব্দ বিভক্তি ই যোগ নিদিয় যোগ দিয়াটো উচিত হব নে ? অতীতৰ সাহিত্যিকসকলৰ লিখনিত থকা **ই** বিভক্তি ( যেনে ছাত্ৰই ) বাদ দিয়াটো সম্ভৱ হবনে ?

গাধ + ক — গাধক, ঘৰ + অক = ঘৰক, গাধ + বে = গাধবে, গৰু + বে = গৰুবে, হাত + এবে = হাতেবে, তেওঁ + ক = তেওঁক, তেওঁ + লৈ = তেওঁলৈ

ঘৰ + অলৈ = ঘৰলৈ, তেওঁ + ৰ = তেওঁৰ, ঘৰ + অৰ = ঘৰৰ, হাতী + ত = হাতীত, ঘৰ + অত = ঘৰত।

—এইবোৰ লক্ষ্য কৰিলে বুজা যায়, দ্বিতীয়া বিভক্তিৰ চিন ক, অক, তৃতীয়াৰ—ৰে, এৰে, দি, এদি, ৰ—দ্বাৰা, চতুৰ্থীৰ ক, অক, লৈ, অলৈ, ষষ্ঠীৰ—ৰ, অৰ, সপ্তমীৰ—ত, অত—দুই ৰকমে যোগ হয়। প্ৰথমা বিভক্তিৰ চিন অ ই এ (ৰে, য়ে)৹ আৰু পঞ্চমী বিভক্তিৰ চিন ৰ—পৰা দিব পাৰি। শূন্য বিভক্তিৰ প্ৰয়োগ প্ৰথমা আৰু দ্বিতীয়া বিভক্তিত দেখুৱাব পাৰি।

(২৬) বহল ব্যাকৰণ, অসমীয়া ব্যাকৰণ আদিৰ মতে - কালৰ ভাগ (১) নিত্যবৰ্তমান—মই পঢ়োঁ, (২) স্বৰূপবৰ্তমান—মই পঢ়িছোঁ, (৩) স্বৰূপভূত—মই পঢ়িলোঁ, (৪) অপূৰ্ণভূত—মই পঢ়িছিলোঁ, (৫) সম্ভাব্যভূত—মই পঢ়িলোঁহেঁতেন, (৬) ভৱিষ্যৎ—মই পঢ়িম। অনুজ্ঞা (নিত্য-বৰ্তমান আৰু ভৱিষ্যত কালত)।

পঢ়িলোঁ দুই এখন ব্যাকৰণমতে ***সামীপ্য ভূত কালৰ*** ক্ৰিয়া। ডঃ বৰুৱা ১৯৬৪ চনত ঢুকাল। এই বাক্যত ***ঢুকাল*** ক্ৰিয়া-সামীপ্য ভূত কালৰ অৰ্থত ব্যৱহাৰ হোৱা যেন নালাগে।

পঢ়িছিলোঁ—দুই এখন ব্যাকৰণমতে ***স্বৰূপ ভূত কালৰ*** ক্ৰিয়া। গতিকে দেখা যায়, ইলোঁ, ইলি, ইলা কেবাখনো ব্যাকৰণমতে স্বৰূপ ভূত কালৰ আৰু আন দুই এখনৰ মতে সামীপ্য-ভূত কালৰ ক্ৰিয়া বিভক্তি। সেইদৰে ইছিলোঁ, ইছিলি, ইছিলা, ইছিল কেবাখনো ব্যাকৰণমতে অপূৰ্ণভূত কালৰ আৰু আন দুই এখনৰ মতে স্বৰূপ ভূত কালৰ ক্ৰিয়া বিভক্তি। এই বৈসম্যৰ বাবে 'পঢ় ধাতু' স্বৰূপ-ভূত কালৰ ৰূপ কৰিব দিলে, পৰীক্ষাৰ্থীয়ে কোন ধৰণে ৰূপ কৰিব? ই এটা সমস্যা হৈ পৰে।

বিভিন্ন ব্যকৰণত থকা কালৰ ভাগবোৰ দেখুৱা হ'ল—এখন ব্যাকৰণত আছে নিত্যবৰ্তমান, স্বৰূপ বৰ্তমান, ঘটিত বৰ্তমান, স্বৰূপ অতীত, সম্পূৰ্ণ অতীত, সম্ভাব্য অতীত, সাধাৰণ ভৱিষ্যৎ, ঘটি থকা ভৱিষ্যৎ।

আন এখনত—নিত্যবৰ্তমান, স্বৰূপ বৰ্তমান বা পুৰাঘটিত বৰ্তমান, সাধাৰণ অতীত বা স্বৰূপ-ভূত, অপূৰ্ণভূত বা পুৰাঘটিত অতীত, সম্ভাব্য অতীত, ভৱিষ্যৎ।

অন্য এখনত নিত্যবৰ্তমান, স্বৰূপ বৰ্তমান, চলন্ত বৰ্তমান, স্বৰূপভূত, অপূৰ্ণভূত, সম্ভাব্য-ভূত, চলন্ত অতীত, সাধাৰণ ভৱিষ্যৎ, চলন্ত ভৱিষ্যৎ।

অইন এখনত আছে অনুজ্ঞা (দশা), নিত্য-বৰ্তমান, স্বৰূপ বৰ্তমান, স্বৰূপভূত, অপূৰ্ণভূত, ভৱিষ্যৎ (সম্ভাব্য ভূত কাল নাই)।

কালৰ ভাগবোৰ আটাইবোৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ ব্যাকৰণ পুথিত একে নহলে, ক্ৰিয়াবিভক্তি দেখুৱাত অসুবিধা হয়, ছাত্ৰৰ পক্ষে জটিল হৈ পৰে। তদুপৰি এখন ব্যাকৰণত (৮ম মানৰ) ক্ৰিয়া বিভক্তিবোৰ নতুন ধৰণে ওলাইছে। উদাহৰণ স্বৰূপে: ইছিলোঁ ক্ৰিয়া বিভক্তি, সেই ব্যাকৰণখনত ইছ + ইল্ + ওঁ আছে।

কিবা পৰিবৰ্তনৰ প্ৰয়োজন হলে, বৰ্তমানৰ ৫ম মান শ্ৰেণীৰ পৰা খাপে খাপে ওপৰলৈ সংশোধন কৰি যোৱাটো ভাল। হঠাতে ৮ম মানত



পৰিবৰ্তন আনিব খোজাটো সমীচীন নহয় যেন লাগে।

(২৭) পৰীক্ষাৰ্থীৰ প্ৰশ্নোত্তৰ বহীত কেতিয়াবা কিছুমান শব্দ দুই ৰকমে পোৱা যায়। কোনটো শুদ্ধ? উদাহৰণ: উপৰোক্ত/উপৰুক্ত, ওপৰোক্ত/ওপৰুক্ত, উল্লেখিত/উল্লিখিত, বছৰেকীয়া/বছেৰেকীয়া, দুখ দুখ, দহটা/দহোটা, পাঁচটা/পাঁচোটা/পাঁচুটি, মোৰ সৈতে/মোৰে সৈতে, দেখুৱা/দেখুওৱা, বুজুৱা/বুজোৱা, ঢাকনি/ঢাকনী, তাৰোপৰি/তদুপৰি সম্ভাব্য/সাম্ভাব্য, ইও/ইয়ো, সিয়ো ইত্যাদি।

অনেক ব্যাকৰণত অশুদ্ধ ৰূপটো দিয়া আছে। ব্যাকৰণ পুথিত অশুদ্ধ ৰূপ দি শুদ্ধ কৰিবলৈ (correct the following) প্ৰশ্ন দিয়াটো সমীচীন নহয়। এই কাৰণে ওপৰত দেখুৱা শব্দবোৰ প্ৰচলন হল নেকি?

ব্যাকৰণ পুথিবোৰত বিভিন্ন ধৰণৰ খেলিমেলি থকা বাবে স্কুলীয়া পৰ্য্যায়ত ব্যাকৰণৰ পাঠদানত অসুবিধা পোৱা গৈছে। আগেয়ে ভাষা, তাৰ পাছতহে ব্যাকৰণ। আমাৰ ভাষাটো শুদ্ধৰূপে ব্যৱহাৰ কৰাৰ যোগ্যতা অৰ্জন কৰাৰ বাবে ব্যাকৰণৰ ব্যৱহাৰিক ফালটো শিকোৱাত বিশেষ জোৰ দিয়াটো প্ৰয়োজন। *

---

* অসমীয়া ব্যাকৰণ, বহল ব্যাকৰণ, আধুনিক অসমীয়া ভাষাৰ ব্যাকৰণ, উজু ব্যাকৰণ, অমৃত ব্যাকৰণ, অসমীয়া ভাষাবোধ ব্যাকৰণ, অসমীয়া ভাষা শিকা ব্যাকৰণ, আধুনিক অসমীয়া ব্যাকৰণ, অসমীয়া ল'ৰাৰ ব্যাকৰণ, অসমীয়া গোলোক ব্যাকৰণ, ব্যাকৰণমঞ্জুৰী, সহজ ব্যাকৰণ, অসমীয়া ব্যাকৰণ পৰিচয়, নতুন অসমীয়া ভাষাৰ ব্যাকৰণ, আদৰ্শ ব্যাকৰণ, নতুন ব্যাকৰণ, সৰল প্ৰাথমিক ব্যাকৰণ, ছাত্ৰবোধ ব্যাকৰণ, অসমীয়া ব্যাকৰণ জ্যোতি, অসমীয়া ভাষা পৰিচয়, আদৰ্শ ব্যাকৰণ ৰচনা অনুবাদ, অসমীয়া ব্যাকৰণ-ৰচনা, ৰচনা-চয়ন, Assamese Grammar & Origin of Assamese Language আদিৰ উপৰিও সংস্কৃত, বঙলা আদি ভাষাৰ ব্যাকৰণ পুথি আলোচনা কৰিবলগীয়া।

# ॥ অসম সাহিত্য সভাৰ তিতাবৰ অধিবেশনৰ কাচিয়লি ৰ'দত ॥

### *আগলিকা*

যোৱা পাঁচটা দশকতকৈও অধিক কাল অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি তথা জাতীয়তাৰ সবল নেতৃত্ব দি অহা অসমৰ একমাত্ৰ বিশাল জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ দ্বিচত্বাৰিংশ সন্মিলন পোন প্ৰথমবাৰৰ কাৰণে কৃষি, শিল্প আৰু প্ৰাকৃতিক সম্পদত চহকী সাহিত্য, সংস্কৃতি আৰু বুৰঞ্জীয়ে পৰশা তিতাবৰ চহৰত ১৯৭৫ খৃষ্টাব্দৰ ২০ ফেব্ৰুৱাৰীৰ পৰা ২৩ ফেব্ৰুৱাৰীলৈকে অসমৰ এগৰাকী প্ৰথিত-যশা পণ্ডিত আৰু গৱেষক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰবীন্দ্ৰনাথ অধ্যাপক ডঃ সত্যেন্দ্ৰনাথ শৰ্মাৰ পৌৰোহিত্যত হৈ যায়। এই সন্মিলন উপলক্ষে সাহিত্য সভাই গ্ৰহণ কৰা বিস্তৃত কাৰ্য্যসূচীৰ মাজত সভাই গ্ৰহণ কৰা আৰু আলোচনা কৰা প্ৰস্তাৱসমূহৰ মাজেদি সাহিত্য সভাৰ তথা অসমীয়া বুদ্ধি-জীৱিৰ দৃষ্টিভঙ্গীৰ প্ৰকাশ ঘটা পৰিলক্ষিত হয়। এই কথা নকলেও হ'ব যে পঞ্জাব বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য এগৰাকী বুৰঞ্জীবিদ পণ্ডিত চৰ্দাৰ কৃপাল সিং নাৰঙ্গৰ দ্বাৰা সভা উদ্বোধন আৰু তেৰ গৰাকী সাহিত্যিকক জনোৱা বিশেষ সম্বৰ্ধনা অনুষ্ঠান এই সন্মিলনৰ অন্যতম বৈশিষ্ট্য আছিল।

### *বিষয় বাছনি সভাৰ বেঙুনি*

নন্দনাথ শইকীয়া কলেজ খেল পথাৰ আৰু মিহিৰাম শইকীয়া স্কুল খেল পথাৰে দিনদিয়েকৰ কাৰণে হলেও স্বকীয় বৈশিষ্ট্য হেৰুৱাই ৰূপান্তৰিত হ'ল সাহিত্য ক্ষেত্ৰলৈ। সৰু চহৰ তিতাবৰ জন-সমুদ্ৰত পৰিণত হ'ল। সাহিত্য সংস্কৃতিৰ পূজাৰী আৰু প্ৰেমিকৰ দলদোপ দেন্দোল-দোপৰ মাজত ২০ ফেব্ৰুৱাৰীৰ দিনা গধূলি ৬ বজাত মিহিৰাম শইকীয়া উচ্চ-মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিষয় বাছনি সভাৰে সন্মিলনৰ পাতনি মেলা হয়। এক আনন্দমধুৰ পৰিৱেশৰ মাজত দ্বিচত্বাৰিংশ তিতাবৰ সন্মিলনৰ নব-নিৰ্বাচিত সভাপতি ডঃ সত্যেন্দ্ৰনাথ শৰ্মাক অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীচক্ৰেশ্বৰ শইকীয়া আৰু সম্পাদকে সভাস্থলীলৈ আগবঢ়াই আনে আৰু সমৱেত প্ৰতিনিধিবৰ্গই থিয় হৈ সাদৰ সম্ভাষণ জনায়। বিষয় বাছনি সভা পৰিচালনাৰ বাবে প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই ডঃ সত্যেন্দ্ৰনাথ শৰ্মাক আহ্বান জনায়। যথাবিহিত নিয়মেৰে সভাপতিয়ে আসন গ্ৰহণ কৰি সমৱেত প্ৰতিনিধি-সকললৈ সম্ভাষণ জ্ঞাপন কৰে আৰু সভাৰ কাম সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰিবলৈ প্ৰতিনিধিবৰ্গলৈ সাদৰ আহ্বান জনায়। তিতাবৰ অধিবেশনৰ সময়লৈকে মৃত্যুবৰণ কৰা ৰৰেণ্য ব্যক্তি সকললৈ এটি প্ৰস্তাৱ যোগে গভীৰ শ্ৰদ্ধা নিবেদন কৰি প্ৰধান সম্পাদকে দাঙি ধৰা




নিৰ্দ্ধাৰিত কাৰ্য্যসূচী অনুসৰি বিষয় বাছনি সভা আৰম্ভ হয়। উপক্ৰমণিকা, প্ৰস্তাৱ প্ৰসঙ্গ, আঁচনি আৰু কাম, প্ৰকাশনৰ কাম, পুনৰ মুদ্ৰন, 'অসম সাহিত্য সভা পত্ৰিকা', জন্ম-শতবাৰ্ষিকী উৎসৱ, অসমৰ দ্বিতীয় লেখক শিবিৰ, ভাষাজ্ঞান শিক্ষাৰ প্ৰশিক্ষণ কেন্দ্ৰ, সম্প্ৰীতি মেল আৰু ভ্ৰমণ, সাহিত্য সভা সপ্তাহ, সাহিত্য সভাৰ বঁটা, অন্যান্য সাহিত্য বঁটা, সভালৈ দান, তদন্ত সমিতি, বান-পানী সাহায্য পুঁজি, সভাৰ আৰ্থিক অৱস্থা, শাখা সভাৰ বাতৰি সমন্বিতে প্ৰধান সম্পাদকে দাঙি ধৰা কাৰ্য্য-বিৱৰণী সংশোধনীসহ সভাত গৃহীত হয়। প্ৰধান সম্পাদকৰ প্ৰতিবেদনত অসম সাহিত্য সভাৰ বছৰটোৰ কামৰ খতিয়ান আৰু অনুষ্ঠানৰ দৃষ্টিভঙ্গীৰ সুস্পষ্ট আভাস পোৱা যায়। এই বিষয় বাছনি সভাতে সভাৰ কাম-কাজ, আয়-ব্যয় আৰু দৃষ্টিভঙ্গীৰ পূৰ্ণ আলোচনা হয়। ৪১০ খন শাখা সভাৰ ৬৩০ গৰাকী প্ৰতিনিধিয়ে বিষয় বাছনি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

### *দুহাতৰ সুকঠোৰ কৰ্মৰ দ্বাৰা জনজীৱনক সমৃদ্ধ কৰি তোলক*

২১ ফেব্ৰুৱাৰী। ফৰকাল বতৰ। চিৰ সেউ-জীয়া প্ৰাকৃতিক পৰিৱেশ আৰু মিঠা ৰ'দালি পুৱা ৭.৩০ বজাত অসম সাহিত্য সভাৰ বিদায়ী সভাপতি ডঃ মহেশ্বৰ নেওগে সাহিত্য প্ৰেমী ৰাইজৰ মাজেদি বাট ফালি আহি চিৰচেনেহী ভাষা জননীৰ পবিত্ৰ পতাকা পোন প্ৰথমবাৰৰ বাবে "পতাকা অভিবাদন" শীৰ্ষক এটি চমু লিখিত ভাষণেৰে উত্তোলন কৰে। অসমৰ সংহতি ৰক্ষাৰ প্ৰশ্ন, বিদ্যাভিত্তিক দিশৰ ফালৰ পৰা লিপি সমস্যাৰ সমাধান সূত্ৰ উদ্ধাৰন কৰিবলৈ বৰোসকলক জনোৱা সময়োপযোগী আন্তৰিক গোহাৰি, আজিকালি পঢ়াশালিৰ পৰা চাংমাই শাললৈকে ৰাজনীতিয়ে শিপাই ধৰাৰ পৰিণামৰ উল্লেখ আৰু দুহাতৰ সুকঠোৰ কৰ্মৰ দ্বাৰা জনজীৱনক সমৃদ্ধ কৰি তোলাৰ উদাত্ত আহ্বান ডঃ নেওগৰ ভাষণৰ মাজেদি প্ৰধ্বনিত হয়।

### *তিতাবৰ স্মৃতি*

পতাকা উত্তোলন অনুষ্ঠানৰ পিছত শিক্ষাবিদ শ্ৰীযজ্ঞেশ্বৰ শৰ্মাই অনুষ্ঠানিকভাৱে উন্মোচন কৰা কৰা অভ্যৰ্থনা সমিতিৰ পক্ষৰ হৈ শ্ৰীসুৰেন বৰদলৈ সম্পাদিত ২১৬ পৃষ্ঠাৰ ওঠৰটা তথ্যাগধুৰ প্ৰবন্ধৰ "তিতাবৰ স্মৃতি" নামৰ স্মৃতিগ্ৰন্থখনিয়ে অসমৰ সাহিত্য সংস্কৃতি আৰু জাতীয় আন্দোলনৰ বুৰঞ্জীত তিতাবৰ অঞ্চলৰ প্ৰকৃত স্থান নিৰ্ণয় কৰাত সফল হোৱা বুলি ন-দি ক'ব পাৰি।

### *শ্ৰীভৱেন নাৰ্জাৰীৰ প্ৰেৰণাময়ী আহ্বান*

অভ্যৰ্থনা সমিতিৰ পক্ষৰ হৈ শ্ৰীআব্দুছ চাত্তাৰ সম্প্ৰাদিত অসমৰ ষোলগৰাকী লিখকৰ সাৰুৱা প্ৰবন্ধৰ সংকলন 'সপ্তম দশকৰ অসমীয়া ভাষা সাহিত্যৰ ইতিবৃত্ত' নামৰ পুথিখন উন্মোচন কৰি অসমীয়া জন-সংস্কৃতিৰ এগৰাকী আজীৱন গৱেষক শ্ৰীভৱেন নাৰ্জাৰীয়ে উল্লেখ কৰা "অসম সাহিত্য সভাই আজি ছুবছৰৰ পৰা অসমৰ জন-জাতিৰ ভাষা সংস্কৃতিৰ বিকাশৰ কাৰণে যি দায়িত্ব মূৰ পাতি লৈছে ই অতিশয় প্ৰশংসনীয়। অসমৰ বিভিন্ন জন-গোষ্ঠীৰ নিজৰ নিজৰ ভাষা

সাহিত্যৰ সম্পদবোৰ অসমীয়া ভাষাৰ মাধ্যমেৰে লিখি উলিয়াব পাৰিলে অসমৰ ইটো জন-গোষ্ঠীৰ লগত সিটো জন-গোষ্ঠীৰ ভাবৰ আদান-প্ৰদান পাৰস্পৰিক বুজা-পৰাৰ উপৰিও আন্তৰিক মিলা-প্ৰীতিৰ সমল যোগাব।" —এই আহ্বান আছিল অতিশয় অনুপ্ৰেৰণাদায়ক।

## প্ৰদৰ্শনী—মেলা নহয়

সেইদিনাই দিনৰ ৯ বজাত অসমৰ শিক্ষা-মন্ত্ৰী শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰে তিনিকুৰি দহটা ষ্টলৰে আটকধুনীয়াকৈ সজোৱা সাহিত্য ক্ষেত্ৰৰ বিশেষ আকৰ্ষণ শিক্ষা আৰু সংস্কৃতি-মূলক প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰি প্ৰদৰ্শনীৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি "পুৰণিৰ লগত নতুনৰ, অক্ষমতাৰ লগত কৰ্ম তৎপৰতাৰ, অসুন্দৰৰ লগত দৃঢ়তাৰ সম্যক তুলনা কৰি নতুন আশাৰ সঞ্চাৰ কৰিবলৈ প্ৰদৰ্শনীৰ প্ৰয়োজন অত্যন্ত গুৰুত্বপূৰ্ণ। প্ৰদৰ্শনী মেলা নহয়। বাস্তৱ আৰু কুশলতাৰে দেশবাসীৰ লগত দেশৰ উন্নতি আৰু সাফল্যক সন্মিলিত কৰা ইয়াৰ প্ৰধান লক্ষ্য" বুলি আগবঢ়োৱা মন্তব্যটি মন কৰিবলগীয়া। আশা কৰামতে এই প্ৰদৰ্শনীয়ে অসমীয়া সাহিত্য সংস্কৃতি ঐতিহ্য আৰু পৰম্পৰাৰ এখন ধাৰাবাহিক ছবি দাঙি ধৰিব পৰা নাছিল যদিও ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগীয় কাম-কাজৰ খতিয়ান দাঙি ধৰিবলৈ সততে যত্ন কৰা দেখা গৈছিল। অসম সাহিত্য সভাৰ আঠ হাজাৰ টকা আৰু অসম প্ৰকাশন পৰিষদৰ ছাব্বিশ হাজাৰ টকা ধৰি তিনি দিনৰ ভিতৰত সত্তৰ হাজাৰতো অধিক টকাৰ মুল্যৰ পুথি বিক্ৰী হোৱা ঘটনাই অসমীয়া পঢ়ুৱৈ সমাজৰ সংখ্যা বৃদ্ধিৰ মূল্যায়ন দাঙি ধৰে। সাহিত্য সভাৰ তিতাবৰ অধিৱেশনক উপলক্ষ্য কৰি ন-পুৰণি লিখক-লিখিকাৰ অসংখ্য পুথি আৰু ভালেমান আলোচনী প্ৰকাশ হোৱাটো অতি শুভ লক্ষণ।

## সাহিত্যিক সম্বৰ্ধনা

সেইদিনা বিয়লি সাহিত্য ক্ষেত্ৰৰ মুকলি মঞ্চত শ্ৰীহৰিপ্ৰসাদ ৰায়ৰ পৌৰহিত্যত অনুষ্ঠিত এক অনুষ্ঠানত আত্ম-প্ৰচাৰ নিবিচৰাকৈ নীৰৱে অসমীয়া ভাষা সাহিত্যৰ আজীৱন সেৱা কৰি অহা হৰিপ্ৰসাদ ৰায়, নৱকান্ত বৰুৱা, সীতানাথ ব্ৰহ্মচৌধুৰী, দণ্ডিধৰ ফাটুৱালী, দীন-নাথ শৰ্মা, গোবিন্দচন্দ্ৰ পৈৰা, সুৰেন্দ্ৰনাথ শইকীয়া, তৰুণচন্দ্ৰ পামেগাম, অতুলচন্দ্ৰ বৰুৱা, ৰাজেন ৰাভা, লংকাম তেৰণ, বিপুনাথ বুঢ়াগোহাঁই আৰু মণি ৰাভাক প্ৰশংসন পত্ৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানটিয়ে সাহিত্য সভাৰ তিতাবৰ অধি-বেশনৰ গুণগত মূল্য বৃদ্ধি কৰে। সমাদৰ আৰু সম্বৰ্ধনাৰ উত্তৰত সম্বৰ্ধিত ব্যক্তিসকলে দেশৰ উঠি অহা ছামক নীৰৱে সাহিত্য সেৱাত ব্ৰতী হৈ মানৱতাৰ বাণী বিলাবলৈ আন্তৰিকতাৰে আহ্বান জনায়।

## সংস্কৃতিৰ পথাৰত নতুন খোজ

নিশা ৭-৩০ বজাত শ্ৰীসত্যপ্ৰসাদ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সঙ্গীত অধিৱেশন মুকলি কৰে অসমৰ তথ্য, জন-সংযোগ, সাংস্কৃতিক পৰিক্ৰমা আৰু গৃহমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই। শ্ৰীশইকীয়াই "সংস্কৃতিৰ পথাৰত নতুন খোজ"



শীৰ্ষক অভিভাষণখনিয়ে অসমীয়া সংস্কৃতিৰ স্বৰূপ আৰু অসমৰ সাহিত্য সংস্কৃতিৰ উন্নয়ণৰ হকে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা আঁচনিৰ আভাস পোৱা যায়।

সভাপতিৰ অভিভাষণত শ্ৰীবৰুৱাই অসমৰ সাংস্কৃতিক জগতত দেখা দিয়া নৱ-জাগৰণৰ ক্ষেত্ৰত আনুষ্ঠানিক ৰৰঙণিৰ কথা উল্লেখ কৰি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয় গঠনৰ প্ৰয়ো-জনীয়তা সদৰিকৈ বুজাই দিয়ে। অসমৰ বোল-ছবি আৰু নাট্য আন্দোলন অধিক উন্নত কৰি তোলাৰ ক্ষেত্ৰত শ্ৰীবৰুৱাই অসমৰ বিহু আৰু লোকগীত আৰু লোক-নৃত্যৰ আধুনিককৰণ, ৰবীন্দ্ৰ ভৱনক কেন্দ্ৰ কৰি নেচনেল থিয়েটাৰ গঢ়ি তোলা, জনতা চিনেমা ঘৰ স্থাপন, অসমীয়া কথাছবিৰ ডাবিং বা পেৰাডাবিং কৰা আদি ভালেমান বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়।

তিনদিন ধৰি সাহিত্য ক্ষেত্ৰত অনুষ্ঠিত হোৱা স্থানীয় আৰু অতিথি শিল্পীসকলৰ সাংস্কৃতিক অনুষ্ঠানে তিতাবৰ অঞ্চল আনন্দমুখৰ কৰি তুলিছিল। প্ৰতিনিধি শিবিৰৰ ঠায়ে ঠায়ে প্ৰদৰ্শন কৰা কথাছবিবিলাক আছিল শিশুসকলৰ বিশেষ আকৰ্ষণ।

## দ্বিতীয়বাৰৰ কাৰণে অসমীয়া সংবাদ সাহিত্যৰ বিষয়ে আলোচনা

২২ ফেব্ৰুৱাৰীৰ কাৰ্য্যসূচী আৰম্ভ হয় পুৱা ৮ বজাত শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ সভাপতিত্বত "অসমীয়া সংবাদ সাহিত্য" শীৰ্ষক আলোচনা-চক্ৰৰে। অসম সাহিত্য সভাৰ ১৯৬৬-৬৭ খৃষ্টীয় বৰ্ষত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা চতুত্ৰিংশ সন্মিলনৰ পিছত তিতাবৰ অধিৱেশনত দ্বিতীয় বাৰৰ কাৰণে অসমীয়া সংবাদ সাহিত্যৰ ওপৰত আলোচনাচক্ৰ অনুষ্ঠিত হয়। সভাপতিৰ ভাষণত শ্ৰীভট্টাচাৰ্য্যই ভাৰতীয় তথা আন্তৰ্জাতিক সংবাদ সাহিত্যৰ পটভূমিত অসমীয়া সংবাদ সাহিত্যৰ ভাষাগত, বৃত্তিগত আৰু সংগঠনত সমস্যাবোৰ দাঙি ধৰে। আলোচনাত যোগদান কৰি শ্ৰীযোগেশ দাসে অসমীয়া সংবাদ সাহিত্যৰ চমু ইতিবৃত্ত আৰু শ্ৰীহেৰম্ব বৰদলৈয়ে ডিব্ৰুগড় জিলাৰ অসমৰ সংবাদ সাহিত্যলৈ বৰঙণি শীৰ্ষক এটি চমু প্ৰবন্ধ পাঠ কৰে। যোগদানকাৰী সংবাদ-সেৱীৰ সংখ্যা তাকৰ হোৱাত আলোচনা চক্ৰৰ সজীৱতা হ্ৰাস পোৱা পৰিলক্ষিত হৈছিল।

## সভাপতিৰ শোভাযাত্ৰা : অসম সাহিত্য সভাৰ ভাবমূৰ্তি

সেইদিনা দিনৰ ১১ বজাত তিতাবৰ চাৰি আলিৰ ডাক বঙলাৰ পৰা সাহিত্য সভাৰ সন্মানিত সভাপতিৰ শোভাযাত্ৰা আৰম্ভ হয়। এখন সু-সজ্জিত গাড়ীত সভাপতি ডঃ শৰ্মাক অভ্যৰ্থনা সমিতিৰ কাৰ্যাকৰী সভাপতি অসম বিধান সভাৰ সদস্য শ্ৰীজয়চন্দ্ৰ ৰৰা আৰু তিতাবৰ সাহিত্য সভাৰ সভাপতি শ্ৰীসভাৰাম দাসে সাদৰ সম্ভাষণ জনাই আগবঢ়াই আনে আৰু মুগাৰ সাজপাৰ পৰিধান কৰা ৪২ গৰাকী ছোৱালী, গায়ন-বায়ন, বেণ্ড প্লেটোন, সংকীৰ্তন আৰু ডেৰ মাইল জোৰা অগণন ৰাইজে সভাপতিদেৱক অনুসৰণ কৰি গৈ থাকোঁতে তিতাবৰ চহৰৰ

প্ৰধান প্ৰধান পথবোৰৰ দুয়োকাষে শাৰীপাতি থকা হাজাৰ-বিজাৰ ৰাইজে হাতযোৰকৈ আৰু মহিলাসকলে মাঙ্গলিক উৰুলি ধ্বনিৰে স্বাগত জনোৱাৰ সময়ত সম্পূৰ্ণ শৃঙ্খলতা বিৰাজ কৰিছিল। অসম সাহিত্য সভাৰ তিতাবৰ অধিৱেশনৰ সভাপতি আৰু অভ্যাগতসকলক স্বাগত সম্ভাষণ জনাবলৈ তিতাবৰবাসী ৰাইজে চকুত লগাকৈ নিৰ্মাণ কৰা তীৰ্থনাথ গোস্বামী, বাহাদুৰ গাওঁবুঢ়া, ৰোহিনীকান্ত হাতীবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা তোৰণ নামেৰে কেইখনো তোৰণ নিৰ্মাণ কৰা হৈছিল। তোৰণৰ সাজোন কাচোনৰ মাজেদি সহৃদয় ৰাইজৰ আন্তৰিকতা প্ৰকাশ পালেও পদ্মনাথ গোহাঞিবৰুৱা তোৰণখন চাপৰ হোৱাটো আৰু এখন তোৰণত ভুলকৈ লিখা দুই এটা কথা দৰ্শকৰ চকুত নপৰাকৈ নাছিল। সাহিত্যক্ষেত্ৰৰ মুকলি সভা-মণ্ডপত সভাপতি ডঃ শৰ্মা আৰু মুখ্য অতিথি শ্ৰীচৰ্দাৰ কৃপাল সিং নাৰঙ্গ সোমাই আহোঁতে অগণন ৰাইজ থিয় হৈ সম্বৰ্ধনা জনোৱাৰ পৰত ফুটি উঠা গাম্ভীৰ্য্যপূৰ্ণ পৰিৱেশে সকলোৰে অন্তৰত অসম সাহিত্য সভাৰ ভাবমূৰ্তিৰ স্বৰূপ দাঙি ধৰিছিল।

### অসম আৰু পঞ্জাৱৰ মাজত সাংস্কৃতিক বিনিময়ৰ আলোচনা : ঐতিহাসিক মুকলি অধিৱেশন : গতানুগতিকতাৰ পৰা আঁতৰি আহিবলৈ সভাপতিদেৱৰ উদাত্ত আহ্বান :

সেইদিনা দিনৰ ১-৩০ বজাৰ পৰা আৰম্ভ হোৱা মুকলি অধিৱেশনৰ কাৰ্য্য-সূচীৰ প্ৰধান বিষয়বোৰ আছিল আৱাহন-পত্ৰ প্ৰদান, মুখ্য অতিথিৰ ভাষণ, অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ, শোক প্ৰস্তাৱ গ্ৰহণ, প্ৰতীক প্ৰদান, বিশিষ্ট অতিথিসকলৰ পৰিচয়-দান, শুভেচ্ছাবাণী পাঠ, প্ৰধান সম্পাদকৰ প্ৰতিবেদন পাঠ, সভাৰ প্ৰকাশনৰ উন্মোচন আৰু সভাপতিৰ অভিভাষণ।

উদ্বোধনী ভাষণ প্ৰসঙ্গত মুখ্য অতিথি শ্ৰীনাৰাঙ্গে একাধিক মন্তব্য দাঙি ধৰিলেও অসম আৰু পঞ্জাৱৰ মাজত সাংস্কৃতিক বিনিময়ৰ যথেষ্ট সুবিধা থকাৰ কথা আৰু শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু গুৰু নানকৰ গবেষণাৰ বিষয়ে ফেলশ্বিপ প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে পঞ্জাৱ বিশ্ববিদ্যালয় আৰু পঞ্জাৱ চৰকাৰে গ্ৰহণ কৰা আঁচনি আৰু প্ৰসঙ্গক্ৰমে অসমত থকা শিখ আৰু পাঞ্জাৱীসকলৰ সমাজতাত্ত্বিক অধ্যয়ন কৰাৰো থল আছে বুলি কৰা মন্তব্য কেইটিক ঐতিহাসিক মন্তব্য বুলি আখ্যা দিব পাৰি।

ডঃ শৰ্মাৰ ২৫ পৃষ্ঠাৰ সভাপতিৰ অভিভাষণখন বাস্তৱমুখী হৈছিল আৰু গঠনমূলক দৃষ্টিভঙ্গী প্ৰকাশ পাইছিল। মেলামুখী সাহিত্য সভাৰ সপক্ষে সবল যুক্তি দাঙি ধৰা, অসমৰ অখণ্ডতা ৰক্ষা কৰা অসমৰ উপ-ভাষাভাষী আৰু মূলতঃ অসমীয়া ভাষীসকলৰ পৰস্পৰে পৰস্পৰৰ প্ৰতি গ্ৰহণ কৰিব লগীয়া মহান দৃষ্টিভঙ্গী, অসমৰ লিপি সমস্যা সমাধানৰ সূত্ৰ, অসম আৰু অসমীয়াৰ অবিচ্ছেদ্য অঙ্গ চাহবাগিচাৰ বনুৱাসকলৰ উত্তৰোত্তৰ উন্নতিৰ অৰ্থে অসম সাহিত্য সভাই গ্ৰহণ কৰিবলগীয়া কাৰ্য্য পন্থাৰ আভাষ, অসমীয়া পুথি প্ৰকাশৰ ক্ষেত্ৰত অসম সাহিত্য সভা, অসম প্ৰকাশন



পৰিষদ, গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাজত সমন্বয় ৰক্ষাৰ প্ৰয়োজনীয়তা, অসম শাসকীয় ভাষা অধিনিয়ম মহকুমা পৰিষদৰ পৰা সচিবালয় পৰ্য্যন্ত সঞ্চালনিভাৱে বলৱত হোৱাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ আৰু অসমবাসী ৰাইজৰ পৱিত্ৰ ভূমিকা আৰু অসমৰ সাহিত্যিকসকলক জন-জীৱনৰ লগত নিবিড় সম্পৰ্ক স্থাপন কৰি অসমীয়া ভাষাত কালজয়ী সাহিত্য ৰচনা কৰিবলৈ জনোৱা আন্তৰিক আহ্বানৰ কথা উল্লেখ কৰি সভাপতিৰ আসনৰ পৰা ডঃ শৰ্মাই গতানুগতিক ৰীতিক পৰিহাৰ কৰিবলৈ জনোৱা আহ্বান আৱেগময়ী নাছিল, সুদূৰ প্ৰসাৰি আছিল।

প্ৰধান সম্পাদকৰ প্ৰতিবেদনত যোৱা বছৰটোত কৰা কামকাজৰ যি খতিয়ান দাঙি ধৰিছিল তাত অসম সাহিত্য সভাই প্ৰকাশ কৰা ১৮ খন গ্ৰন্থ, সভাই আয়োজন কৰা লিপি সম্পৰ্কীয় লেখক শিবিৰ, কাছাৰত আৰম্ভ কৰা ভাষাজ্ঞান প্ৰশিক্ষণ কেন্দ্ৰ, ৰাধাকান্ত সন্দিকৈ গৱেষণা কেন্দ্ৰ স্থাপনৰ আঁচনি, মাধ্যম আৰু ৰাজ্যভাষা সম্পৰ্কে অসম সাহিত্য সভাই গ্ৰহণ কৰি অহা দৃষ্টিভঙ্গি প্ৰকাশ পাইছিল।

### : সাহিত্য ক্ষেত্ৰ, লোক ক্ষেত্ৰ :

সেইদিনা সাহিত্যক্ষেত্ৰ লক্ষ্যাধিক লোকেৰে জন-সমুদ্ৰত পৰিণত হৈছিল। সাহিত্য সভা চাবলৈ অহা ৰাইজৰ উলহ-মালহ ইমান বেছি হৈ পৰিছিল যে নিয়ন্ত্ৰণৰ বাহিৰ হৈ পৰা পৰিলক্ষিত হৈছিল। দৰ্শক সকলৰ অনেকে সাহিত্য ক্ষেত্ৰক 'তীৰ্থক্ষেত্ৰ' 'লোক ক্ষেত্ৰ' বুলি অভিহিত কৰিছিল।

### : কবিৰ গুঞ্জন : অসমীয়া কবিতাত মাৰ্ক্সীয় দৰ্শন :

সেইদিনা গধূলি ৬-৩০ বজাত মুকলি মঞ্চত শ্ৰীকেশৱ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা কবিতা অধিৱেশনত ন-পুৰণি বাৰ গৰাকী কবিয়ে যোগদান কৰাৰ উপৰিও অধ্যক্ষ শ্ৰীবীৰেন বৰকটকীয়ে অসমীয়া কবিতাৰ বিষয়ে আলোচনামূলক প্ৰবন্ধ পাঠ কৰাত কবিতা অধিৱেশনৰ বিষয়-বস্তু অধিক বোধগম্য হৈ পৰে। সভাপতিৰ ভাষণত শ্ৰীমহন্তই কবি আৰু কবিতাৰ নিজস্ব বৈশিষ্ট্যবিলাক আলোচনা কৰাৰ লগতে অসমীয়া কাব্য সাহিত্যত মাৰ্ক্স আৰু লেনিনৰ জীৱন দৰ্শনৰ প্ৰভাৱৰ কথা সদৰিকৈ উল্লেখ কৰে।

### : চিন্তা চৰ্চাৰ অলংঘনীয় প্ৰাক্‌চৰ্ত :

"অসমীয়া ভাষা আৰু সংস্কৃতি গঠনত বিভিন্ন জনগোষ্ঠীৰ অৱদান" শীৰ্ষক আলোচনা চক্ৰেৰে ২৩ ফেব্ৰুৱাৰী কাৰ্য্যসূচী আৰম্ভ হয়। ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সময়োপযোগী আলোচনা-চক্ৰ উদ্বোধন কৰি শ্ৰীমেদিনী চৌধুৰীয়ে "এটা জাতিৰ সংস্কৃতি বিশ্লেষণ কৰিবলৈ যোৱাৰ আগতে সেই জাতিৰ জন-সাধাৰণক ঘনিষ্ঠভাৱে জানিব লাগিব। জন-সংযোগ সাংস্কৃতিক চিন্তা-চৰ্চাৰ এক অলংঘনীয় প্ৰাক্‌চৰ্ত বুলি দাঙি ধৰা মন্তব্যটি মন কৰিবলগীয়া। উদ্বোধক আৰু নিৰ্দিষ্ট বক্তা

শ্ৰীলীলা গগৈৰ সাৰুৱা ভাষণ আৰু ডঃ গোস্বামীৰ পাণ্ডিত্যপূৰ্ণ অভিভাষণে আলোচনা চক্ৰৰ বিষয়-বস্তুৰ ওপৰত গভীৰ আলোক পাত কৰা স্বত্বেও সেইদিনা শ্ৰোতাৰ উপস্থিতি সন্তোষজনক নোহোৱাতো পৰিতাপৰ কথা বুলি কব লাগিব। সাহিত্য সভাৰ তিতাবৰ অধিৱেশনৰ কাৰ্য্যসূচীৰ ভিতৰত বুৰঞ্জী সন্মিলন অন্তৰ্ভূক্ত কৰা হোৱা নাছিল।

## *তিনিটা প্ৰস্তাৱেৰে অধিৱেশনৰ সামৰণি*

সেইদিনা দিনৰ ১-৩০ বজাত অনুষ্ঠিত হোৱা মুকলি অধিৱেশনৰ কাৰ্য্যসূচীৰ ঘাই বিষয়বোৰ আছিল শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া, মহেন্দ্ৰ বৰঠাকুৰ, টালি কাৰ্ল আৰু বেঞ্চা তাছালৈ যথাক্ৰমে হৰি-প্ৰসাদ নেওগ সোঁৱৰণী বটা, ডিগবই সাহিত্য সেৱা সমিতিয়ে আগবঢ়োৱা বটা, হৰিহৰ চৌধুৰী বটা আৰু বনমালী শইকীয়া বটা প্ৰদান অনুষ্ঠান, মুখ্য অতিথিৰ ভাষণ, প্ৰস্তাৱ গ্ৰহণ, বিশিষ্ট অতিথিসকলৰ ভাষণ, পুৰণি কাৰ্য্য-নিৰ্বাহকৰ পদত্যাগ আৰু নতুন কাৰ্য্য-হিৰ্বাহকৰ নাম ঘোষণা, কৃতজ্ঞতা জ্ঞাপন আৰু সন্মিলন আমন্ত্ৰণ। অসমৰ মুখ্য মন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই এই অধিৱেশনত মুখ্য অতিথি ৰূপে যোগদান কৰিছিল আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ককাই স্বাস্থ্যজনিত কাৰণত উপস্থিত নথকাটো সকলোৱে চকুত পৰিছিল।

এই অধিৱেশনে অসমৰ থাকুৱা তেলৰ ওপৰত গ্ৰহণ কৰা প্ৰস্তাৱ আৰু উত্তৰ-পূৱ-সীমান্ত ৰেলৱে প্ৰশাসনৰ অধীনৰ বিদ্যালয়সমূহত অসমীয়া মাধ্যমৰ শিক্ষা প্ৰৱৰ্তনৰ আশু ব্যৱস্থা গ্ৰহণৰ বাবে লোৱা প্ৰস্তাৱ সময় সাপেক্ষ হলেও অসম সাহিত্য সভাই নিজস্ব আঁচনি বা কামৰ বিষয়ে কোনো প্ৰস্তাৱ গ্ৰহণৰ নকৰাটো অধিৱেশনৰ অন্যতম মন কৰিব লগীয়া বিষয়। নিয়মাৱলী সংশোধন সম্পৰ্কীয় প্ৰস্তাৱটোক ধৰি সাহিত্য সভাৰ তিতাবৰ অধিৱেশনে মাত্ৰ তিনিটা প্ৰস্তাৱ গ্ৰহণ কৰি অধিৱেশনৰ সামৰণি মৰা পৰিলক্ষিত হয়।

## *অন্তহীন আন্তৰিক শুভকামনা*

মুখ্য অতিথিৰ ভাষণত শ্ৰীসিংহই অসমৰ সাম্প্ৰতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত অসম সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ ভূমিকা আৰু সাহিত্যিকসকলৰ মহান কৰ্তব্যৰ কথা সোঁৱৰাই দি "নানা সময়োপযোগী সাৰগৰ্ভ আলোচনাই এই অধিৱেশন সফল কৰি তুলিছে ; কিন্তু তাৰ প্ৰকৃত সফলতাৰ প্ৰমাণ হব সমগ্ৰ অসমত এই অধিৱেশনে বিয়পাই দিয়া কৰ্ম চাঞ্চল্যহে। এই অৱসৰতে অসমৰ সাহিত্যৰ প্ৰসাৰ আৰু উন্নয়নৰ বাবে অসম চৰকাৰৰ অন্তহীন আন্তৰিক শুভকামনা আপোনালোকৰ কাৰত দোহাৰিলো" বুলি কৰা আহ্বান অনুপ্ৰেৰণাদায়ক আছিল ;

মুখ্য অতিথিৰ বাহিৰেও শ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা, ডঃ মহেশ্বৰ নেওগ, অৰুণাচলৰ শ্ৰীটাৰ্লি কাৰ্লে, শ্ৰীআব্দুল মালিক, কাছাৰৰ প্ৰতিনিধি শ্ৰীনিৰঞ্জন মহন্ত প্ৰমুখ্যে কেইবা গৰাকীও বিশিষ্ট ব্যক্তিয়ে অসম সাহিত্য সভাৰ সাংগঠনিক কামৰ বিষয়ে একোটি সাৰুৱা ভাষণ দিয়ে। অধ্যাপক শ্ৰীঅৰুণ গোস্বামীয়ে অসম



সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই সাহিত্য সভাৰ তিতাবৰ অধিৱেশনক উপলক্ষ্য কৰি লিখা কবিতা আবৃত্তি কৰি অধিৱেশনৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## *গণতান্ত্ৰিক পদ্ধতিৰে নতুন কাৰ্য্যনিৰ্বাহক সমিতি গঠন*

উক্ত অধিবেশনত ডঃ নেওগে পুৰণি কাৰ্য্য-নিৰ্বাহকৰ হৈ পদত্যাগ কৰাৰ পাছত সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে গঠিত হোৱা নতুন কাৰ্য্য-নিৰ্বাহক সমিতিৰ আংশিক নাম ঘোষণা কৰা হয়। নিশা সাংস্কৃতিক সমাৰোহৰ আগে আগেহে নতুন কাৰ্য্যনিৰ্বাহকৰ নাম ঘোষণা পৰ্বৰ সামৰণি পৰে। নতুন বিষয়-ববীয়া নিৰ্বাচনৰ ক্ষেত্ৰত তাৰ প্ৰতিদ্বন্দিতা হোৱা পৰিলক্ষিত হলেও নীৰৱ সাহিত্যক শ্ৰীতৰুণ চন্দ্ৰ পামেগাম বিনা প্ৰতিদ্বন্দিতাৰে অসম সাহিত্য সভাৰ উপ-সভাপতি নিৰ্বাচিত হোৱা ঘটনাটোৱে সকলোকে আনন্দিত কৰিছিল। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়া আৰু প্ৰতিনিধিসকলৰ পক্ষৰ পৰা শ্ৰীভোলা দত্তই অভ্যাৰ্থনা সমিতি আৰু তিতাবৰবাসী ৰাইজলৈ আন্তৰিক শলাগৰ শৰাই আগবঢ়োৱাৰ পিছত অভ্যাৰ্থনা সমিতিৰ সভাপতি অধ্যক্ষ শ্ৰীচক্ৰেশ্বৰ শইকীয়াই অভ্যাৰ্থনা সমিতি সদৌ তিতাবৰবাসীৰ পক্ষৰ পৰা সকলোলৈকে ওলগ অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

## *বৈশিষ্ট্যপূৰ্ণ অধিৱেশন*

মুকলি মণ্ডপৰ সীমিত ব্যৱস্থা, অতিমাত্ৰা ধূলি, প্ৰতিনিধি শিবিৰ আৰু আহাৰ গ্ৰহণ কৰা ঠাইৰ দূৰত্ব, আহাৰ বিতৰণ আৰু ৰন্ধন প্ৰকৰণ বিভ্ৰুতি, যান বাহন আৰু বাট পথৰ অসুবিধাই দেখা দিলেও অসম সাহিত্য সভাৰ তিতাবৰ অধিৱেশন কৃতকাৰ্য্য কৰি তুলিবলৈ অভ্যাৰ্থনা সমিতি, সহৃদয় ৰাইজ আৰু ৰাজ্য চৰকাৰৰ বিভাগীয় বিষয়া আৰু কৰ্মচাৰীসকলে নিষ্ঠাৰে সেৱা-কাৰ্য্য আগবঢ়োৱা সততে পৰিলক্ষিত হৈছিল। তিতাবৰীয়া ৰাইজে ভাষাজননীৰ সেৱকসকলক প্ৰতিনিধি শিবিৰৰ বাহিৰেও যেয়ে যেনেকৈ পাৰে নিজৰ ঘৰত আশ্ৰয় দি নিজকে ধন্য মানিছিল। তিতাবৰৰ দৰে ভিতৰুৱা অঞ্চলত অদূৰ ভৱিষ্যতে সাহিত্য সভাৰ সন্মিলন কৃতকাৰ্য্য কৰি তুলিবলৈ হলে উল্লিখিত অসুবিধাবোৰ দূৰীকৰণাৰ্থে সুপৰিকল্পিত আঁচনিৰে আগতীয়া ব্যৱস্থা গ্ৰহণ কৰা নিতান্ত প্ৰয়োজন।

অতি শক্তিশালীকৈ নিৰ্মাণ কৰাৰ সাহিত্য-ক্ষেত্ৰৰ বিয়াগোম সভামণ্ডপ আৰু স্বেচ্ছাসেৱকৰ পৰা আৰম্ভ কৰি বিশিষ্ট অতিথিলৈকে সকলোৱে পৰিধান কৰা মুগাকাপোৰত আচুকুল বচা বেজে সাহিত্য সভাৰ তিতাবৰ অধিৱেশনৰ দুটা বৈশিষ্ট্য দাঙি ধৰিছিল। বিয়াগোম সভামণ্ডপে তৃতীয় অসম আৰক্ষী বাহিনীৰ শ্ৰমদানৰ নিদৰ্শন আৰু মুগা কাপোৰত আচুকুল বছা বেজে আঞ্চলিক বৈশিষ্ট্য ফুটাই তুলিছে। এহ অধিৱেশনৰ বিভিন্ন কাৰ্য্যসূচীৰ আলোচনাবিলাক একমাত্ৰ পুৰুষ সাহিত্যিকসকলৰ ভিতৰতে সীমাবদ্ধ আছিল। ২৩ ফেব্ৰুৱাৰীৰ বিয়লিৰ লগে লগেই অসম সাহিত্য সভাৰ দ্বিচত্বাৰিংশ সন্মিলনৰ নিৰ্দ্ধাৰিত

কাৰ্য্যক্ৰমৰ সমাপ্তি ঘটে। পৰৱৰ্তী সন্মিলন টিহু সাহিত্য সভাই সেইদিনাই মুকলি মঞ্চৰ পৰা কামৰূপ জিলাৰ অন্তৰ্গত টিহুলৈ আমন্ত্ৰণ জনায়।

## : অসমীয়া জাতিৰ জাগৃত হৃদয়ৰ স্বতস্ফূৰ্ত আগ্ৰহ :

অসম সাহিত্য সভা মেলামুখী হোৱা বুলি নানা অভিযোগ শুনা যায়। কিন্তু সাহিত্যিক-সকলক চাবলৈ অহা আৰু শুনিবলৈ অহা লাখ লাখ মানুহৰ জন-সমাগমক যদি কেৱল মেলা বুলি অভিহিত কৰা হয় তেনেহলে তাতকৈ ভুল ধাৰণা থাকিব নোৱাৰে। কাৰণ এই মেলাৰ মাজেদি জাতি ধৰ্ম সম্প্ৰদায় নিৰ্বিশেষে সমগ্ৰ অসমীয়া জাতিৰ জাগৃত হৃদয়ৰ স্বতঃস্ফূৰ্ত্ত আগ্ৰহ আৰু আনন্দই প্ৰকাশিত হৈ আহিছে। তিতাবৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ত্ৰিচত্বাৰিংশ সন্মিলনৰ মাজেদিও অসমৰ বিৰাট নৱনাৰায়ণৰ এই জাগৃত ৰূপেই প্ৰত্যক্ষ হৈ উঠিছিল। প্ৰত্যক্ষ হৈ উঠিছিল সহৃদয় ৰাইজ আৰু চৰকাৰৰ আন্তৰিক সাদৰ সহযোগৰ জ্বলন্ত নিদৰ্শন। সন্মিলন চলি থকা সময়ত জাতিধৰ্ম সম্প্ৰদায় নিৰ্বিশেষে সকলোৱেই জয়তু ভাষা জননীৰ পবিত্ৰ পতাকাৰ তলত সমৱেত হৈ মুহূৰ্তৰ বাবে হলেও 'সত্যপথিক' বুলি নিজকে অভিহিত কৰি গৌৰৱবোধ কৰিছিল। হৃদয়ে হৃদয়ে একেষাৰ কথাকেই উপলব্ধি কৰিছিল—

> "চিৰ চেনেহী মোৰ ভাষা জননী
> ধন্যে পুন্যে হৃত পাৰনী।"

—শ্ৰীহেৰম্ব বৰদলৈ

—x—



( ৮ পিঠিৰ পিছৰ পৰা )

মহন্তৰ শিষ্য আছিল বুলি কব নোৱাৰি।
শেষত মই কব খোজো যে আলোচ্য মুদ্ৰা দুটি মুদ্ৰা বিষয়ক গৱেষণাৰ ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ।

## প্ৰমাণ-পঞ্জী

১। অসম দি ডিষ্ট্ৰিক্ট গেজেটিয়াৰ্চ, শিৱসাগৰ, শ্বিলং, ১৯৬৭।
২। গেইট, ই :—এ হিষ্ট্ৰী অৱ আসাম, দ্বিতীয় তাঙৰণ, কলিকতা, ১৯২৬।
৩। চৰকাৰ, শ্যাৰ জে, এন :—ডি হিষ্ট্ৰী অৱ বেঙ্গল, ( সম্পাদিত ) দ্বিতীয় খণ্ড, ১৯৪৮।
৪। চিকাৰ, ডি, চি : ষ্টাডিজ ইন ইণ্ডিয়ান কইনচ্ প্ৰথম তাঙৰণ, দিল্লী, ১৯৬৮।
৫। প্ৰসঙ্গ, ঈশ্বৰী :—এ শ্বৰ্ট হিষ্ট্ৰি অৱ মুচলিম ৰুল ইন ইণ্ডিয়া, সংশোধিত তাঙৰণ, ১৯৬৯।
৬। ৰবপূজাৰী, এইচ্-কে :—আসাম ইন্ ডি দে'জ অৱ ক'ম্পেনী, প্ৰথম তাঙৰণ, গুৱাহাটী।
৭। ব'থম, এ-ডব্লিউ-এণ্ড—ফ্ৰিয়েল, আৰ—চাপ্লিমেণ্ট তু দি কেটাল'গ অৱ ডি প্ৰৱিন্সিয়েল কেবিনেট অৱ কইন্স, ইষ্টাৰ্ণ বেঙ্গল এণ্ড আসাম, এলাহাবাদ, ১৯১৯।
৮। ব'থম, এ-ডব্লিউ এণ্ড ফ্ৰিয়েল, আৰ—কেটালগ অৱ প্ৰৱিন্সিয়েল কইন কেবিনেট, আসাম, দ্বিতীয় তাঙৰণ, এলাহাবাদ, ১৯৩০
৯। ৰিট, এইচ-এন : কইনচ্ অৱ ডি চুলতান অৱ দেলহি এণ্ড কণ্টেপব্যাৰী ডাইনেষ্টিজ, দ্বিতীয় খণ্ড, দিল্লী, ১৯৭২
১০। এচ-কে ভূঞা—তুংখুঙ্গীয়া বুৰঞ্জী (অসমীয়া) (সম্পাদিত) দ্বিতীয় ছপা, গুৱাহাটী, ১৯৬৩
১১। এচ-কে ভূঞা : তুংখুঙ্গীয়া বুৰঞ্জী (ইংলিচ) (সম্পাদিত ) দ্বিতীয় বাৰ ছপা, গুৱাহাটী ১৯৬
১২। ভূঞা এচ্—কে:—এঙ্গলো আসামীজ ৰিলেসন্স, প্ৰথম তাঙৰণ, গুৱাহাটী, ১৯৪৯।
১৩। ষ্টেপ লিটন, এইচ-ই : কেটালগ অৱ ডি প্ৰৱিন্সিয়েল কেবিনেট অৱ কইনচ্, ইষ্টাৰ্ণ বেঙ্গল এণ্ড আসাম, শ্বিলং, ১৯১১।
১৪। স্মিথ, ভি-এ : কইনচ্ অৱ এন্সিয়েণ্ট ইণ্ডিয়া, প্ৰথম খণ্ড, দিল্লী, ১৯৭২

—x—

# পুথি-পৰিচয়

[ পৰিচয় কৰি দিবলৈ দুকপিকৈ কিতাপ পঠাব লাগে ]

***সত্যাৰ্থ প্ৰকাশ***--মূল লিখক মহৰ্ষি দয়ানন্দ সৰস্বতী, অনুবাদক শ্ৰীপদ্মেশ্বৰ কাকতি, গুৱাহাটী-৩, প্ৰকাশক ডাঃ নাৰায়ণ দাস, সচিব আৰ্য্য সমাজ, গুৱাহাটী—৭, ১ম প্ৰকাশ (অনুঃ) ১৯৭৫, পৃষ্ঠা সংখ্যা ৩২+৮০৮+১০ (মুঠ পৃষ্ঠা ৮৫০), বেচ ১১'০০

ভাৰতৰ প্ৰসিদ্ধ যোগী মহৰ্ষি দয়ানন্দ স্বামীকৃত 'সত্যাৰ্থ প্ৰকাশ'ৰ মূল হিন্দীৰ পৰা ইংৰাজী তথা ভাৰতীয় বিভিন্ন ভাষালৈ ইতিমধ্যে অনুবাদ হৈ গৈছে। শ্ৰীপদ্মেশ্বৰ কাকতিয়ে অসমীয়া ভাষালৈ এই বৃহৎ পুথিখন অনুবাদ কৰি অসমীয়া অনুবাদ সাহিত্যৰ ভড়াললৈ এক উল্লেখযোগ্য অৱদান আগবঢ়াইছে। মূল পুথিখনিৰ বিষয়ে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীতীৰ্থনাথ শৰ্মাই তেখেতৰ ভূমিকাত লিখিছে, "সত্যাৰ্থ প্ৰকাশক যুগান্তকাৰী গ্ৰন্থ বোলোঁতে অতিৰঞ্জনাৰ দোষে চুব বুলি ভয় কৰাৰ কোনো সকাম নাই; ই সঁচাকৈয়ে নতুন যুগ এটাৰ সূচনা কৰি দিলে আৰু ইয়াৰ প্ৰভাৱ আজিলৈকে পূৰ্ণোজ্জ্বল আৰু বিসাৰী হৈয়ে আছে।..........যিবোৰ বিষয়ত আমি অলৌকিক মহিমা আৰোপ কৰি বিশ্বাসৰ ওপৰত ভৰ দি পালন কৰোঁ সেইবোৰকো তেখেতে আধুনিক যুগৰ শিক্ষিত লোকৰ গ্ৰহণযোগ্য কৰি দৃষ্টফলৰ ফালে আঙুলিয়াই উপযোগিতাৰ কথা প্ৰতিপন্ন কৰি দেখুৱাইছিল।"

মুঠ চৈধ্যটা সমুল্লাস (বিভাগ)ত ৰচিত 'সত্যাৰ্থ প্ৰকাশ'ৰ প্ৰথম দহোটা সমুল্লাসত "পূৰ্বাৰ্ধ আৰু বাকী চাৰি সমুল্লাসত উত্তৰাৰ্ধ" কৰা। গ্ৰন্থ প্ৰণয়নৰ প্ৰধান উদ্দেশ্যৰ কথা কৈ মূলৰ লিখকে কৈছে সত্য অৰ্থৰ প্ৰকাশ কৰা অৰ্থাৎ যি সত্য তাক সত্য আৰু যি মিছা তাক মিছা বুলি প্ৰতিপাদন কৰাকেই মই সত্যাৰ্থৰ প্ৰকাশ বুলি বুজিছোঁ। × × × ইয়াৰ দ্বাৰাই মানৱ জাতিৰ উন্নতি আৰু উপকাৰ সাধন হয়, সত্য আৰু অসত্যক মানুহে বুজি সত্যক গ্ৰহণ আৰু অসত্যক পৰিত্যাগ কৰিব পাৰে, তাকেই লিখাহে মোৰ উদ্দেশ্য।" প্ৰতিটো সমুল্লাসতে মূল লিখকে বিভিন্ন বিষয়ৰ অৱতাৰণা কৰি সেইবোৰৰ অৰ্থ আৰু নিজস্ব ব্যাখ্যা দাঙি ধৰিছে। ঠায়ে ঠায়ে বিভিন্ন প্ৰশ্নৰো অৱতাৰণা কৰি সেইবোৰৰ নিজস্ব বিশ্লেষণমূলক উত্তৰো দিছে।

অনুবাদৰ কাম অতি কঠিন। মূলৰ অকণো হেৰফেৰ নকৰাকৈ এটা ভাষাৰ পৰা আন এটা ভাষালৈ কৰা তৰ্জমাত অনুবাদকে যথেষ্ঠ পৰিশ্ৰম কৰিবলগীয়া হয়। 'সত্য প্ৰকাশ'ৰ অনুবাদৰ ক্ষেত্ৰত শ্ৰীপদ্মেশ্বৰ কাকতিদেৱ অতি কৃতকাৰ্য্য হৈছে বুলি কব লগিব।

***প্ৰাপ্তি স্বীকাৰ***—ৰঙা জুই (কবিতা সংকলন)—লিখক শ্ৰীভৱ কোঁৱৰ, গড়পাৰা-কোঁৱৰ গাওঁ, ডাক গড়পাৰা, প্ৰকাশক শ্ৰীধৰ্মেশ্বৰ গোহাঁই, ভাকুমাৰা গাওঁ, ডাক—গড়পাৰা, পৃষ্ঠা সংখ্যা ৬৪, প্ৰথম প্ৰকাশ ১৯৭৫ বেচ খনে ২'৫০।